www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কৰ্মই উপাসনা আৰু হাঁহিয়েই জীৱন। যিজনে জীৱনত সুখ আৰু দুখক হাঁহিমুখে গ্ৰহণ কৰিব পাৰে, তেওঁহে জীৱনৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। - চৰ্দাৰ ভল্লাৱভাই পেটেল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১৪৬ □ শনিবাৰ □ ১৪ মাৰ্চ, ২০২৬ চন □ Volume/Year- I □ Issue- 146 □ Friday □ 14th March, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

■ কংগ্ৰেছৰ প্ৰাৰ্থী তালিকাৰ ৯৫ শতাংশ চূড়ান্ত ■

## আজি ঘোষণা হ'ব কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা

### হাইকমাণ্ডৰে বৈঠকৰ অন্তত ঘোষণা গৌৰৱ গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতিৰ অংশ হিচাপে কংগ্ৰেছে প্ৰাৰ্থী নিৰ্বাচনৰ কাম-কাজ তীব্ৰতাৰে আগবঢ়াই লৈ গৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ (এ.পি.চি.চি.) সভাপতি গৌৰৱ গগৈয়ে ঘোষণা কৰিছে যে দলৰ প্ৰাৰ্থী তালিকাৰ □ ৬ পৃষ্ঠাত

প্ৰতিকূল বতৰৰ বাবে বাতিল প্ৰধানমন্ত্ৰী মোদীৰ কোকৰাঝাৰ ভ্ৰমণসূচী

## গুৱাহাটীৰ পৰাই ভাৰ্চুৱেলী কেইবাটাও প্ৰকল্পৰ শিলান্যাস-ভূমিপূজন প্ৰধানমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ মাৰ্চ ঃ** প্ৰতিকূল বতৰৰ কাৰণে কোকৰাঝাৰ জিলালৈ প্ৰত্যক্ষ ভ্ৰমণ বাতিল কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে কোকৰাঝাৰত ৪, ৫৭০ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ ভূমি পূজন, আধাৰশিলা □ ৬ পৃষ্ঠাত





উত্তপ্ত পাকিস্তান-আফগানিস্তান সীমান্ত

## কোহাটত তালিবানৰ প্ৰতিশোধমূলক ড্ৰ'ন আক্ৰমণ

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** আফগানিস্তান আৰু পাকিস্তানৰ মাজত সীমান্ত সংঘাত এতিয়া খোলা যুদ্ধৰ ৰূপ লৈছে। শুকুৰবাৰে (১৩ মাৰ্চ) পাকিস্তানৰ কোহাট অঞ্চলত তালিবান-শাসিত আফগান □ ৬ পৃষ্ঠাত

## ওমানত ড্ৰ'ন আক্ৰমণত দুজন ভাৰতীয় নাগৰিক নিহত, দহজন আহত

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** ওমানৰ সোহাৰ চহৰত শুকুৰবাৰে (১৩ মাৰ্চ) এটা ড্ৰ'ন আক্ৰমণত দুজন ভাৰতীয় নাগৰিকৰ মৃত্যু □ ৬ পৃষ্ঠাত

■ ৩.৫ লাখ চাহ জনগোষ্ঠীয় পৰিয়ালক ভূমি পট্টা বিতৰণৰ শুভাৰম্ভ ■

# ৭০৭খন চাহ বাগিচাৰ পৰিয়াললৈ ভূমিপট্টা

□ অৱসান ঘটিল ২০০ বছৰীয়া দাসত্বৰ □



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ মাৰ্চ ঃ** জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত (খানাপাৰা) অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া সপোন পূৰণ কৰিছে। প্ৰধানমন্ত্ৰীৰ হাতেৰে প্ৰথম পৰ্যায়ত ২৮ হাজাৰ চাহ শ্ৰমিক পৰিয়ালক ভূমি পট্টা হস্তান্তৰ কৰা হয়। এই পদক্ষেপৰ জৰিয়তে অসমৰ প্ৰায় ৩.৫ লাখ চাহ জনগোষ্ঠীয় পৰিয়ালক মাটিৰ মালিকীস্বত্ব প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। দুশ বছৰৰো অধিক সময় ধৰি চাহ বাগিচাৰ লাইনত বাস কৰি অহা শ্ৰমিকসকলে প্ৰথমবাৰৰ বাবে নিজৰ নামত মাটিৰ দলিল লাভ কৰিবলৈ সক্ষম হ'ব। অনুষ্ঠানত উপস্থিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই দিনটোক অসম তথা সমগ্ৰ দেশৰ বাবে গৌৰৱ আৰু আনন্দৰ দিন বুলি অভিহিত কৰে। তেওঁ কয় যে, চাহ শ্ৰমিকসকলৰ □ ৬ পৃষ্ঠাত

## 'অসম বিশ্ববিদ্যালয়'ৰ নাম 'শিলচৰ বিশ্ববিদ্যালয়'লৈ সলনিৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১৩ মাৰ্চ ঃ** বৰাক ডেমোক্ৰেটিক ফ্ৰণ্টে (বি.ডি.এফ.) শিলচৰত অৱস্থিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ নাম 'অসম □ ৬ পৃষ্ঠাত

মিত্ৰতাৰ ক্ষেত্ৰত ৰাইজৰ দলে নকৰে কোনো আলোচনা

## কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ আলোচনা চূড়ান্তভাৱে বন্ধ ঘোষণা ৰাইজৰ দলৰ

### শেষৰখন কৰ্ণধাৰ সমিতিৰ বৈঠকত সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ মাৰ্চ ঃ** যোৱা কেইবামাহ ধৰি চলি অহা কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজৰ বহু চৰ্চিত মিত্ৰতাৰ আলোচনা অৱশেষত অমীমাংসিতভাৱে সমাপ্ত হৈছে। আজি ৰাইজৰ দলে এক বিবৃতিৰ জৰিয়তে ঘোষণা কৰিছে যে, ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে একেলগে প্ৰতিদ্বন্দ্বিতা কৰাৰ □ ৬ পৃষ্ঠাত



■ শ্বিলং-শিলচৰ কৰিডৰকে ধৰি কেইবাটাও প্ৰকল্পৰ শিলান্যাস ■

## আজি শিলচৰৰ অম্বিকাপুৰত প্ৰধানমন্ত্ৰী মোদীয়ে সম্বোধন কৰিব বিশাল জনসভা

### মোদীৰ আগমনৰ পূৰ্বে কটকটীয়া কৰা হৈছে নিৰাপত্তা ব্যৱস্থা




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** আজি একাধিক গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে শিলচৰলৈ আহিছে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী। দুদিনীয়া অসম ভ্ৰমণৰ দ্বিতীয় দিনা □ ৬ পৃষ্ঠাত

□ নগাঁৱত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা □

## জুবিন গাৰ্গৰ ন্যায় ন্যায়পালিকাই প্ৰদান কৰিব ঃ পবিত্ৰ মাৰ্ঘেৰিটা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত বস্ত্ৰশিল্প দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী তথা বিজেপি নেতা পবিত্ৰ মাৰ্ঘেৰিটাই নগাঁৱত এখন নতুন ইনড'ৰ □ ৬ পৃষ্ঠাত

আঠ বছৰৰ দীৰ্ঘ অপেক্ষাৰ অন্তত চূড়ান্ত ৰায়

## অভি-নীল হত্যাকাণ্ডৰ বিচাৰ অন্তিম পৰ্যায়ত; ৬ এপ্ৰিলত ৰায়দানৰ সম্ভাৱনা

### ভুক্তভোগী পৰিয়াল দুটাৰ লগতে সমগ্ৰ অসমৰ ৰাইজৰ মাজত ন্যায়ৰ আশাৰ সঞ্চাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলং জিলাৰ ডকমকাৰ পাঞ্জুৰী গাঁৱত সংঘটিত ভয়াৱহ গণপ্ৰহাৰৰ ঘটনা—য'ত ব্যৱসায়ী অভিজিত নাথ আৰু □ ৬ পৃষ্ঠাত

প্ৰসংগঃ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা

## গুৱাহাটী উচ্চন্যায়ালয়ত চাৰিখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ মাৰ্চ ঃ** অসমৰ প্ৰিয় সংগীত শিল্পী তথা সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি চলি থকা বিতৰ্কৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ত শুকুৰবাৰে এই □ ৬ পৃষ্ঠাত

মানস ৰাষ্ট্ৰীয় উদ্যানত আৱিষ্কৃত উদ্ভিদ

## জুবিন গাৰ্গৰ নামত ফুলৰ প্ৰজাতিৰ নামকৰণ Osbeckia zubeengargiana



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ মাৰ্চ ঃ** অসমৰ লাখ লাখ অনুৰাগীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নাম চিৰস্থায়ী হৈ ৰ'ল প্ৰকৃতিৰ বুকুত। নতুনকৈ আৱিষ্কৃত এটা ফুলৰ প্ৰজাতিৰ নামকৰণ কৰা হৈছে তেওঁৰ □ ৬ পৃষ্ঠাত



পাঁচটাকৈ স্থানত শুভ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ

# পুৰণিগুদামত চাপানালা জলপ্ৰপাতৰ মূল তোৰণ উন্মোচন মন্ত্ৰী পীয়ূষ হাজৰিকাৰ

## বড়মপুৰত দিনযোৰা কাৰ্যসূচীৰে উপস্থিত মন্ত্ৰী পীয়ুষ হাজৰিকা



**অসম বাৰ্তা, পুৰণিগুদাম, ১২ মাৰ্চ ঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিত আজি দিনযোৰা কাৰ্যসূচীৰে উপস্থিত হয়হি মন্ত্ৰী পীয়ূষ হাজৰিকা। কেইবাটাও উন্নয়নমূলক কাৰ্যসূচী লৈ উপস্থিত হোৱা মন্ত্ৰী গৰাকীয়ে পোনপ্ৰথমতে কামপুৰ ৰে'লৱে ক'লনিৰ পাৰ্কৰ শুভ উদ্বোধন কৰে। ইয়াৰ পিছতে অসম ৰাজ্যিক জীৱিকা অভিযানৰ প্ৰচেষ্টাত বড়মপুৰ সমষ্টিৰ অধীনৰ নৈনে শ'লমাৰিত সমষ্টিটোৰ তৃতীয়খন মামা বজাৰৰ শুভ উদ্বোধন কৰে। ইয়াৰ পিছতে পুৰণিগুদাম গড়মূৰত পুৰণিগুদাম- চাপানালা জলপ্ৰপাতৰ মূল আদৰণি তোৰণৰ শুভ উদ্বোধন কৰে। এই কাৰ্যসূচীৰ পিছতে সমষ্টিটোৰ অধীনৰ অতি ভিতৰুৱা অঞ্চল চাপানালাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আঠ কোটি টকা ব্যয়ৰে নিৰ্মাণ হৈ উঠা বিদ্যালয় গৃহৰ শুভ উদ্বোধন কৰে মন্ত্ৰী গৰাকীয়ে। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক লগত লৈ মন্ত্ৰীগৰাকীয়ে বড়মপুৰ সমষ্টিৰ অধীনত শেষৰটো কাৰ্যসূচী ৰূপায়ণ কৰে চাপানালা চম্পাৱতী জলপ্ৰপাতৰ সমীপত। চাহ বাগিছাৰ জনসাধাৰণে বিভিন্ন অনুষ্ঠান ৰূপায়ণ কৰিব পৰাকৈ নিৰ্মাণ কৰি উলিওৱা জগন্নাথ কমিউনিটি চেণ্টাৰ মুকলি কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীয়ে আজি শুভ উদ্বোধন কৰা পাঁচটাকৈ বিভিন্ন কামৰ অনুষ্ঠানত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। বড়মপুৰৰ বিধায়ক জিতু গোস্বামীয়ে বিগত পাঁচ বছৰত কৰা বিভিন্ন উন্নয়নমূলক কাম কাজে সমষ্টিটো বহুদূৰ আগুৱাই লৈ গৈছে বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে আগন্তুক নিৰ্বাচনত বিধায়ক জিতু গোস্বামীক আশীৰ্বাদ দিবলৈ আহ্বান জনায়। ইফালে, প্ৰতিখন ৰাজহুৱা সভাত মন্ত্ৰীগৰাকীয়ে চৰকাৰে জনসাধাৰণৰ বাবে কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰে। বিশেষকৈ মহিলা সবলীকৰণৰ ক্ষেত্ৰত বিজেপি চৰকাৰখনে কৰা কাম-কাজৰ কথা উল্লেখ কৰে মন্ত্ৰী গৰাকীয়ে। উল্লেখযোগ্য যে, বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ২০২১ চনত বড়মপুৰ সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত সমষ্টিৰ প্ৰতিটো স্থানতে উন্নয়ন মূলক কাম কৰাৰ লগতে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত যিসমূহ এলেকা বড়মপুৰ সমষ্টিৰ অধীনলৈ আহিছে সেই সমূহ এলেকাটো উন্নয়নমূলক কাম কৰিছে। আজি শুভ উদ্বোধন হোৱা চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত গৃহটোৱে চাপানালাৰ শৈক্ষিক দিশত এক নতুন দিগন্তৰ সূচনা কৰিব। ১৯৫৯ চনতে স্থাপিত বিদ্যালয়খনে চাপানালাৰ শৈক্ষিক দিশত এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে যদিও বৰ্তমান সময়ত ন-শতাধিক ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ বিদ্যালয়খনত শ্ৰেণীকোঠাৰ অভাৱ হৈ পৰিছিল। বড়মপুৰৰ বিধায়ক জিতু গোস্বামীৰ তৎপৰতাত নিৰ্মাণ হৈ উঠা বিদ্যালয়খনৰ আধুনিক শ্ৰেণী কোঠাই এতিয়া চাপানালাৰ শৈক্ষিক দিশ বহুদূৰ আগুৱাই লৈ যাব বুলি আশাবাদী চাপানালাবাসী ৰাইজৰ লগতে বিদ্যালয়খনৰ অধ্যক্ষা পাৰুল গায়ন, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ- ছাত্ৰীসকল। আজি দিনযোৰা কাৰ্যসূচীত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাকে ধৰি বিজেপি দলৰ দলীয় কৰ্মীসকল উপস্থিত থাকে।

# ডুমডুমাৰ বাদলাভেটা চাহ বাগিচাত কানাড়া বেংকৰ চিএছআৰ আঁচনি ৰূপায়ণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১২ মাৰ্চ ঃ** ভাৰতৰ অন্যতম পুৰণি আৰু বৃহৎ ৰাজহুৱা খণ্ডৰ বেংক কানাড়া বেংকৰ ডুমডুমা শাখাই মঙ্গলবাৰে বেংকৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা (CSR) কাৰ্যসূচীৰ অধীনত ইয়াৰ সমীপৰ বাদলাবেটা চাহ বাগিচাত ৩০টা নলকূপ স্থাপন কৰাৰ বাবে প্ৰায় ৯ লাখ ৮০ হাজাৰ টকা ব্যয়েৰে ৰূপায়ণ হ'বলগীয়া এক আঁচনি প্ৰৱৰ্তন কৰে। বাদলভেটা চাহ বাগিচাৰ শ্ৰমিক আৰু আশে-পাশে বাস কৰা লোকসকলৰ বহুদিনীয়া বিশুদ্ধ পানীৰ সমস্যাৰ সমাধানৰ উদ্দেশ্যেৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে। উল্লেখ্য যে, বাগিচাখনৰ ১০নং আৰু ব্ৰহ্মপুৰ লাইনত নলকূপসমূহ স্থাপন কৰা হ'ব। এই উপলক্ষে কালি অনুষ্ঠিত এক কাৰ্যসূচীত ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। নিজৰ বক্তব্যত কেবিনেট মন্ত্ৰীগৰাকীয়ে কয় যে অঞ্চলটোত বহু বছৰ ধৰি বিশুদ্ধ খোৱাপানীৰ সমস্যা অনুভৱ কৰা হৈছিল। মাটিৰ তলৰ পানীৰ স্তৰ বহুত তললৈ নামি যোৱাৰ ফলত সাধাৰণ নলকূপসমূহত পানীৰ প্ৰবাহ প্ৰায় নোহোৱা হৈছে। কানাড়া বেংকে এই সমস্যাৰ সমাধানৰ লক্ষ্যৰে নলকূপ স্থাপনৰ উদ্দেশ্যেৰে আগবঢ়োৱা এই সহযোগিতাই চাহ শ্ৰমিক আৰু স্থানীয় বাসিন্দাসকলৰ এটা দীঘলীয়া সমস্যাৰ সমাধান হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰাৰ লগতে বেংক কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত কানাড়া বেংকৰ ডিব্ৰুগড়স্থিত আঞ্চলিক কাৰ্যালয়ৰ বিভাগীয় প্ৰবন্ধক যাদৱ পি. দাসে কয় যে কানাড়া বেংকে নিজৰ ব্যৱসায়িক কাৰ্যকলাপৰ লগতে সমাজৰ সৈতে অংশীদাৰিত্বক সন্মান জনাই সময়ে সময়ে CSR কাৰ্যসূচীৰ অধীনত বিভিন্ন ধৰণৰ সহযোগিতা আগবঢ়াই আহিছে। তেওঁ লগতে কয় যে নলকূপ স্থাপনৰ উপৰি বেংকে শীঘ্ৰেই আৰ্থিকভাৱে পিছপৰা কিন্তু মেধাবী শিক্ষাৰ্থীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাৰো পৰিকল্পনা কৰিছে। অনুষ্ঠানত আঞ্চলিক কাৰ্যালয়ৰ আন এগৰাকী বিভাগীয় প্ৰবন্ধক ময়ূৰ জয়ৰামন আৰু সৰ্বেশ তিৱাৰীও উপস্থিত থাকে। অনুষ্ঠানত কাকজান গাঁও পঞ্চায়তৰ সভাপতি ৰবিশংকৰ তাঁতীসহ বহুসংখ্যক চাহ বাগিচাৰ শ্ৰমিক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানটো পৰিচালনা কৰে কানাড়া বেংকৰ ডুমডুমা শাখাৰ প্ৰবন্ধক গগন কুমাৰ দেউৰীয়ে।

# শিৱসাগৰ জিলা বিহু সংস্কৃতি চৰ্চা মঞ্চৰ শপত গ্ৰহণ অনুষ্ঠান আৰু কাৰ্যনিৰ্বাহক সভা সম্পন্ন




**অসম বাৰ্তা, চেলেংহাট, ১২ মাৰ্চ ঃ** শিৱসাগৰ নগৰস্থিত শিৱসাগৰ প্ৰেছ ক্লাৱত শিৱসাগৰ জিলা বিহু সংস্কৃতি চৰ্চা মঞ্চৰ শপত গ্ৰহণ অনুষ্ঠান আৰু জিলা সমিতিখনৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা যোৱা ৮ মাৰ্চত সম্পন্ন হয়। জিলা সমিতিৰ সভাপতি ক্ষীৰোদজ্যোতি গগৈয়ে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা শপত গ্ৰহণ অনুষ্ঠানটি পৰিচালনা কৰে সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চৰ সভাপতি তৰুণ চন্দ্ৰ নাথে। জিলা কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া আৰু সদস্যবৃন্দক নাথে কাৰ্যভাৰ গ্ৰহণৰ শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় সমিতিৰ আন আন গুৰুত্বপূৰ্ণ পদবীধাৰী বিষয়ববীয়া ক্ৰমে ৰাজেন মিলি, নৱদীপ হাজৰিকা, গোবিন গগৈ, ৰূপেশ্বৰ চেতিয়া, চন্দীকা গগৈ আৰু বিকাশ গগৈয়ে উদ্দেশ্যধৰ্মী মননশীল বক্তব্য আগবঢ়ায়। শপত গ্ৰহণ অনুষ্ঠানৰ পিছতেই জিলা সমিতিৰ সভাপতি ক্ষীৰোদজ্যোতি গগৈৰ সভাপতিত্বত জিলা কাৰ্যনিৰ্বাহকৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন হয়। জিলা সমিতিৰ সম্পাদক নয়নজ্যোতি গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত জিলা সমিতিৰ উদ্যোগত জিলাখনৰ ভিন্ন প্ৰান্তত কেইবাটিও বিহু বিষয়ক কৰ্মশালা সমাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি সভাত আমগুৰিস্থিত ৰুচেংৰী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিতব্য দহদিনীয়া বিহু বিষয়ক কৰ্মশালাখনিত জিলা সমিতিয়ে সহযোগিতা আগবঢ়োৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে আন কেইবাটিও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সভাখনিত চন্দীকা গগৈ, বিতুপ পাটৰ, টুটুমণি ফুকন, দীপিকা শ্যাম, মুনু বৰা, প্ৰজ্ঞাশ্ৰী বৰুৱা, ছাঁয়া বৰগোহাঁই, প্ৰিন্সীপ্ৰিয়া বৰা আৰু সঞ্জীৱ শইকীয়াৰ উপৰি আন কেইবাগৰাকীও বক্তাই বিভিন্ন প্ৰসংগত পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। সভাৰ অন্তিম পৰ্যায়ত সমবেত সদৌটিয়ে ঢোল-পেঁপা বজাই, নাচি-বাগি খন্তেকৰ বাবে পৰিৱেশটো আনন্দদায়ক কৰি তোলে। অসম সংগীত পৰিৱেশনেৰে সভাখনি সামৰণি পৰে।

# ছয়গাঁৱৰ বৰঝাৰত চোৰাং গৰু সহ দুজন গৰু সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, ছয়গাঁও, ১২ মাৰ্চ ঃ** পুনৰ যোৱা কালি মাজনিশা ছয়গাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে দুজন গৰু সৰবৰাহকাৰীক। ছয়গাঁৱৰ উকিয়াম পথেৰে চোৰাং গৰু লৈ যোৱাৰ খবৰ লাভ কৰি মাজনিশা অভিযানলৈ ৰাওনা হয় ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱাৰা সহ আৰক্ষীৰ বৃহৎ এটা দল। ছয়গাঁও আৰক্ষীয়ে নিশা হোৱাৰ লগে লগে প্ৰতি দিনে চোৰাং গৰুৰ বিৰুদ্ধে চলাই আহিছে অভিযান। জানিব পৰা মতে যোৱা নিশা AS-01, HC- 9647নম্বৰৰ DI গাড়ীখনত ৮টা বলধ গৰু আৰু গাড়ীখনৰ পিছে পিছে কেইজনমান লোকে ৬টা গৰু মেঘালয়লৈ নি থাকোঁতে আৰক্ষীয়ে গাড়ীখন ৰ'বলৈ সংকেত দিয়ে। পিছে আৰক্ষীক দেখি গাড়ীখনৰ পিছে পিছে আহি থকা গৰু সৰবৰাহকাৰী কেইজনে গৰু এৰি আন্ধাৰ সুযোগ লৈ জংঘল মাজলৈ পলায়ন কৰে। লগে লগে ছয়গাঁও আৰক্ষীয়ে D.I গাড়ীখন জব্দ কৰি চালক পাণ্টানৰ অঞ্জন ৰাভা(২৮) আৰু হেন্দিমেন ৰীহাবাৰীৰ মৃদুল বড়ো(২৫)ক আটক কৰি ছয়গাঁও থানালৈ লৈ আহে। সম্প্ৰতি ছয়গাঁও আৰক্ষীয়ে গৰু সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখিছে।

# ফিল্ম ফেয়াৰ এৱাৰ্ডছত উজ্জ্বলিল যোৰহাটৰ সন্তান ৰক্তিম কমল বৰুৱা

**অসম বাৰ্তা, যোৰহাট, ১২ মাৰ্চ ঃ** যোৰহাটৰ সন্তান ৰক্তিমকমল বৰুৱাই ২০২৫ বৰ্ষৰ ফিল্ম ফেয়াৰ এৱাৰ্ডছ আছামিছৰ চাৰিটাকৈ ব্যক্তিগত শাখাৰ বঁটা লাভ কৰি উজ্জ্বলি উঠিছে। ফিল্ম ফেয়াৰ - এ জীৱন ৰাম মুংগি দেৱী গোৰেংকা দাতব্য ন্যাসৰ সহযোগত গুৱাহাটীৰ কলাক্ষেত্ৰত ২৭ ফেব্ৰুৱাৰীত প্ৰদান কৰা ফিল্ম ফেয়াৰ এৱাৰ্ডছ আছামিছৰ অনুষ্ঠানত তেওঁ পূৰ্ণ দৈৰ্ঘ্যৰ কথাছবি গোলাই চোৰৰ বাবে শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ কাহিনী, শ্ৰেষ্ঠ চিত্ৰনাট্য আৰু শ্ৰেষ্ঠ সংলাপৰ বঁটা লাভ কৰে। উল্লেখ্য, ছবিখনে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ অসমীয়া কথাছবিকে ধৰি মুঠ আঠটা ফিল্ম ফেয়াৰ এৱাৰ্ড লাভ কৰিছে। গোলাই চোৰ- এ শ্ৰেষ্ঠ অসমীয়া কথাছবিৰ উপৰি শ্ৰেষ্ঠ অভিনেতা (হিমাংশু গগৈ), শ্ৰেষ্ঠ সম্পাদনা, শ্ৰেষ্ঠ প্ৰডাকচন ডিজাইনৰ পুৰস্কাৰ লাভ কৰিছে। কথাছবিখনে ১১টা শাখাত নমিনেচন লাভ কৰিছিল। ২০২৫ চনৰ শিল্পী দিৱসৰ দিনা মুক্তি লাভ কৰা গোলাই চোৰ ৰক্তিম কমল বৰুৱাই পৰিচালনা কৰা প্ৰথমখন কথাছবি। ইয়াৰ পূৰ্বে তেওঁ বৰনদী ভটিয়াই কথাছবিত সহকাৰী পৰিচালক ৰূপে আছিল। স্মৰ্তব্য, গোলাই চোৰ এসময়ত যোৰহাটৰ প্ৰখ্যাত চোৰ আছিল। তেওঁ ব্ৰিটিছ ৰয়েল ট্ৰেজাৰী (বৰ্তমান যোৰহাট কোষাগাৰ)ত চুৰ কৰি বিখ্যাত হৈ পৰিছিল। সেইজন ব্যক্তিক লৈ অসমৰ প্ৰথম ডিটেকটিভ উপন্যাস গোলাই ছিৰিজ কুমুদেশ্বৰ বৰঠাকুৰে লিখি উলিয়াইছিল। সেই কাহিনীৰ আলম লৈ গোলাই চোৰ নামৰ কাল্পনিক আৰু কলাসুলভ কথাছবিখন নিৰ্মাণ হৈছিল। যোৰহাটৰ সবাইবন্ধাৰ ৰাজকমল বৰুৱা আৰু মণি বৰদলৈ বৰুৱাৰ সন্তান ৰক্তিম এজন অভিযন্তা হোৱাৰ উপৰি বিজ্ঞানৰ স্নাতক। তেওঁ ২০০২ বৰ্ষত ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহত শিশু বিজ্ঞানী ৰূপে অংশগ্ৰহণ কৰিছিল। তেওঁৰ উল্লেখযোগ্য সাফল্যত যোৰহাটৰ ৰাইজ উৎফুল্ল হৈছে।

# ভূৰাগাঁৱৰ নৈপৰীয়া অঞ্চলত দুৰ্যোগ প্ৰশমন সামগ্ৰী প্ৰদান আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংস্থাৰ




**অসম বাৰ্তা, ভূৰাগাঁও, ১২ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ নৈপৰীয়া ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত জেংপৰি অঞ্চলত আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংস্থা BOSCO REACH OUT ৰ উদ্যোগত দুৰ্যোগ প্ৰশমন সামগ্ৰী প্ৰদান। ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া নিজচহৰীয়া আৰু গাগলমাৰী আশীগড় গাঁও পঞ্চায়তৰ নৈপৰীয়া অঞ্চলত বানপানী, গৰাখহনীয়া, ভূমিকম্প, অগ্নিকাণ্ড আদি দুৰ্যোগৰ সময়ত উদ্ধাৰ কাৰ্যৰ বাবে নাৱৰ লগতে লাইফ জেকেট, টিউব, মাইক সহ উদ্ধাৰ কাৰ্যত জড়িত বহু সামগ্ৰী প্ৰদান কৰা হয়। ইয়াৰোপৰি দুৰ্যোগৰ সময়ত উদ্ধাৰ কাৰ্যত নিয়োজিত হ'ব পৰাকৈ অঞ্চলটোৰ ২৫ জনকৈ যুৱকক সংস্থাটোৱে প্ৰশিক্ষণ প্ৰাপ্ত কৰি তুলিছে। উল্লেখ্য যে সংস্থাটোৱে নৈপৰীয়া অঞ্চলবাসীৰ বাবে এই সামগ্ৰীখিনি আজি আনুষ্ঠানিকভাৱে জেংপৰি পূজাৰ মণ্ডপত এখন সভা পাতি নিজচহৰীয়া গাঁও পঞ্চায়তৰ সভাপতি মহেন্দ্ৰ বৰাৰ হাতত অৰ্পন কৰে। সংস্থাটোৰ জ্যেষ্ঠ প্ৰবন্ধক ঘনশ্যাম পাঠকে উদ্দেশ্য ব্যাখ্যা কৰা আৰু প্ৰদীপ নাথে আঁত ধৰা সভাখনত উপস্থিত থাকি স্বেচ্ছাসেৱী সংস্থাটোৰ উদ্দেশ্য আৰু লক্ষ্যৰ সম্পৰ্কে সংস্থাটোৰ কাৰ্যকৰী সঞ্চালক ফাদাৰ ইগনটিউচ গাৰী আৰু ৰাষ্ট্ৰীয় সমন্বয়ক (দিল্লী) মিষ্টাৰ লুইছ মনোহৰে বক্তব্য ৰাখে। সভাখনত বিশিষ্ট অতিথিৰূপে সদৌ অসম কৃষক সংঘৰ সভাপতি তথা জীৱন জেউতি কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা, মৰিগাঁও জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ ক্ষেত্ৰ বিষয়া কলিম উদ্দিন, সংস্থাটোৰ মৰিগাঁও জিলাৰ সমন্বয়ক কুশল মেধি, গাগলমাৰী আশীগড় গাঁও পঞ্চায়তৰ সভাপতি শান্তি ৰঞ্জন মণ্ডল, জীৱন শইকীয়াকে ধৰি কেবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# 'অসম বাৰ্তা' কাকতৰ সাংবাদিক দিগন্ত শৰ্মালৈ "যুৱ সাংবাদিক বঁটা" ঘোষণা

## সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**অসম বাৰ্তা, চেলেংহাট, ১২ মাৰ্চ ঃ** অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ'প্ৰেমী শ্ৰোতাৰ মাজত গঢ় উঠা "সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ, অসম"ৰ প্ৰথম বৰ্ষৰ প্ৰতিষ্ঠা দিৱসটি অহা ১৫ মাৰ্চত ধেমাজী জিলাৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। অনুষ্ঠানত অসমৰ বিভিন্ন ৰেডিঅ' কেন্দ্ৰৰ বিষয়া কৰ্মচাৰীৰ উপৰিও ধেমাজী আৰু লক্ষ্মীমপুৰ জিলাৰ বিভিন্নজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচী অনুসৰি পুৱা চাফাই, পতাকা উত্তোলন, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন আদিৰ লগতে মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাতেই সম্বৰ্দ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হব। অসমৰ বিভিন্ন ৰেডিঅ' কেন্দ্ৰৰ বিভিন্ন শাখাৰ বঁটাৰ লগতে কেইবাজনো বিশিষ্ট সাংবাদিককো সেই অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব। "অসম বাৰ্তা" কাকতৰ জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক "যুৱ সাংবাদিক বঁটা" প্ৰদান কৰা হ'ব।

# দলগাঁৱত সোপাধৰা আতংক, উৰাবাতৰিৰ বলি হৈ দুৰ্ঘটনাত পতিত যুৱক-যুৱতী

**অসম বাৰ্তা, দলগাঁও, ১২ মাৰ্চ ঃ** বৰ্তমানৰ আধুনিক আৰু বিজ্ঞান, প্ৰযুক্তিৰ যুগত মানুহে অন্ধবিশ্বাস আৰু উৰাবাতৰিক প্ৰশ্ৰয় দি কেনে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে, তাৰ এক জ্বলন্ত উদাহৰণ দেখিবলৈ পোৱা গৈছে দৰং জিলাৰ দলগাঁৱত। সোপাধৰাৰ উৰাবাতৰিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এক উত্তপ্ত পৰিস্থিতিয়ে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি দলগাঁৱৰ ঢেকেৰীগাঁও অঞ্চলত এখন ব্যক্তিগত বাহনত এজন যুৱক আৰু এগৰাকী যুৱতী আহি থকা অৱস্থাত অচিনাকি ঠাইত বাহনখন ৰখোৱাৰ গতিকে একাংশ লোকে তেওঁলোকক সোপাধৰা বুলি সন্দেহ কৰে। কোনো সত্যতা বিচাৰ নকৰাকৈয়ে একাংশ উত্তেজিত লোকে বাহনখনক খেদিবলৈ আৰম্ভ কৰে। উত্তেজিত জনতাৰ হাতৰ পৰা পৰিত্ৰাণ পাবলৈ যুৱকজনে তীব্ৰ গতিত গাড়ীখন চলাই পলায়ন কৰিবলৈ চেষ্টা কৰে। যাৰ ফলত নিয়ন্ত্ৰণ হেৰুৱাই বাহনখন এক দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে ঘটনাস্থলীত হাজাৰ হাজাৰ লোক সমবেত হয়। সোপাধৰাৰ উৰাবাতৰিৰ বাবে সমগ্ৰ অঞ্চলটোত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। দলগাঁও আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে উত্তেজিত জনতাৰ মাজৰ পৰা যুৱক আৰু যুৱতীগৰাকীক উদ্ধাৰ কৰি সুৰক্ষিতভাৱে থানালৈ লৈ যায়। একবিংশ শতিকাৰ দৰে আছে মানৱ সমাজৰ বুদ্ধি জ্ঞান এই আধুনিক যুগত যি সময়ত মানুহে প্ৰতিটো কথা যুক্তিৰে বিচাৰ কৰিব লাগে। তেনে সময়ত কেৱল সন্দেহৰ বশৱৰ্তী হৈ আইন হাতত তুলি লোৱা কাৰ্যই সচেতন মহলক চিন্তিত কৰি তুলিছে। আৰক্ষীয়ে ৰাইজক কোনো ধৰণৰ উৰাবাতৰিত ভুল নাযাবলৈ আৰু সন্দেহজনক কিবা দেখিলে আইন হাতত তুলি নোলোৱাকৈ লগে লগে আৰক্ষীক খবৰ দিবলৈ আহ্বান জনাইছে। বৰ্তমান ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

# নাজিৰাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বন্তি প্ৰজ্বলন

**অসম বাৰ্তা, গেলেকী, ১৩ মাৰ্চ ঃ** অসমৰ অন্যতম আগশাৰীৰ জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱসটি সমগ্ৰ অসমৰ লগতে নাজিৰাতো উদ্‌যাপন কৰা হয়। নাজিৰা আঞ্চলিক সমিতিৰ টকৌ আলিস্থিত কাৰ্যালয়ত বন্তি প্ৰজ্বলন কাৰ্যসূচী হাতত লোৱা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ উপদেষ্টা ৰুহিত বৰুৱাই বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰি সকলো সংগঠনটোৰ প্ৰয়াত সতীৰ্থসকলক সোঁৱৰি মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পিছতেই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰ জ্যোতি মহন্তৰ লগতে প্ৰাক্তন সতীৰ্থ অমৰজিৎ শীলে সংগঠনৰ সংগ্ৰামৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত নাজিৰা আঞ্চলিক সমিতিৰ উপ-সভাপতি টৌফিক আলী, যুটীয়া সম্পাদক ৰাজীৱ কুৰ্মী, কাৰ্যনিৰ্বাহ সদস্য মইনা ফুকন, দুৰ্লভ দত্ত, তিলক বাচফৰ, নাজিৰা কলেজ গোটৰ বিকাশ হাজৰিকা কৰি বহুকেইজন সদস্য এই কাৰ্যসূচীত উপস্থিত থাকে।

# খৈৰাবাৰীৰ খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, খৈৰাবাৰী, ১২ মাৰ্চ ঃ** খৈৰাবাৰী খাগাৰা গাঁৱৰ নিৰ্বসী খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী তৰুন চন্দ্ৰ কলিতাৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালত মৃত্যু হয়। খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ত মৃত্যুৰ আগমুহূৰ্তলৈকে কৰ্মৰত হৈ আছিল। কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালত চিকিৎসাধীন অৱস্থাত কালি ৰাতি শেষ নিঃশ্বাস ত্যাগ কৰে। তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে অঞ্চলজুৰি শোকৰ চাঁ পৰে। তেখেতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে তেখেতৰ আত্মীয় স্বজন আৰু খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ কৰ্মচাৰী সকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন দল সংগঠনৰ লোকে তেখেতৰ বাসগৃহত উপস্থিত হৈ সমবেদনা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটালৰ পৰা পোনে পোনে তেখেতৰ কৰ্মৰত খাগাৰা মধ্য ইংৰাজী বিদ্যালয়লৈ নশ্বৰ দেহ লৈ গৈ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬০ বছৰ। তেখেতৰ অকাল মৃত্যুতে খৈৰাবাৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ উপৰিও খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলে শেষ শ্ৰদ্ধা নিবেদন কৰে। এক শোকাকুল পৰিৱেশৰ মাজেৰে তৰুণ চন্দ্ৰ কলিতাৰ শেষ কৃৰ্ত সম্পন্ন কৰে। মৃত্যুৰ সময়ত তৰুণ চন্দ্ৰ কলিতাই পুত্ৰ বোৱাৰী, নাতি নাতিনী লগতে বহু আত্মীয় স্বজনক এৰি থৈ যায়।

# ওদালগুৰিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ডিজিটেল পেমেণ্ট সজাগতা সপ্তাহ পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ মাৰ্চ ঃ** ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে প্ৰতি বছৰে ডিজিটেল পেমেণ্ট চেতনাৰ সপ্তাহ (DPAW) পালন কৰি আহিছে, যাতে ডিজিটেল পেমেণ্ট ব্যৱস্থা নিৰাপদ, সুৰক্ষিত আৰু তথ্যযুক্তভাৱে ব্যৱহাৰ কৰা হয়। এই বছৰ "হাৰ পেমেণ্ট ডিজিটেল" শীৰ্ষক অভিযানৰ অধীনত আৰু "নিৰাপদ ডিজিটেল পেমেণ্ট" বিষয়ৰ সৈতে ডিজিটেল পেমেণ্ট সজাগতাসপ্তাহ (DPAW) চলিত বৰ্ষৰ ৯ মাৰ্চৰ পৰা ১৫ মাৰ্চলৈ পালন কৰা হৈছে। ডিজিটেল পেমেণ্ট কৰাৰ সময়ত নিৰাপদ আৰু দায়িত্বশীল ব্যৱহাৰ প্ৰচাৰ কৰা আৰু ঠগবাজিৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে পালন কৰা হৈছে বুলি আজি ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে তৰফৰ পৰা অৱগত কৰে। যত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে এটা মাল্টিমিডিয়া অভিযান মুক্তি কৰিছে যাৰ মুখ্য বাৰ্তা হৈছে সাৱধান, সতৰ্ক থকা আৰু ব্যৱহাৰকাৰী সকলক ডিজিটেল পেমেণ্ট কৰাৰ সময়ত সতৰ্ক থাকিবলৈ পৰামৰ্শ দিয়া। সপ্তাহটোত ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক গুৱাহাটী শাখাই বেঙ্ক আৰু অন্যান্য পক্ষধাৰীসকলৰ সহযোগিতাত সমগ্ৰ অসমত সজাগতা কাৰ্য্যসূচী আৰু প্ৰচাৰ কাৰ্যকলাপ আয়োজিত কৰিছে। এই সন্দৰ্ভত আজি ওদালগুৰিত মহিলা আত্ম-সহায়ক গোটৰ সদস্যা সকলৰ ওপৰত বিশেষ গুৰুত্বদি ওদালগুৰি জিলাত এনে ইলেক্ট্ৰনিক বেঙ্কিং সজাগতা আৰু প্ৰশিক্ষণ কাৰ্যসূচী আয়োজিত কৰে। সজগতা কাৰ্যসূচীত ডিজিটেল পৰিশোধৰ বিভিন্ন দিশ আৰু প্ৰচলিত অনলাইন বিত্তীয় প্ৰৱঞ্চনা, সেইবোৰৰ কাৰ্যপ্ৰণালী আৰু এনে প্ৰৱঞ্চনা পৰিহাৰ কৰাৰ বাবে ল'বলগীয়া সাৱধানতাৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানটোত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ উত্তৰ পূৱ অঞ্চলৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন আৰু ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ উপ মহাপ্ৰবন্ধক ৰিতেশ কুমাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক, গুৱাহাটীৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

**তথ্যহীন আৰু ভিত্তিহীন বাতৰি পৰিৱেশনেৰে বিদ্যালয়ৰ ভাৱমূৰ্তি বিনষ্ট কৰাৰ চেষ্টা সমাজ বিৰোধী চক্ৰৰ**

## চেঙাৰ ছাটাগাঁওস্থিত পিএমশ্ৰী ছাটা আঞ্চলিক হাইস্কুল কৰ্তৃপক্ষৰ সংবাদমেল




**অসম বাৰ্তা, চেঙা, ১২ মাৰ্চ ঃ** বৰপেটা জিলাৰ চেঙা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ছাটাগাঁওস্থিত পিএমশ্ৰী ছাটা আঞ্চলিক হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক লালমামুদ আলী আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আবুল হুছেইনে আজি বিদ্যালয়খনত এখনি সংবাদমেল সম্বোধন কৰে। উল্লেখ্য যে যোৱা ৯ মাৰ্চত এটি পৰ্টেল চেনেলত সম্প্ৰচাৰ হৈছিল বিদ্যালয়খনত চলি থকা অনিয়মৰ কথা। মধ্যাহ্ন ভোজনৰ ধন আত্মসাৎ কৰাৰো অভিযোগ উত্থাপন হৈছিল বাতৰিটোত। আজি সংবাদমেলযোগে পৰ্টেল চেনেলত সম্প্ৰচাৰিত উক্ত বাতৰিটো তথ্যহীন আৰু ভিত্তিহীন বুলি মন্তব্য কৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক লালমামুদ আলী আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আবুল হুছেইনে। বাতৰিত উল্লেখ কৰা মধ্যাহ্ন ভোজনৰ ২০ শতাংশ ধন ওভোটাই দিয়া কথাটো অসত্য বুলি সংবাদমেলযোগে প্ৰকাশ কৰে বিদ্যালয়খনৰ কৰ্তৃপক্ষই। মধ্যাহ্ন ভোজনৰ কেচবুক মতে ৰাহি হোৱা ৫, ৫৯, ০৪০ টকাৰ লগতে বেংকৰ সুত ৯০, ৭২৯ টকা চৰকাৰী নিৰ্দেশনা অনুসৰি যোৱা ২০২৪ চনৰ ৮ অক্টোবৰত ট্ৰেজাৰীৰ জৰিয়তে বৰপেটাৰ ষ্টেট বেংক অফ ইণ্ডিয়াত জমা দিয়া বুলি উল্লেখ কৰে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক লালমামুদ আলীয়ে। ইয়াৰ উপৰি এজি অডিট, ষ্টেটুটৰী অডিট, চচিয়েল অডিট আৰু ২০১৩ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৫ চনৰ ৩১ মাৰ্চলৈ লোকেল অডিট প্ৰদান কৰা হয় আৰু ইয়াৰ প্ৰতিবেদনৰ প্ৰতিলিপি বিদ্যালয়খনক প্ৰদান কৰে বুলি সংবাদমেল যোগে উল্লেখ কৰে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকগৰাকীয়ে। সমাজবিৰোধী এটি চক্ৰই বিদ্যালয়খনৰ ভাৰমূৰ্তি বিনষ্ট কৰিবলৈ চলোৱা চেষ্টাক অতিকৈ দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে বিদ্যালয় কৰ্তৃপক্ষই। বিদ্যালয়খনৰ বিৰুদ্ধে সম্প্ৰচাৰিত বাতৰি সন্দৰ্ভত বিদ্যালয়খনৰ পৰিচালনা সমিতি আৰু আঞ্চলিক মুৰব্বী সমাজৰ যৌথ উদ্যোগত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আবুল হুছেইনৰ সভাপতিত্বত যোৱা ১১ মাৰ্চত বিদ্যালয়খনত এখন সভা অনুষ্ঠিত কৰি বাতৰিটো প্ৰচাৰৰ লগত জড়িত থকা সমাজ বিৰোধী চক্ৰটোক গৰিহণা দি প্ৰস্তাৱ গ্ৰহণ কৰে। আজি অনুষ্ঠিত সংবাদমেলখনত বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক লালমামুদ আলী, বিদ্যালয়খনৰ শিক্ষক বৃন্দ, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আবুল হুছেইনসহ সদস্য-সদস্যাসকল উপস্থিত থাকে।

## মাজুলীৰ ওপৰকাটনি গাঁৱৰ ধৰ্মপ্ৰাণ ব্যক্তি দিলীপ বৰাৰ মৃত্যু; অঞ্চলজুৰি শোঁকৰ ছাঁ

**অসম বাৰ্তা, মাজুলী, ১২ মাৰ্চ ঃ** মাজুলীৰ ওপৰকাটনি গাঁৱৰ নিবাসী ধৰ্মপ্ৰান, ক্ৰীড়ামোদী, সমাজ সংগঠক তথা সংস্কৃতিৱান ব্যক্তি দিলীপ বৰাৰ ১ মাৰ্চৰ নিশা ৯-৫৫ বজাত ৬২ বছৰ বয়সত নিজা বাসগৃহতে মৃত্যু হয়। কিছুদিন ধৰি যকৃতৰ ৰোগত ভুগি থকা প্ৰয়াত বৰাই ডিব্ৰুগড় আৰু নতুন দিল্লীত চিকিৎসা গ্ৰহণ কৰি চিকিৎসকৰ পৰামৰ্শ অনুসৰি ঘৰতে চিকিংসা লৈ আছিল। কালি নিশাই ব্যক্তি গৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গাঁওখনৰ লগতে সমগ্ৰ অঞ্চলটোৰ গুনমুগ্ধ ৰাইজ উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ওপৰকাটনি গাঁও পৰিচালনা সমিতিৰ চাৰিটাকৈ কাৰ্যকাল সম্পাদকৰ দ্বায়িত্ব সুচাৰুৰূপে পালন কৰাৰ লগতে বৰ্তমানৰ সমিতিখনৰ হিচাপ পৰীক্ষক আৰু নামঘৰৰ নামলগোৱাৰ দ্বায়িত্বত আছিল। দিলীপ বৰাৰ মৃত্যুত ওপৰকাটনি গাঁও পৰিচালনা সমিতিৰ বৰ্তমানৰ সভাপতি যতীন বৰুৱা, সম্পাদক অমৰজ্যোতি বৰুৱাৰ লগতে সমূহ সদস্যবৃন্দ, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, মাজুলী মিলন সংঘ, জিলা সাংবাদিক সন্থা, কমলাবাৰী প্ৰেছ ক্লাব, কমলাবাৰী ট্ৰেডিং ক'পাৰটিভ চছাইটিৰ চেয়াৰমেন ৰাজেন বৰুৱা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা বিশিষ্ট ব্যক্তিয়ে দিলীপ বৰাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনাৰে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত বৰাই মৃত্যুৰ সময়ত পত্নী, এটি পুত্ৰ দুগৰাকী কন্যা, জোঁৱাই নাতি-নাতিনী সহ পৰিয়াল বৰ্গক এৰি যায়।

## মহিলাসহ ১৩জন গুৰুতৰ আহত গোসাঁইগাঁৱত ভূমি কেন্দ্ৰিক সংঘাতৰ ভয়ংকৰ পৰিণতি

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ২নং পলাশগুৰি গাঁৱত ভূমি কেন্দ্ৰিক সংঘাতক লৈ এক ভয়ংকৰ মাৰপিটৰ ঘটনা সংঘটিত হোৱাৰ ফলত মহিলা সহ মুঠ ১৩জন লোক গুৰুতৰ ভাৱে আহত হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰমজান মাহত সংঘটিত এই ঘটনাই স্থানীয় বাসিন্দাসকলক আতংকিত কৰি তুলিছে। প্ৰাপ্ত তথ্য অনুসৰি, আজিজুল হক, সাফিজুল হক আৰু আইয়ুব আলীৰ নামত থকা এক খণ্ড মাটি দখল কৰাৰ উদ্দেশ্যেৰে আফাজুদ্দিন আহমেদ হাজৰিকা আৰু মাসুদুল আহমেদ হাজৰিকাৰ নেতৃত্বত কেইবাজনো লোক উক্ত স্থানত উপস্থিত হয়। উল্লেখযোগ্য যে, এই মাটিখিনি সম্পৰ্কে ইতিমধ্যে আদালতত গোচৰ চলি থকা বুলি জানিব পৰা গৈছে। তথাপিও একাংশ লোকে জোৰপূৰ্বক ভাৱে মাটি দখল কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় সূত্ৰে জানিব পৰা মতে, আজি পুৱাৰ ভাগত বাহাজ উদ্দিন, অধিবক্তা আকিবুল ইছলাম, ৰকিবুল ইছলাম, জিয়াৰ আলী, মিজানুৰ ৰহমান, আফাজুদ্দিন আহমেদ হাজৰিকা, মাসুদুল আহমেদ হাজৰিকা (শিক্ষক), নুৰুল ইছলাম, ইজাজ আহমেদ আৰু ফাৰুক আহমেদ নামৰ কেইবাজনো লোক পথাৰত খেতি কৰিবলৈ যায়। সেই সময়তে মাটিৰ মালিক পক্ষৰ লোকে তেওঁলোকক বাধা প্ৰদান কৰে। ইয়াৰ পিছতেই দুয়োটা পক্ষৰ মাজত বাক-বিতণ্ডা আৰম্ভ হৈ পৰৱৰ্তী সময়ত ভয়ংকৰ মাৰপিটৰ ৰূপ ধাৰণ কৰে। এই সংঘৰ্ষত মাটিৰ মালিক পক্ষৰ আজিজুল হক, সাফিজুল হক, আইয়ুব আলী, নাজমূল, ইনামুল, ৰচনাৰা বেগম আৰু মবিৰন বিবি গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। আনহাতে মাটি দখল কৰিবলৈ অহা পক্ষৰ চাৰিজন লোকো আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। ঘটনাটোৰ পিছতেই আহত লোকসকলক তৎক্ষণাত গোসাঁইগাঁওস্থিত আৰ এন বি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। চিকিৎসকে জনোৱা মতে, কেইবাজনো আহত লোকৰ অৱস্থা গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে বাহিৰলৈ প্ৰেৰণ কৰাৰ সম্ভাৱনা আছে। ইফালে ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনাৰ পৰিৱেশ বিৰাজ কৰিছে। ঘটনা সন্দৰ্ভত খবৰ পাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে আৰু ঘটনাটোৰ সম্পৰ্কে তদন্ত অব্যাহত ৰাখিছে।

**'২৬ৰ নিৰ্বাচনত বিৰোধী ঐক্যৰ সকলোকে সাঙুৰি জাতীয়তাবাদৰ ভেটি গঢ়াৰ পণ**

## সৰুপথাৰ সমষ্টিত অসম জাতীয় পতিষদ দলৰ মুখ্য কাৰ্যালয় মুকলি



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৩ মাৰ্চ ঃ** সৰুপথাৰত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক নিৰ্বাচনী তৎপৰতা অসম জাতীয় পৰিষদৰ। আজি সৰুপথাৰ নগৰৰ মাজমজিয়াত অসম জাতীয় পৰিষদ দলে মুকলি কৰিলে নিৰ্বাচনী মুখ্য কাৰ্যালয়। পুৱাৰে পৰা নাম-প্ৰসঙ্গ, হৰিনামৰ ধ্বনিৰে শুভাৰম্ভ হ'ল অসম জাতীয় পৰিষদৰ সৰুপথাৰ সমষ্টিৰ মুখ্য কাৰ্যালয়। সৰুপথাৰ সমষ্টিত আঞ্চলিকতাবাদৰ ভেটি পূৰ্বৰে পৰা শক্তিশালী। আহি থকা নিৰ্বাচনত বিৰোধী ঐক্যৰ সকলোকে সাঙুৰি জাতীয়তাবাদৰ ভেটি গঢ়াৰ পণ দলটোৰ নেতৃত্বৰ। ইফালে কাৰ্যসূচীত অংশ গ্ৰহণ কৰি অজাপ নেতা ৰাজু ফুকনে বিজেপি নেতৃত্বাধীন বিজেপি চৰকাৰখনক কটু সমালোচনা কৰি কয়- বৰ্তমানৰ বিধায়ক বিশ্বজিৎ ফুকনৰ কাৰ্যকালত ধনশিৰি মহকুমাৰ পৰা সৰুপথাৰ সমজিলালৈ উন্নীত কৰি সৰুপথাৰ ৰাইজৰ বিশেষ একো লাভ হোৱা নাই। বৰঞ্চ সমজিলা হোৱাৰ পৰা প্ৰথমটো নিৰ্বাচনী আঘাত হিচাপে নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়টোকে সৰুপথাৰত ৰাখিব নোৱাৰি গোলাঘাটলৈ লৈ গ'ল বুলি অভিযোগ কৰে নেতাগৰাকীয়ে। যাৰ বাবে এইবাৰ বিধান সভা নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়োৱা নেতা সকলে গোলাঘাটত গৈ মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব, লগতে নিৰ্বাচনী কামকাজত নিযুক্ত বিষয়া-কৰ্মচাৰী সকলেও গোলাঘাটতে ট্ৰেইনিং গ্ৰহণ কৰিব লাগিব। আনহাতে কাৰ্যালয়টো মুকলি হোৱাৰ পিছত অসম জাতীয় পৰিষদ দলৰ হৈ সৰুপথাৰ সমষ্টিত প্ৰায় টিকত নিশ্চিত হৈ থকা শক্তিশালী নেতা জীৱন চুতীয়াই কয়- ১০৭নং সৰুপথাৰ বিধান সভা সমষ্টিত আজিৰ পৰাই অসম জাতীয় পৰিষদ দলৰ সমষ্টি সমিতিৰ সকলো সাংগঠনিক কামকাজ আৰম্ভ হব। বিৰোধী ঐক্যৰ হৈবুথ, আঞ্চলিক সকলো পৰ্যায়ৰ সদস্যই শক্তিশালী ৰূপত মিলিজুলি প্ৰাৰ্থী বিজয়ী কৰোৱাৰ ক্ষেত্ৰত সকলো সাংগঠনিক কামকাজ আগবঢ়াই নিয়াৰ বাবে দলটোৱে পৰিকল্পনা কৰিছে। কাৰ্যালয় মুকলি অনুষ্ঠানত অসম জাতীয় পৰিষদ দলৰ সম্পাদক ৰাজু ফুকন, সৰুপথাৰ সমষ্টিৰ সভাপতি পলাশ দত্ত, কাৰ্যকৰী সভাপতি বিৰাজ গোস্বামী, সংগঠন সম্পাদক চম্পক ৰয়, উপ সভাপতি ননীৰাম তাঁতী, বিৰিঞ্চি কোঁৱৰ, দলীয় কৰ্মী পদ্মেশ্বৰ বৰা, ৰাজীৱ বৰা, দ্বিজেন চুতীয়া, উত্তম বৰুৱা, বিপ্লৱ শৰ্মাকে ধৰি বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

## ৰঙিয়াৰ চিৰাখুন্দিত বন বিভাগৰ কাৰ্যালয় মুকলি




**অসম বাৰ্তা, ৰঙিয়া, ১২ মাৰ্চ ঃ** অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ অধীনৰ উত্তৰ কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয় এটি নতুনকৈ নিৰ্মাণ কৰি তোলা হয়। মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীক এই ক্ষেত্ৰত অনুৰোধ জনাই ছিল স্থানীয় বিধায়ক ভবেশ কলিতাই। চৰকাৰী কাৰ্যালয় সমূহৰ আন্তঃগাঁথনি উন্নীতকৰণ কৰি তোলাৰ লক্ষ্যৰে উত্তৰ কামৰূপৰ বন সংমণ্ডলৰ প্ৰাধিকাৰী বিষয়াৰ নতুন কাৰ্যালয় SOPD আঁচনিৰ অধীনত ৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি তোলাৰ পাছত আজি এক কাৰ্যসূচীৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ হৈ অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ সৈতে নতুন কাৰ্যালয় ভৱনটি উদ্বোধন কৰি ৰাইজৰ সেৱাৰ্থে মুকলি কৰে বিধায়ক ভবেশ কলিতাই। ভাষণ প্ৰসংগত বিধায়ক কলিতাই পৃথিৱীখন সুন্দৰ কৰি ৰাখিবলৈ সকলোৱে গছ পুলি ৰোপণ কৰক বুলি আহ্বান জনায় গছ থাকিলে মানুহ তথা অন্যান্য জীৱকুল জীয়াই থাকিব বুলি কয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশিস গোস্বামী, উত্তৰ কামৰূপ বন সংমণ্ডল বিষয়াকে ধৰি বিভাগীয় কৰ্মচাৰীৰ লগতে স্থানীয় লোকসকল।

**জয়নাল আবেদিন নৱ-নিৰ্বাচিত সভাপতি, প্ৰফুল্ল বৰ্মন নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক অবড়ো সুৰক্ষা সমিতিৰ**

## চিৰাঙৰ বিজনীত অবড়ো সুৰক্ষা সমিতিৰ অধিৱেশন অনুষ্ঠিত

**অসম বাৰ্তা, বিজনী, ১২ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনীৰ বড় কালিবাৰীত বুধবাৰে অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কমিটিৰ অষ্টম ত্ৰিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈ যায়। অধিৱেশনত অবড়ো সুৰক্ষা সমিতিৰ পুৰণা কমিটি ভংগ কৰি জয়নাল আবেদিনক সভাপতি আৰু প্ৰফুল্ল বৰ্মনক সাধাৰণ সম্পাদক হিচাবে লৈ ৪১ জনীয়াকৈ অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কমিটিখন গঠন কৰা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ অংশ হিচাবে বিয়লিৰ ভাগত অনুষ্ঠিত মুকলি সভাত কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়া উপস্থিত থাকি সভাপতি জয়নাল আবেদিন আৰু সম্পাদক প্ৰফুল্ল বৰ্মনৰ নেতৃত্বত অবড়ো সুৰক্ষা সমিতি অধিক শক্তিশালী হ'ব আৰু বিটিচি বাসী ৰাইজৰ স্বাৰ্থত, অধিকাৰ আৰু সুৰক্ষাৰ প্ৰশ্নত তেওঁলোকে কাম কৰি যাব বুলি আশা ব্যক্ত কৰে। আনহাতে আগন্তুক বিধানসভা নিৰ্বাচনত গণ সুৰক্ষা পাৰ্টিৰ ফালৰ পৰা বিটিচিৰ প্ৰায় কেইটা সমষ্টিতে প্ৰাৰ্থীত্ব আগবঢ়োৱাই কমেও পাঁচটা সমষ্টিত জিকিব বুলি কয় প্ৰাক্তন সাংসদ শৰণীয়াই। তেওঁ লগতে এইবাৰ বিজনী সমষ্টিটো জয়ী হোৱাৰ প্ৰবল সম্ভাৱনাৰ ক্ষেত্ৰ হৈ পৰিছে বুলি উল্লেখ কৰি সমষ্টিটোত জয়ী হোৱাটো দুশ শতাংশ নিশ্চিত বুলি কয়। অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কমিটিৰ উপদেষ্টা সৰ্বেশ্বৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মুকলি সভাত প্ৰাক্তন সাংসদ শৰণীয়াৰ উপৰিও বিটিচিৰ মনোনীত পাৰিষদ হেমপ্ৰভা দেৱী অতিথি হিচাবে উপস্থিত থাকে।

## ৰূপহীহাটৰ ভাটিয়াখালীৰ আলহাজ ইউছুফ আলীৰ বিয়োগ; শোক স্তব্ধ অঞ্চলবাসী

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ মাৰ্চ ঃ** ৰূপহীহাটৰ ভাটিয়াখালী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ও বিশিষ্ট ৰাজনীতিবিদ আলহাজ ইউছুফ আলী যোৱা কালি তেখেতৰ নিজা বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৮ বছৰ। তেখেতৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলজুৰি শোকৰ ছাঁ বিৰাজ কৰিছে। তেখেতে সমাজৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেখেত অতি অমায়িক আৰু মৃদুভাষী তথা সমাজ সেৱক আছিল। তেখেতৰ মৃত্যুত শৈক্ষিক মহলত এক অপূৰণীয় ক্ষতি হৈছে বুলি জানিব পৰা গৈছে। তেখেতৰ শেষ কৃত জানাজাৰ নামাজ আজি বিয়লি ২টা বজাত ২ নং ভাটিয়াখালীস্থিত নুৰাণীয়া হালকা জামে মছজিদৰ প্ৰাংগনত সহস্ৰাধিক লোকৰ উপস্থিতিত সম্পন্ন কৰা হয়। তেওঁৰ জানাজাত ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক তথা চামগুৰি সমষ্টিৰ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী আব্দুল আজিজ, সাংসদ ৰকিবুল হুছেইন তনয় তথা চামগুৰি সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তাঞ্জিল হুছেইনৰ লগতে বিভিন্ন অঞ্চলৰ লোকসকল উপস্থিত থাকি পৰিয়ালবৰ্গলৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ আত্মাৰ সদগতি কামনা কৰে।

## ছয়গাঁৱৰ বালাসিদ্ধি মাজপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ দ্বাৰা প্ৰতাৰিত প্ৰেমিকা

**গ্ৰেপ্তাৰ শিক্ষক বিপ্লৱ নাথ**

**অসম বাৰ্তা, ছয়গাঁও, ১২ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত এগৰাকী শিক্ষকৰ দ্বাৰা প্ৰতাৰিত হোৱা এগৰাকী প্ৰেমিকাই আৰক্ষীৰ কাষ চাপিব লগীয়া হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে বিয়াৰ প্ৰলোভনেৰে প্ৰেমিকা গৰাকীৰ সৈতে দু বছৰ ধৰি শাৰীৰিক সম্পৰ্ক স্থাপন কৰিছিল লম্পট শিক্ষক গৰাকীয়ে। জানিব পৰা মতে দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত চৌধুৰীপাৰাৰ বিপ্লৱ নাথ নামৰ শিক্ষকজনৰ দ্বাৰা প্ৰতাৰিত হয় প্ৰেমিকাগৰাকী। অভিযোগকাৰীয়ে জনোৱা মতে ২০২৩ চনৰ পৰা বালাসিদ্ধি মাজপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিপ্লৱ নাথৰ সৈতে প্ৰেমিকা গৰাকীৰ প্ৰেমৰ সম্পৰ্ক আছিল। আনহাতে যোৱা ২০২৫ চনৰ পৰা বিপ্লৱ নাথে অন্য যুৱতীৰ সৈতে প্ৰেমৰ সম্পৰ্ক থকাৰ কথা গম পাইছিল প্ৰেমিকা গৰাকীয়ে। ইয়াৰ পিছতে লম্পট শিক্ষক বিপ্লৱ নাথৰ লগত অন্য যুৱতীৰ সৈতেও সম্পৰ্ক থকাৰ কথা জানিব পাৰে প্ৰতাৰিত প্ৰেমিকা গৰাকীয়ে। এই বিষয়ে বিপ-ৱ নাথক প্ৰশ্ন কৰাত প্ৰেমিকা গৰাকীক নানা ধৰণৰ মানসিক অত্যাচাৰ কৰাৰ লগতে ব্লেকমেইল আৰম্ভ কৰা বুলি কয়। প্ৰেমিকা গৰাকীয়ে এই সম্পৰ্কে লম্পট শিক্ষক বিপ্লৱ নাথৰ পিতৃ-মাতৃক অৱগত কৰিছিল যদিও ওলোটাই প্ৰেমিকা গৰাকীকহে ধমক দিছিল বুলি অভিযোগ উত্থাপন কৰিছে প্ৰেমিকা গৰাকীয়ে। উপায়ন্তৰ হৈ প্ৰেমিকা গৰাকীয়ে যোৱা কালি ছয়গাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। সেই এজাহাৰ ভিত্তিত যোৱা নিশা ভণ্ড প্ৰেমিক বিপ্লৱ নাথক ঘৰৰ পৰা আৰক্ষীয়ে আটক কৰি থানালৈ লৈ আহে। সম্প্ৰতি ছয়গাঁও আৰক্ষী থানাত 52/26, U/S-69 USBNS ধাৰা সন্নিৱিষ্ট কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

**লংকা ২ নং ৰে'লগেট ফ্লাইঅভাৰ শুভ উদ্বোধন মন্ত্ৰী পীযুষ হাজৰিকাৰ**

## লংকাবাসী ৰাইজৰ দীৰ্ঘদিনীয়া সপোন পূৰ্ণ হ'ল



**অসম বাৰ্তা, লংকা, ১৩ মাৰ্চ ঃ** লংকা চহৰৰ নগাঁও ৰোডস্থিত ২ নং ৰে'লগেট ফ্লাইঅভাৰখন দীৰ্ঘ আঠ বছৰৰ পিছত আজি অসম চৰকাৰৰ জল সম্পদ আৰু তথ্য-জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই শুভ উদ্বোধন কৰে। আজিৰ দিনটো লংকাৰ বাবে ঐতিহাসিক দিন হিচাপে চিহ্নিত হৈ ৰব। ফ্লাইঅভাৰৰ শুভ উদ্বোধন কৰাৰ পিছতে কাষতে এখন বিশাল মঞ্চত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উপস্থিত হৈ মন্ত্ৰী পীযুষ হাজৰিকাই সমবেত ৰাইজক সম্বোধন কৰে। মন্ত্ৰী গৰাকীয়ে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উন্নয়নৰ যাত্ৰা অব্যাহত আছে বুলি উল্লেখ কৰি কয় যে অসম চৰকাৰৰ দ্বাৰা প্ৰনোদিত বিভিন্ন আঁচনিৰ জৰিয়তে কিদৰে প্ৰতিজন নাগৰিকে উপকৃত হ'বলৈ সক্ষম হৈছে তাৰ বিষয়ে আলোকপাত কৰে। তেখেতে হোজাই জিলাত বান পানী প্ৰতিৰোধৰ বাবে মথাউৰি নিৰ্মাণ, শিক্ষাৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয় স্থাপন, উন্নত বাট পথ নিৰ্মাণ, ঔদ্যোগিকৰণ আদিৰ কথা উল্লেখ কৰে। তেখেতে লংকা উৰণীয়া সেতুখনে অঞ্চলটোৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান আগবঢ়োৱাৰ লগতে বাণিজ্য, শিক্ষা আৰু দৈনন্দিন যাতায়াত ব্যৱস্থাত এক ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰিব আৰু ইয়াৰ জৰিয়তে লংকা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত নতুন দিশ উন্মোচিত হ'ব বুলি আশা প্ৰকাশ কৰে। আজি যদিও ফ্লাইঅভাৰখন উদ্বোধন কৰা হৈছে, তথাপি কিছুমান কাম অসম্পূৰ্ণ হৈ থকাৰ বাবে কেইদিনমান যান-বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে পথচাৰীয়ে খোজকাঢ়ি চলাচল কৰিব পাৰিব। এই ফ্লাইঅভাৰখন লংকা চহৰৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে। ব্যৱসায়-বাণিজ্যৰ আদান-প্ৰদান, বিভিন্ন সামগ্ৰীৰ আমদানি-ৰপ্তানিও মূলতঃ এই সেতুৰে সম্পন্ন হ'ব। যাৰ বাবে বিগত আঠ বছৰত ফ্লাইঅভাৰৰ কাম দীঘলীয়া সময় থকাৰ ফলত লংকা চহৰৰ ব্যৱসায়িক ক্ষেত্ৰত কিছু প্ৰভাৱ পৰিছিল। আজিৰ এই উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিসকলৰ ভিতৰত উপস্থিত আছিল কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, জিলা উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, ভাষিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱ, লামডিং ৰে'লৱেৰ বিষয়াসকল আৰু অন্যান্য পদাধিকাৰীসকল। সভাখনত প্ৰথমে স্বাগত ভাষণ প্ৰদান কৰে জিলা উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। সাংসদ কামাখ্যা প্ৰসাদ তাছাই তেওঁৰ বক্তব্যত অসমৰ বিভিন্ন দিশত উন্নয়নৰ পৰিকল্পনা কেনেদৰে ৰূপায়ণ হৈ আছে সেই বিষয়ে উল্লেখ কৰে আৰু এন.এফ. ৰে'লৱেই ইতিমধ্যে বিভিন্ন ৰে'লৱে ষ্টেচনত নতুনকৈ ৰে'লৰ অৱস্থান (ৰেলবিৰতি) আৰম্ভ কৰাৰ কথা উল্লেখ কৰে।

## কলিয়াবৰৰ মহাবিদ্যালয়লৈ স্বতন্ত্ৰ মৰ্যাদা প্ৰদান

**অসম বাৰ্তা, কলিয়াবৰ, ১৩ মাৰ্চ ঃ** ১৯৬৯ চনত প্ৰতিষ্ঠা হোৱা কলিয়াবৰ মহাবিদ্যালয়খন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত। শেহতীয়াকৈ ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) ইয়াক স্বতন্ত্ৰ (Autonomous) মৰ্যাদা প্ৰদান কৰিছে। যোৱা ১০ মাৰ্চ তাৰিখে পত্ৰ নং GU/AFF/2026ৰ জৰিয়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্বাক্ষৰিত এক পত্ৰৰ দ্বাৰা কলিয়াবৰ মহাবিদ্যালয়ক ২০২৬-২০২৭ বৰ্ষৰ পৰা কাৰ্যকৰী হোৱাকৈ অহা পাঁচ বছৰলৈ স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা হৈছে। যোৱা ২৩ ফেব্ৰুৱাৰী তাৰিখে বিশ্ববিদ্যালয় অনুদান আয়োগৰ তৰফৰ পৰা কলিয়াবৰ মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা দিয়াৰ বিষয়টো পত্ৰ নং F.2-10/2023(AC-Policy)ৰ জৰিয়তে কলিয়াবৰ মহাবিদ্যালয়ক স্বতন্ত্ৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অৱগত কৰিছিল। এই নিৰ্দেশনা লাভ কৰি মহাবিদ্যালয়ৰ শিক্ষক গোটৰ লগতে ছাত্ৰ-ছাত্ৰীসকলো উৎফুল্ল হোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত কলিয়াবৰ মহাবিদ্যালয়ৰ সভাগৃহত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকসকলৰে এক সৌহাৰ্দ্যপূৰ্ণ আলোচনা মিলিত হয় কলিয়াবৰ প্ৰেছ ক্লাব। কলিয়াবৰ প্ৰেছক্লাবৰ সভাপতি তৰুণ মুক্তিয়াৰ সম্পাদক গৌতম কুমাৰ বৰাৰ নেতৃত্বত প্ৰেছ ক্লাবৰ সদস্যসকলে কলিয়াবৰ সদস্যসকলে আলোচনাত ভাগ লৈ স্বতন্ত্ৰ মৰ্যাদা লাভ কৰা কলিয়াবৰ মহাবিদ্যালয় অধ্যক্ষ ড° উত্তম কুমাৰ বৰুৱা আৰু শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। আলোচনাৰ আৰম্ভণিতে মহাবিদ্যালয়খনে লাভ কৰা স্বতন্ত্ৰ মৰ্যাদাৰ বিষয়ে বিশদভাৱে অৱগত কৰে। এই মৰ্যাদাৰ জৰিয়তে মহাবিদ্যালয়খনে লাভ কৰা সুবিধাসমূহে গ্ৰাম্যাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰীক উন্নয়নৰ বাবে নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰ বিষয়ে জনায়। এই বিশেষ মৰ্যাদাৰ জৰিয়তে শৈক্ষিক দিশটোৰ লগতে প্ৰশাসনিক কাৰ্যাৱলীৰ বৃদ্ধি হ'ব। যাৰ বাবে মহাবিদ্যালয়খনত শিক্ষকৰ লগতে কৰ্মচাৰীকো প্ৰয়োজন হ'ব। সেই লৈ ইতিমধ্যে এক পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। অহা শৈক্ষিক বৰ্ষৰ পৰা নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীয়ে কেইবাটাও নতুন বিষয় অন্তৰ্ভুক্তিৰে স্বতন্ত্ৰ মহাবিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰিব। এই বিষয়ত প্ৰথম অৱস্থাত নিশ্চয়কৈ কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব যদিও বৰ্তমানৰ উদ্যমী শিক্ষক-কৰ্মচাৰীসকলৰ সহায়ত সম্ভৱ কৰি তোলাৰ চেষ্টা চলাইযাব পাৰিব বুলি অধ্যক্ষগৰাকীয় আশা প্ৰকাশ কৰে। আলোচনাত উপস্থিত থকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক চিৰঞ্জীৱ বেজবৰুৱাই ইতিমধ্যে প্ৰস্তুত কৰি উলিওৱা নতুন কৰ্মসূচীৰ বিষয়েও সাংবাদিকসকলক এক ধাৰণা দিয়ে। এই লৈ প্ৰয়োজনী শিক্ষক, কৰ্মচাৰীৰ প্ৰয়োজন হ'ব যদিও বৰ্তমানে মহাবিদ্যালয়খনত থকা শিক্ষক-কৰ্মচাৰীসকলৰ জৰিয়তে কৰাৰ পূৰ্ণ প্ৰয়াসৰ কথা দোহাৰে। প্ৰেছ ক্লাবৰ তৰফৰ পৰাও কেইবাটাও নতুন বিষয় অন্তৰ্ভুক্তিৰ বিষয়ে অৱগত কৰে জ্যেষ্ঠ সাংবাদিক অমূল্য বৰাই। বৰাই কয় — বিষয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত অসমৰ আন মহাবিদ্যালয়ত নথকা বিষয়ৰ পাঠ্যক্ৰমে মহাবিদ্যালয়খন কলিয়াবৰৰ লগতে আন ঠাইৰ শিক্ষাৰ্থীসকলক আকৰ্ষণ কৰিব। যি বহু ক্ষেত্ৰত মহাবিদ্যালয়খনক সহায় কৰিব। সম্পাদক গৌতম কুমাৰ বৰাই শিক্ষক-কৰ্মচাৰীসকলে নতুন শিক্ষাবৰ্ষৰ এতিয়াতকৈ মহাবিদ্যালয়খন পাঠদানৰ লগতে আন-আন দিশতো দায়িত্ব পালন কৰিবলগীয়া হ'ব। কিন্তু এই ক্ষেত্ৰত তাতে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণত বাধা নাপায় তাৰ প্ৰতিও লক্ষ্য ৰখাটো প্ৰয়োজন হ'ব বুলি কয়। অধ্যক্ষ ড° বৰুৱাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে পাঠগ্ৰহণত কোনো অসুবিধা নাপায়, সেই লৈ পূৰ্ণ দৃষ্টি দিব বুলি মন্তব্য দিয়ে। মাত্ৰ প্ৰথম কেইবছৰমান কিছু আৰ্থিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা নথকা নহয়। যিটো সকলোৰে সহায়-সহযোগত উদ্ভৱ হ'বলগীয়া সমস্যাৰ সমাধান কৰিবলৈ দৃঢ় পদক্ষেপ ল'ব লাগিব বুলি মত প্ৰকাশ কৰে। প্ৰেছ ক্লাবৰ তৰফৰ পৰা কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষক এখন ফুলাম গামোছাৰে অভিনন্দন জনোৱা হয়।

## সম্পাদকীয়

# শিক্ষামন্ত্ৰীৰ অমাৰ্জনীয় আচৰণ

ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিৰুদ্ধে শেহতীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি দলটোক অপমান কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি মাচুল ৫০ শতাংশ ৰেহাইকে ধৰি কেইবাটাও যুক্তিসংগত দাবী লৈ মন্ত্ৰীগৰাকীৰ ধেমাজিস্থিত বাসগৃহত সাক্ষাৎ কৰিবলৈ গৈছিল। কিন্তু আশাৰ বিৰুদ্ধে তেওঁলোকে পাইছিল অপমান-অপবাদ আৰু সন্মুখীন হ'বলগীয়া হৈছিল ভাবুকিৰ।

এই ঘটনাই ৰাজ্যৰ উচ্চশিক্ষাৰ পৰিৱেশটোক লৈ সঁচাকৈয়ে চিন্তিত হোৱাৰ সময় আহি পৰিছে। এজন শিক্ষামন্ত্ৰীৰ পৰা আশা কৰা হয় যে তেওঁ শিক্ষাৰ্থীসকলৰ অভিভাৱক, তেওঁলোকৰ সমস্যাৰ সমাধানকৰ্তা হ'ব। কিন্তু ইয়াত দেখিবলৈ পোৱা গ'ল একেবাৰে বিপৰীত চিত্ৰ। অভিযোগ অনুসৰি, মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৈছিল যে তেওঁলোকৰ মগজু টেট শিক্ষকতকৈ কম, ৬ বছৰীয়া অসম আন্দোলন কৰি একো ফালিব পৰা নাই, বৰং বন্দুক লৈও যিসকলে একো কৰিব পৰা নাই, তেওঁলোকে কি কৰিব? এনে মন্তব্য কেৱল অপমানজনকেই নহয়, সম্পূৰ্ণ অনুচিত।

শিক্ষামন্ত্ৰী গৰাকীৰ এনে বক্তব্যৰ দ্বাৰা ৰাজ্যখনৰ শৈক্ষিক পৰিমণ্ডলত এক অশান্তিৰ সৃষ্টি হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় অসমৰ উচ্চশিক্ষাৰ এটি প্ৰাণকেন্দ্ৰ। ১৯৬৫ চনত প্ৰতিষ্ঠা হোৱা এই বিশ্ববিদ্যালয়খনক কেন্দ্ৰীয় চৰকাৰে বহুমুখী শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ কৰিছে। এনে এক প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দাবীদৰ্শাৰ বাবে যেতিয়া ৰাজ্যৰ শিক্ষামন্ত্ৰীৰ দ্বাৰস্থ হয়, তেতিয়া তেওঁলোকে আশা কৰে এটা সন্মানজনক আৰু গঠনমূলক আলোচনাৰ। কিন্তু ইয়াত তেওঁলোকে যি ব্যৱহাৰ পাইছে, সেয়া নিন্দনীয়।

ইফালে ২০২৩ চনৰ অক্টোবৰ মাহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয় ভ্ৰমণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি প্ৰতিশ্ৰুতি দিছিল যে বিশ্ববিদ্যালয়ৰ প্ৰতিটো ছমাহৰ খৰচৰ আধা ৰাজ্য চৰকাৰে বহন কৰিব। কিন্তু সেই প্ৰতিশ্ৰুতি আজিও কাৰ্যকৰী হোৱা নাই। সেইবাবেই ছাত্ৰ-ছাত্ৰীসকলে পুনৰ দাবী উত্থাপন কৰিছিল। কিন্তু এই দাবী উত্থাপন কৰাৰ বাবেই মন্ত্ৰীগৰাকীয়ে তেওঁলোকক আশা নকৰিবলগীয়া ব্যৱহাৰ কৰা বুলি অভিযোগ উঠিছে।

মন্ত্ৰীগৰাকীৰ বক্তব্যৰ এটা অংশই স্বাভাৱিকতে ৰাইজৰ মনে প্ৰশ্ন তুলিছে। তেওঁ কয় যে "আন্দোলন কৰিলে একো নিদিওঁ।" এনে মন্তব্যৰ পিছত সাধাৰণ ৰাইজৰ মনত প্ৰশ্ন জাগে, তেন্তে গণতান্ত্ৰিক ব্যৱস্থাত শিক্ষাৰ্থীসকলে নিজৰ সমস্যাৰ প্ৰতিবাদ কেনেকৈ কৰিব? মুখ্যমন্ত্ৰীয়ে গম পালে আন্দোলন বন্ধ কৰি দিব বুলি কোৱাটোও এজন সচেষ্ট মন্ত্ৰীৰ পৰা আশা কৰা কথা নহয়। মন্ত্ৰীগৰাকীৰ এনে উক্তিৰ দ্বাৰা তেওঁৰ মনোভাৱৰ প্ৰতিফলন ঘটিছে যে তেওঁ শিক্ষাৰ্থীৰ সমস্যাক গুৰুত্ব সহকাৰে লোৱা নাছিল।

মন্ত্ৰীগৰাকীৰ এনে আচৰণৰ প্ৰতিবাদত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জ্যোতি বাটচ'ৰাৰ সন্মুখত মন্ত্ৰীগৰাকীৰ পুত্তলিকা দাহ কৰিছে। ইয়াৰ লগতে তেওঁলোকে ৩৬ ঘণ্টীয়া অনশন কাৰ্যসূচীও ৰূপায়ণ কৰিছে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পৰমানন্দ সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আলোচনা কৰি তেওঁলোকক শিক্ষা মন্ত্ৰীৰ ওচৰত ক্ষমা খুজিবলৈ কোৱাটোৱেও এই ঘটনাৰ আন এক বিতৰ্কিত দিশ উন্মোচন কৰিছে। পঞ্জীয়কৰ এই মন্তব্যত ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ভূমিকাক লৈও প্ৰশ্ন তুলিছে।

এতিয়া প্ৰশ্ন হ'ল, এনে এক পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ দাবীসমূহৰ কি সমাধান হ'ব? মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে থকা অভিযোগসমূহৰ সন্দৰ্ভত এটা নিৰপেক্ষ তদন্ত হোৱা উচিত। ছাত্ৰ একতা সভাই ইতিমধ্যে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে যাতে এই বিষয়ত আন্তৰিক হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ন্যায় বিচাৰে, ৰাজ্যৰ ৰাইজে সেই আশা ৰাখিছে। শিক্ষা মন্ত্ৰীৰ দৰে সন্মানীয় পদত অধিষ্ঠিত ব্যক্তিজনে নিজৰ কথা আৰু কামৰ দ্বাৰা শিক্ষাৰ্থী সমাজক অনুপ্ৰাণিত কৰাৰ পৰিৱৰ্তে নিৰাশ কৰাটো বৰ দুখজনক। আশা কৰোঁ, শীঘ্ৰেই এই সমস্যাৰ এটা সুসমাধান ওলাব আৰু শিক্ষাৰ পৰিৱেশ আকৌ আগৰ দৰে সুস্থ আৰু গতিশীল হৈ উঠিব।

"অৰুণোদয়ৰ প্ৰকৃত সফলতা আৰু সুন্দৰতা নিহিত আছে ইয়াৰ সুচিন্তিত লিংগভিত্তিক দৃষ্টিভংগীৰ মাজত। এই আঁচনিয়ে গাঁথনিগতভাৱেই নিৰ্ধাৰণ কৰিছে যে আৰ্থিক সাহায্য কেৱল পৰিয়ালৰ মুৰব্বী মহিলাগৰাকীৰ বেংক একাউণ্টতহে জমা হ'ব। আমাৰ সমাজৰ দৰে এক গভীৰ পিতৃতান্ত্ৰিক ব্যৱস্থাত আৰ্থিক নিয়ন্ত্ৰণৰ সৈতে পৰিয়ালৰ সিদ্ধান্তগ্ৰহণৰ ক্ষমতা ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। চৰকাৰে মহিলাসকলৰ হাতত পোনপটীয়াকৈ মূলধন তুলি দি ঘৰুৱা ক্ষমতাৰ ভাৰসাম্যলৈ এক নীৰৱ অথচ শক্তিশালী পৰিৱৰ্তন আনিছে। যিসকল মহিলা পূৰ্বে পৰিয়ালৰ পুৰুষ উপাৰ্জনকাৰীৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আছিল, তেওঁলোকে এতিয়া প্ৰতিমাহে এক নিৰ্দিষ্ট আৰু স্বাধীন নগদ ধনৰ উৎস লাভ কৰিছে। এই আৰ্থিক স্বতন্ত্ৰতাই মহিলাসকলৰ আত্মসন্মান বৃদ্ধি কৰাৰ লগতে ঘৰুৱা খৰচৰ পৰা আৰম্ভ কৰি ল'ৰা-ছোৱালীৰ শিক্ষালৈকে বিভিন্ন পাৰিবাৰিক সিদ্ধান্তত তেওঁলোকৰ মাতৃত্ব আৰু মতামটক অধিক শক্তিশালী কৰি তুলিছে।"

## অসমৰ আৰ্থ-সামাজিক প্ৰেক্ষাপটত

# 'অৰুণোদয়'ৰ প্ৰভাৱ

চন্দন কুমাৰ নাথ

ভাৰতীয় উন্নয়নমূলক অৰ্থনীতি আৰু সমাজ কল্যাণৰ ক্ৰমৱিকশমান প্ৰেক্ষাপটত শেহতীয়াকৈ এক উল্লেখনীয় পৰিৱৰ্তন পৰিলক্ষিত হৈছে। পৰম্পৰাগত সাহায্য প্ৰদানৰ সলনি প্ৰত্যক্ষ আৰ্থিক সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো সাম্প্ৰতিক নীতি-নিৰ্ধাৰণৰ এক প্ৰধান বৈশিষ্ট্য হৈ পৰিছে। এই ৰূপান্তৰৰ অন্যতম বাটকটীয়া হিচাপে থিয় দিছে অসম চৰকাৰৰ দৰিদ্ৰতা নিৰ্মূলকৰণৰ ফ্লেগশ্বিপ কাৰ্যসূচী— 'অৰুণোদয়' আঁচনি। আৰম্ভণিৰ পৰাই এই আঁচনিখন কেৱল এক আৰ্থিক সাহায্যৰ ব্যৱস্থা হৈ থকা নাই, বৰঞ্চ ই আৰ্থ-সামাজিক অন্তৰ্ভুক্তিৰ এক বিস্তৃত ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে। শেহতীয়াকৈ 'অৰুণোদয় ৩.০'-ৰ শুভাৰম্ভণিৰ লগে লগে এই আঁচনিয়ে ইয়াৰ পৰিসৰ আৰু অৰ্থনৈতিক প্ৰভাৱৰ বাবে ব্যাপক চৰ্চা লাভ কৰিছে। ১০ মাৰ্চ তাৰিখে ৰাজ্য চৰকাৰে প্ৰায় ৪০ লাখ মহিলা হিতাধিকাৰীৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰৰ (DBT) জৰিয়তে একেদিনাই প্ৰায় ৩, ৬০০ কোটি টকাৰ এক অভিলেখসংখ্যক পুঁজি মুকলি কৰি দিয়াৰ যি প্ৰস্তুতি চলাইছে, সেয়া এক গভীৰ বিশ্লেষণৰ দাবীদাৰ। ই আমাক এই প্ৰশ্নটোৱেই সুধিবলৈ বাধ্য কৰে— অসমৰ আৰ্থ-সামাজিক গাঁথনিত অৰুণোদয় আঁচনিখন কিয় এক অপৰিহাৰ্য স্তম্ভ হিচাপে পৰিগণিত হৈছে?



অৰুণোদয় আঁচনিৰ সুদূৰপ্ৰসাৰী গুৰুত্ব বুজিবলৈ হ'লৈ প্ৰথমে ইয়াৰ গাঁথনিগত আৰ্হিটোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব লাগিব। প্ৰশাসনিক মেৰপেঁচ আৰু দুৰ্নীতিৰ আশ্ৰয়স্থল হৈ পৰা পৰম্পৰাগত কল্যাণকামী আঁচনিসমূহৰ বিপৰীতে, অৰুণোদয়ে এক সুনিৰ্দিষ্ট 'প্ৰত্যক্ষ লাভ হস্তান্তৰ' (Direct Benefit Transfer) প্ৰক্ৰিয়া অৱলম্বন কৰিছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ (NFSA) তথ্যভঁৰাল ব্যৱহাৰ কৰি আৰু কঠোৰভাৱে আধাৰ সংযোগ (Aadhaar seeding) নিশ্চিত কৰি চৰকাৰে মধ্যভোগী আৰু ভুৱা হিতাধিকাৰীৰ সমস্যা প্ৰায় নিৰ্মূল কৰিছে। এই প্ৰযুক্তিগত সংহতিৰ জৰিয়তে প্ৰতিটো পৰিয়াললৈ নিৰ্ধাৰিত প্ৰতিমাহে ১, ২৫০ টকাৰ আৰ্থিক সাহায্য সঠিক আৰু নিৰ্ভুলভাৱে প্ৰকৃত হিতাধিকাৰীৰ হাতত পৰাটো নিশ্চিত কৰা হৈছে। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি, পূৰ্বৰ বকেয়া ধন আৰু বিহুৰ বিশেষ অনুদান হিচাপে প্ৰায় ৯, ০০০ টকাৰ একত্ৰিত ধনৰাশি হিতাধিকাৰীসকলক প্ৰদান কৰাৰ সিদ্ধান্তই ৰাজ্যখনৰ বিত্তীয় দায়বদ্ধতাৰ প্ৰমাণ দিয়ে। সমাজৰ আটাইতকৈ পিছপৰা শ্ৰেণীৰ জনসাধাৰণৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে ইমান বৃহৎ পৰিমাণৰ ধনৰাশি জমা কৰাৰ এই পদক্ষেপ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাসতে বিৰল।

অৱশ্যে, অৰুণোদয়ৰ প্ৰকৃত সফলতা আৰু সুন্দৰতা নিহিত আছে ইয়াৰ সুচিন্তিত লিংগভিত্তিক দৃষ্টিভংগীৰ মাজত। এই আঁচনিয়ে গাঁথনিগতভাৱেই নিৰ্ধাৰণ কৰিছে যে আৰ্থিক সাহায্য কেৱল পৰিয়ালৰ মুৰব্বী মহিলাগৰাকীৰ বেংক একাউণ্টতহে জমা হ'ব। আমাৰ সমাজৰ দৰে এক গভীৰ পিতৃতান্ত্ৰিক ব্যৱস্থাত আৰ্থিক নিয়ন্ত্ৰণৰ সৈতে পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। চৰকাৰে মহিলাসকলৰ হাতত পোনপটীয়াকৈ মূলধন তুলি দি ঘৰুৱা ক্ষমতাৰ ভাৰসাম্যলৈ এক নীৰৱ অথচ শক্তিশালী পৰিৱৰ্তন আনিছে। যিসকল মহিলা পূৰ্বে পৰিয়ালৰ পুৰুষ উপাৰ্জনকাৰীৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আছিল, তেওঁলোকে এতিয়া প্ৰতিমাহে এক নিৰ্দিষ্ট আৰু স্বাধীন নগদ ধনৰ উৎস লাভ কৰিছে। এই আৰ্থিক স্বতন্ত্ৰতাই মহিলাসকলৰ আত্মসন্মান বৃদ্ধি কৰাৰ লগতে ঘৰুৱা খৰচৰ পৰা আৰম্ভ কৰি ল'ৰা-ছোৱালীৰ শিক্ষালৈকে বিভিন্ন পাৰিবাৰিক সিদ্ধান্তত তেওঁলোকৰ মাতৃত্ব আৰু মতামটক অধিক শক্তিশালী কৰি তুলিছে। আঁচনিখনৰ হিতাধিকাৰী নিৰ্বাচনৰ চৰ্তসমূহে সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীৰ প্ৰতি চৰকাৰৰ গভীৰ সহানুভূতি প্ৰতিফলিত কৰে। ইয়াত বিধৱা, ৪৫ বছৰৰ ঊৰ্ধ্বৰ অবিবাহিত মহিলা, বিবাহ বিচ্ছেদিত মহিলা, অকলশৰীয়া মহিলা, আৰু দিব্যাংগ ব্যক্তিসকলক বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে। বৃহত্তৰ সামষ্টিক অৰ্থনৈতিক (Macroeconomic) দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে অৰুণোদয় আঁচনিয়ে তৃণমূল পৰ্যায়ত অৰ্থনৈতিক পুনৰুজ্জীৱনৰ এক শক্তিশালী অনুঘটক হিচাপে কাম কৰিছে। যেতিয়া একেদিনাই ৩, ৬০০ কোটি টকাৰ দৰে এক বৃহৎ ধনৰাশি ৰাজ্যৰ হেজাৰ হেজাৰ পঞ্চায়ত আৰু পৌৰসভাৰ ৱাৰ্ডসমূহত বিতৰণ কৰা হয়, তেতিয়া সেই ধন কেৱল বেংক একাউণ্টত পৰি নাথাকে। নিম্ন আয়ৰ পৰিয়ালসমূহৰ উপভোক্তা প্ৰৱণতা (Marginal propensity to consume) অতি উচ্চ। এই ধন লগে লগেই স্থানীয় বজাৰত দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী, যেনে— দাইল, চেনি, সতেজ শাক-পাচলি, আৰু আৱশ্যকীয় ঔষধ ক্ৰয় কৰাত ব্যয় কৰা হয়। গ্ৰাহকৰ চাহিদাৰ এই আকস্মিক বৃদ্ধিয়ে গ্ৰাম্য ক্ষুদ্ৰ অৰ্থনীতিক এক নতুন গতি প্ৰদান কৰে, যাৰ ফলত স্থানীয় দোকানী, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকল লাভান্বিত হয়। মূলতঃ, এই আঁচনিয়ে এক ইতিবাচক অৰ্থনৈতিক চক্ৰৰ সৃষ্টি কৰে- চৰকাৰী পুঁজিয়ে দৰিদ্ৰ পৰিয়ালক সৱল কৰে, তেওঁলোকৰ ক্ৰয় ক্ষমতাই স্থানীয় ব্যৱসায়-বাণিজ্য জীয়াই ৰাখে, আৰু ইয়াৰ ফলশ্ৰুতিত সৃষ্টি হোৱা অৰ্থনৈতিক সক্ৰিয়তাই সমগ্ৰ অঞ্চলটোৰ সামগ্ৰিক বিকাশ ত্বৰান্বিত কৰে।

তদুপৰি, জনস্বাস্থ্য আৰু পুষ্টিগত নিৰাপত্তাৰ ক্ষেত্ৰতো অৰুণোদয় আঁচনিৰ ভূমিকা অনস্বীকাৰ্য। এই মাহিলী সাহায্যৰ মূল উদ্দেশ্য হৈছে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আৰু চিকিৎসাৰ ব্যয়ৰ বোজা হ্ৰাস কৰা। বৰ্তমান সময়ত য'ত পুষ্টিহীনতাই গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে, তেনে অৱস্থাত পৰিয়ালসমূহলৈ এক নিৰ্দিষ্ট নগদ ধনৰ প্ৰৱাহে তেওঁলোকক পুষ্টিকৰ খাদ্য আৰু সময়মতে উন্নত স্বাস্থ্যসেৱা লাভ কৰাত সহায় কৰে। সীমিত বাজেটেৰে পৰিয়াল চলোৱা এগৰাকী মাতৃৰ বাবে অৰুণোদয়ৰ ধনে নিজৰ সন্তানক উপযুক্ত পুষ্টি প্ৰদান কৰা আৰু খালী পেটে শুবলৈ নিদিয়াৰ মাজৰ পাৰ্থক্য গঢ়ি তোলে। সেয়েহে, এই আঁচনিক পৰোক্ষভাৱে ৰাজ্যখনৰ মানৱ মূলধনৰ (Human Capital) ওপৰত কৰা এক দীৰ্ঘম্যাদী বিনিয়োগ বুলি ক'ব পাৰি, যিয়ে ভৱিষ্যত প্ৰজন্মৰ স্বাস্থ্য আৰু বৌদ্ধিক বিকাশ সুৰক্ষিত কৰে। ই সুশাসনৰ এক নতুন আৰ্হি প্ৰতিষ্ঠা কৰিছে, য'ত ৰাষ্ট্ৰই নিজৰ আটাইতকৈ দুৰ্বল নাগৰিকসকলৰ আত্মমৰ্যাদাৰ মূল্য স্বীকাৰ কৰে আৰু তেওঁলোকৰ উন্নয়নৰ বাবে বিনিয়োগ কৰে। ব্যাপক হিতাধিকাৰীৰ তালিকা আৰু উন্নত মানদণ্ডৰ সৈতে 'অৰুণোদয় ৩.০'-লৈ হোৱা উত্তৰণে এখন দায়বদ্ধ চৰকাৰৰ প্ৰতিচ্ছবি দাঙি ধৰে যিয়ে সৰ্বাধিক প্ৰভাৱ বিস্তাৰৰ বাবে নিজৰ নীতিসমূহক নিৰন্তৰভাৱে পৰিশোধন আৰু উন্নত কৰিবলৈ সাজু। সমালোচকসকলে হয়তো এনে বৃহৎ পৰিসৰৰ নগদ ধন হস্তান্তৰৰ বিত্তীয় বহনক্ষমতাক লৈ মাজে-সময়ে প্ৰশ্ন উত্থাপন কৰিব পাৰে, কিন্তু লাখ লাখ পৰিয়ালৰ বাস্তৱ জীৱনলৈ অহা দৃশ্যমান পৰিৱৰ্তনে এই সকলো সমালোচনাৰ এক শক্তিশালী উত্তৰ প্ৰদান কৰে। মহিলাৰ সৱলীকৰণ, চৰম দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণ, এই সকলোবোৰ এনে কিছুমান প্ৰতিফল যিবোৰে সাময়িক বিত্তীয় ব্যয়তকৈ বহু বেছি মূল্যৱান আৰু সুদূৰপ্ৰসাৰী ফলাফল বহন কৰে।

পৰিশেষত ক'ব পাৰি যে, মুখ্যমন্ত্ৰীৰ অৰুণোদয় আঁচনি কেৱল এক সাধাৰণ চৰকাৰী সাহায্য নহয়; ই হৈছে সমতাভিত্তিক বিকাশৰ বাবে এক সুপৰিকল্পিত ৰূপৰেখা। ডিজিটেল প্ৰশাসনৰ কাৰ্যক্ষমতাৰ সৈতে লিংগ সমতা আৰু সামাজিক ন্যায়ৰ প্ৰতি থকা গভীৰ দায়বদ্ধতাক একত্ৰিত কৰি, অসমে এনে এক কল্যাণকামী আৰ্হি প্ৰতিষ্ঠা কৰিছে যিটো ভাৰতৰ অন্যান্য ৰাজ্যসমূহৰ বাবেও আদৰ্শ হ'ব পাৰে। যেতিয়া ৪০ লাখ মহিলাই তেওঁলোকৰ প্ৰাপ্য আৰ্থিক অনুদান গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব, তেতিয়া তেওঁলোকে কেৱল চৰকাৰী সাহায্যই গ্ৰহণ নকৰে— বৰঞ্চ তেওঁলোকে ৰাজ্যখনৰ অৰ্থনৈতিক ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত সক্ৰিয় আৰু সৱল অংশীদাৰ হিচাপে নিজৰ ন্যায্য স্থান দাবী কৰিব। সদিচ্ছা আৰু দৃঢ় ৰূপায়ণৰ জৰিয়তে এখন চৰকাৰে কেনেকৈ লাখ লাখ লোকৰ আৰ্থ-সামাজিক বাস্তৱতাক নতুন ৰূপ দিব পাৰে, তাৰ এক উজ্জ্বল দৃষ্টান্ত হিচাপে অৰুণোদয় আঁচনি সদায় জিলিকি থাকিব।

# নিৰ্বাচনী ইস্তাহাৰত কেৰিয়াৰ গাইডেন্সক অগ্ৰাধিকাৰ দিয়ক

ড° বুলজিৎ বুঢ়াগোহাঁই

এখন গণতান্ত্ৰিক দেশত নিৰ্বাচনী ইস্তাহাৰসমূহে সমাজৰ ভৱিষ্যত গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জনসাধাৰণৰ সন্মুখীন হোৱা সমস্যা সমাধানৰ স্বাৰ্থত ৰাজনৈতিক দলসমূহে নিজৰ পৰিকল্পনা আৰু নীতি আগবঢ়ায়। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে নিৰ্বাচনী ইস্তাহাৰত মূলতঃ আৰ্থিক সাহায্য, অনুদান বা অস্থায়ী সাহায্য কাৰ্যসূচীৰ দৰে হ্ৰস্বম্যাদী সুবিধা আঁচনিৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। এই আঁচনিসমূহে কিছু তাৎক্ষণিক সকাহ দিব পাৰে যদিও ইয়াৰ দ্বাৰা যুৱসমাজৰ বাবে দীৰ্ঘম্যাদী সুযোগ সৃষ্টি নহয়। আমাৰ ৰাজ্যত জনসংখ্যাৰ এক বৃহৎ অংশ যুৱক-যুৱতী, নিৰ্বাচনী ইস্তাহাৰত কেৰিয়াৰৰ পৰামৰ্শ আৰু দক্ষতা বিকাশৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। যুৱক-যুৱতীসকলক স্পষ্ট কেৰিয়াৰ দিশ প্ৰদান কৰি তেওঁলোকে বহনক্ষম জীৱিকা গঢ়ি তুলিব পাৰিব আৰু ৰাজ্যৰ সামগ্ৰিক উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰিব।

অসমত শিক্ষাৰ্থীসকলে সন্মুখীন হোৱা এটা প্ৰধান সমস্যা হ নিৰ্বাচনী ইস্তাহাৰত আলোকপাত কৰিবলগীয়া আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল উদ্যমিতা। বহু যুৱকৰ নতুন আৰু সৃষ্টিশীল ধাৰণা আৰু নিজাকৈ ব্যৱসায় আৰম্ভ কৰাৰ ইচ্ছা থাকে, কিন্তু প্ৰয়োজনীয় সহায় আৰু পথ প্ৰদৰ্শনৰ অভাৱত প্ৰায়ে আগবাঢ়িব নোৱাৰে। ৰাজনৈতিক দলসমূহে সেয়েহে যুৱ উদ্যমিতাক উৎসাহিত কৰা নীতি প্ৰস্তাৱ কৰা উচিত। মেণ্টৰশ্বিপ ব্যৱস্থা, ষ্টাৰ্টআপ প্ৰশিক্ষণ আৰু ক্ষুদ্ৰ ব্যৱসায়ৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাৰ দৰে ব্যৱস্থাই যুৱ উদ্যমিতাক অগ্ৰগতিত সহায় কৰিব পাৰে। লগতে ইনকিউবেচন চেণ্টাৰ আৰু ষ্টাৰ্টআপ সহায়ক কাৰ্যসূচী স্থাপন কৰিলে যুৱ উদ্যোগীসকলে নিজৰ ধাৰণাক সফল উদ্যোগলৈ ৰূপান্তৰিত কৰিব পাৰিব। যুৱক-যুৱতীসকল যেতিয়া কেৱল চাকৰি প্ৰত্যাশী নহয়, চাকৰি সৃষ্টিকাৰী উদ্যোগী হিচাপে গঢ় লৈ উঠে, তেতিয়া ৰাজ্যৰ সামগ্ৰিক অৰ্থনীতি অধিক শক্তিশালী হৈ পৰে।

আৰ্থিক সাহায্য আৰু ৰাজসাহায্যৰ দৰে হিতাধিকাৰী আঁচনিসমূহে কিছুমান গোটক হ্ৰস্বম্যাদীভাৱে সহায় কৰিব পাৰে যদিও যুৱ নীতিৰ প্ৰাথমিক কেন্দ্ৰবিন্দু হ'ব নালাগে। এনে আঁচনিৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতাই কেতিয়াবা উদ্যোগ আৰু আত্মনিৰ্ভৰশীলতাক নিৰুৎসাহিত কৰিব পাৰে। বৰঞ্চ ৰাজনৈতিক দলসমূহে এনে নীতিৰ ওপৰত গুৰুত্ব দিব লাগে যিয়ে যুৱক-যুৱতীসকলক জ্ঞান, দক্ষতা আৰু সুযোগেৰে সৱলীকৰণ কৰে। কেৰিয়াৰ গাইডেন্স, দক্ষতা প্ৰশিক্ষণ আৰু উদ্যোগীকৰণৰ সহায়ে নিবনুৱা সমস্যা আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ দীৰ্ঘম্যাদী সমাধান সৃষ্টি কৰিব পাৰে। যেতিয়া যুৱক-যুৱতীসকলক সঠিক দক্ষতা আৰু পথ প্ৰদৰ্শনেৰে সজ্জিত কৰা হয় তেতিয়া তেওঁলোকে সুস্থিৰ কেৰিয়াৰ গঢ়ি তুলিব পাৰে আৰু সমাজলৈ ইতিবাচক অৱদান আগবঢ়াব পাৰে।

অসমৰ যুৱক-যুৱতীসকলৰ কেৰিয়াৰ গাইডেন্সৰ উন্নত কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰে মুখ্য ভূমিকা ল'ব পাৰে। ৰাজনৈতিক দলসমূহে শিক্ষাৰ্থীসকলৰ বাবে অনলাইন কেৰিয়াৰ গাইডেন্স পৰ্টেল তৈয়াৰ কৰাৰ প্ৰস্তাৱ দিব লাগে। এনে মঞ্চই বিভিন্ন কেৰিয়াৰ বিকল্প, শিক্ষানুষ্ঠান, বৃত্তিৰ সুযোগ, প্ৰতিযোগিতামূলক পৰীক্ষা আৰু চাকৰিৰ সুযোগৰ বিষয়ে বিস্তৃত তথ্য প্ৰদান কৰিব পাৰে। দূৰৱৰ্তী অঞ্চলৰ শিক্ষাৰ্থীয়ে সহজেই ইণ্টাৰনেটৰ জৰিয়তে এই তথ্য লাভ কৰিব পাৰে। পৰ্টেলটোত অনলাইন কাউন্সেলিং অধিবেশন, মেণ্টৰশ্বিপ প্ৰগ্ৰেম আৰু শিক্ষণ সম্পদও থাকিব পাৰে, যিয়ে শিক্ষাৰ্থীসকলক বিভিন্ন কেৰিয়াৰ পথৰ বাবে প্ৰস্তুতি চলোৱাত সহায় কৰিব।

ফলপ্ৰসূ কেৰিয়াৰ গাইডেন্স নিশ্চিত কৰিবলৈ শিক্ষানুষ্ঠান, উদ্যোগ আৰু চৰকাৰী সংস্থাসমূহৰ মাজত সহযোগিতা অতি প্ৰয়োজনীয়। কলেজ আৰু বিশ্ববিদ্যালয়সমূহে উদ্যোগসমূহৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি নিয়োগকৰ্তাসকলে বিচৰা দক্ষতাসমূহ ভালদৰে বুজিব লাগে। ইণ্টাৰশ্বিপ কাৰ্যসূচী, এপ্ৰেণ্টিছশ্বিপ আৰু উদ্যোগ ভ্ৰমণৰ দৰে ব্যৱস্থাই শিক্ষাৰ্থীসকলক ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰে আৰু তেওঁলোকক বাস্তৱ কৰ্ম পৰিৱেশ বুজিবলৈ সহায় কৰে। গতিকে নিৰ্বাচনী ইস্তাহাৰত এনে সহযোগিতা উৎসাহিত কৰা নীতি অন্তৰ্ভুক্ত কৰা উচিত, যাতে শিক্ষা ব্যৱস্থা চাকৰি বজাৰৰ প্ৰয়োজনীয়তাৰ লগত খাপ খাই পৰে।

অসমৰ এটা গুৰুত্বপূৰ্ণ সমস্যা হৈছে কৰ্মসংস্থাপনৰ সন্ধানত যুৱক-যুৱতীসকলৰ আন ৰাজ্যলৈ প্ৰব্ৰজন। বহু প্ৰতিভাৱান যুৱক-যুৱতীয়ে স্থানীয়ভাৱে সুযোগ সীমিত বুলি ভাবি ৰাজ্য এৰি যায়। যদিহে চৰকাৰে স্থানীয় উদ্যোগৰ সম্পৰ্কত কেৰিয়াৰ কাউন্সেলিং আৰু দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিয়ে তেন্তে ৰাজ্যৰ ভিতৰত অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব পাৰে। ইয়াৰ ফলত কেৱল যুৱ প্ৰব্ৰজন হ্ৰাস পোৱাই নহয়, স্থানীয় অৰ্থনীতিও শক্তিশালী হ'ব আৰু সুষম আঞ্চলিক উন্নয়নো প্ৰসাৰিত হ'ব।

কেৰিয়াৰ গাইডেন্স কাৰ্যসূচীসমূহে প্ৰান্তীয় আৰু অৰ্থনৈতিকভাৱে পিছপৰা সম্প্ৰদায়সমূহৰ মাজলৈ যোৱাটো নিশ্চিত কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থী আৰু কম আয়ৰ পৰিয়ালৰ শিক্ষাৰ্থীসকলে প্ৰায়ে শৈক্ষিক আৰু কেৰিয়াৰ সম্পৰ্কীয় তথ্য লাভৰ ক্ষেত্ৰত অতিৰিক্ত বাধাৰ সন্মুখীন হয়। সেয়েহে নিৰ্বাচনী ইস্তাহাৰত এই গোটসমূহক সহায় কৰিবলৈ নিৰ্দিষ্ট পদক্ষেপসমূহ অন্তৰ্ভুক্ত কৰিব লাগিব, যেনে - বৃত্তি, বিনামূলীয়া পৰামৰ্শ সেৱা, আৰু লক্ষ্যভিত্তিক দক্ষতা দক্ষতা বিকাশ কাৰ্যসূচী। কেৰিয়াৰ গাইডেন্সত সমান সুযোগ নিশ্চিত কৰিলে এখন অধিক অন্তৰ্ভুক্তিমূলক আৰু ন্যায়সংগত সমাজ গঢ়ি তোলাত সহায় কৰিব।

নিৰ্বাচনী ইস্তাহাৰসমূহ কেৱল হ্ৰস্বম্যাদী কল্যাণমূলক আঁচনিৰ মাজতে সীমাবদ্ধ নাথাকি যুৱসমাজক সৱলীকৰণ কৰা দীৰ্ঘম্যাদী উন্নয়ন কৌশলৰ ওপৰত গুৰুত্ব দিব লাগে। আমাৰ ৰাজ্যত জনসংখ্যাৰ এক বৃহৎ অংশ যুৱক-যুৱতী, গতিকে সামাজিক আৰু অৰ্থনৈতিক প্ৰগতিৰ বাবে উপযুক্ত কেৰিয়াৰ গাইডেন্স দিয়াটো অতি প্ৰয়োজনীয়। গতিকে ৰাজনৈতিক দলসমূহে বিদ্যালয়ত কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী স্থাপন, জিলা পৰ্যায়ত গাইডেন্স চেণ্টাৰ সৃষ্টি, স্থানীয় উদ্যোগৰ সৈতে জড়িত দক্ষতা বিকাশৰ কাৰ্যসূচীৰ প্ৰসাৰ, উদ্যোগীকৰণৰ উৎসাহ আৰু কেৰিয়াৰ তথ্যৰ বাবে ডিজিটেল প্লেটফৰ্মৰ বিকাশ আদি স্পষ্ট নীতি অন্তৰ্ভুক্ত কৰিব লাগে। এইদৰে কেৰিয়াৰ গাইডেন্সক অগ্ৰাধিকাৰ দিলে যুৱক-যুৱতীসকলে অৰ্থপূৰ্ণ কেৰিয়াৰ গঢ়ি তুলিব পাৰিব আৰু ৰাজ্য আৰু দেশৰ সামগ্ৰিক উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰিব।

# মাৰাত্মক নিচাৰ কবলত আজিৰ প্ৰজন্ম

নিবেদিতা হাজৰিকা

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নানা আৱিষ্কাৰে মানৱ জীৱন সহজ কৰি তুলিছে। হাতৰ মুঠিতে সকলো পোৱা বাবে মানুহে কম সময়ত অধিক কাম কৰিবলৈ সক্ষম হৈছে। ই মানৱ জাতিৰ বাবে এক অনন্য উপহাৰ বুলি ক'লেও বঢ়াই কোৱা নহয়। বিজ্ঞানৰ নতুন - নতুন আৱিষ্কাৰে সকলো ফালে এক ব্যাপক আৰু চকুত লগা পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। জীৱন ধাৰণ প্ৰণালীলৈ ই চকুৰ সন্মুখতে বহু পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। মানৱৰ আদিম অৱস্থাৰ পৰা আজিৰ সময়লৈকে এক উল্লেখযোগ্য পৰিৱৰ্তন সাধিত হৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যে বিজ্ঞানৰ এনে বহু শলাগ ল'ব লগীয়া দিশ আছে যদিও বিজ্ঞানৰ বহু আৱিষ্কাৰ মানুহৰ ধ্বংসৰ কাৰকো হৈ পৰিছে। উদাহৰণ স্বৰূপে বৰ্তমান সময়ত বহুল ভাবে ব্যৱহৃত ম'বাইল ফোনটোৰ কথাই উল্লেখ কৰিব পাৰি। প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ ফলত ম'বাইল ফোন গাঁও, নগৰ-চহৰ সকলোতে ব্যৱহাৰৰ সুচল হৈ পৰিল। অপৈনত, কম বয়সীয়া ল'ৰা-ছোৱালীৰ হাততো আজি ম'বাইল ফোন সহজ লভ্য হৈ পৰিল। আজিৰ অৰ্থবান বহু পিতৃ-মাতৃয়ে সন্তানৰ জন্মদিনত উপহাৰ হিচাপে কিতাপ, কলম আদিৰ সলনি সন্তানৰ আব্দাৰ মানি দামী ফোন উপহাৰ দি গৌৰৱ কৰা দেখা যায়। অনভিজ্ঞ, নিষিদ্ধ বস্তুৰ প্ৰতি সহজে লালায়িত হোৱা এই বয়সৰ শিশু বা চেমনীয়া কিশোৰ/কিশোৰী সকলৰ মনোজগতত সহজলভ্য এই সমূহ বস্তু বা দৃশ্যই কেনে প্ৰভাৱ পেলাব পাৰে এই কথা কেইজন অভিভাৱকে চিন্তা কৰি চাইছে? সন্তানক এক সুস্থ জীৱনবোধৰ শিক্ষা দিয়াৰ পৰিৱৰ্তে অপৈনত বয়সত অপৈনত মানসিকতাৰ সন্তান সকলৰ হাতত ম'বাইল ফোন তুলি দি আমিয়েই যেন তেওঁলোকক বিপথগামী হোৱাৰ বাটত ইন্ধন যোগাইছো। অপৈনত মানসিকতাৰ সন্তানৰ হাতত ম'বাইল ফোন তুলি দিয়াৰ অৰ্থ হ'ল তেওঁলোকৰ চৰিত্ৰৰ অৱনতি ঘটোৱা আৰু অসামাজিক কামৰ প্ৰতি উৎসাহ যোগোৱা।

আদিম অৱস্থাৰ পৰা আহি আহি মানৱ সমাজে আজি বহুখিনি উন্নতি সাধন কৰিবলৈ সক্ষম হৈছে। উন্নত আৰু পৰিৱৰ্তন হৈছে জীৱন -ধাৰণ প্ৰণালীৰো। সকলো ফালে আজি বিজ্ঞানৰ জয়জয়কাৰ ধ্বনি। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ চকুৰ সন্মুখতে আজি একাংশ অবাটে যোৱা পৰিলক্ষিত লৈছে। ধ্বংসৰ মুখলৈ তিলতিলকৈ ঠেলি দিছে। নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ, মুখ শুদ্ধি হিচাপে গুটখা, তিৰংগা, পৰাগ, মধু আদিৰ দৰে তীব্ৰ সুগন্ধি যুক্ত অথচ বৰ বিহ স্বৰূপ আদিয়ে তামোল - পানৰ ঠাই লোৱাৰ পাছৰে পৰা ডেকাচামৰ মুখত ইয়াৰ বিভিন্ন সুগন্ধি বিয়পি পৰা দৃশ্য তেনেই সুলভ হৈ পৰিল। শৰীৰৰ বাবে অত্যন্ত অপকাৰী এই বৰবিহ সমূহ ব্যৱহাৰকাৰীৰ সংখ্যা কিন্তু উদ্বেগজনক ভাৱে বৃদ্ধি পাব ধৰিছে। অতি চিন্তনীয় আৰু পৰিতাপৰ কথা যে আমাৰ বিদ্যালয়, মহাবিদ্যালয়ৰ সমীপৰ পাণ দোকান বা গুমটি বোৰত ইয়াক অতি সহজে পোৱা যায়। তুলনামূলক ভাৱে কম দামী আৰু সহজ লভ্য এই ধৰণৰ বস্তুৰ প্ৰতি উঠি অহা প্ৰজন্ম অতি বেয়াকৈ এইবোৰৰ প্ৰতি আকৰ্ষিত হৈছে। যি উঠি অহা প্ৰজন্মৰ জীৱন ধ্বংস কৰি তুলিছে।

নিষিদ্ধ বস্তু গ্ৰহণ আৰু নিষিদ্ধ বস্তুৰ প্ৰতি আকৰ্ষণে উঠি অহা প্ৰজন্মক খুব বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। বিভিন্ন নিচাৰ এনে সৰ্বগ্ৰাসী আৰু সৰ্বনাশী ৰূপে কিমানৰ ঘৰ, কিমানৰ সপোন অকালতে নিঃশেষ কৰিছে, কিমানৰ বুকু উদং হৈ পৰিছে সেই কথাৰ খবৰ কিমানে ৰাখিছে? উঠি অহা প্ৰজন্মৰ এনে বিপথগামিতা, অধঃপতনৰ প্ৰতি আজি কিমানজন অভিভাৱক সচেতন? আজি কেইজন 'সমাজৰ আভিভাৱক' আছে যি এই সমূহৰ বিষয়ে সজাগতা আনিবলৈ যত্ন কৰিছে?

অৱশ্যে কেৱল যে উঠি অহা প্ৰজন্মহে এই সমূহৰ প্ৰতি আসক্ত এনে নহয়। বহু অভিভাৱকে সন্তানৰ আগতেই নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰে। বহুতৰ ঘৰত আজি এইবোৰক লৈ বিভিন্ন অশান্তি। এই সমূহেই সমাজত সৃষ্টি কৰিছে নানা ধৰণৰ বেমেজালিৰ। অসামাজিক কাৰ্য-কলাপ বৃদ্ধিত এই সমূহো বহু পৰিমাণে জগৰীয়া।

মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে বহুতৰ জীৱন যে ধ্বংস কৰিছে সেই কথা আকৌ নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। বহুতেই এই সমূহ নিঃশেষ হোৱাটো বিচাৰে যদিও কাৰ্যত তেনে হৈ উঠা নাই। গুটখাৰ দৰে ম'বাইল ফোনৰ অপব্যৱহাৰ ৰোধ কৰিব নোৱাৰিলে উঠি অহা প্ৰজন্মৰ বহু প্ৰতিভা অকালতে আৰু চকুৰ আগতে নিঃশেষ হৈ যোৱাৰ দৃশ্য তথা দুখ বুকুত সাৱতি লৈ থকাৰ বাহিৰে আন উপায় নাথাকিব। কাকত- পত্ৰই এই বিষয়ে বিজ্ঞ সকলৰ বহুত সতৰ্কতামূলক লেখা প্ৰকাশ পাইছে তথা বহু সজাগতা মূলক সভা-সমিতি আদিৰো আয়োজন সময়ে -সময়ে হৈ আহিছে। কিন্তু এই সমূহ কাৰ্যত আজিও সম্পূৰ্ণ সফল হ'ব পৰা নাই। কেৱল ম'বাইল ফোন বা গুটখা বুলিয়ে নহয় এনে বহু বস্তু বা বিষয় আছে যি ধ্বংসৰ বাট মুকলি কৰে, জীৱন বিনষ্ট কৰে। সেয়ে এই সমূহৰ পৰা বাচি থাকিবলৈ বা বচাই ৰাখিবলৈ আমি নিজেও সচেতন হোৱা উচিত। সুন্দৰ এই জীৱনটো অখাদ্য, অভক্ষ, অপকৰ্ম কৰি নিঃশেষ কৰাতকৈ নিজৰ জীৱনটো সুন্দৰকৈ সজাবলৈহে যত্ন কৰা উচিত। মাদক দ্ৰব্য ব্যৱহাৰৰ কু-ফল, অভক্ষ গ্ৰহণৰ কু-ফল ব্যৱহাৰকাৰীয়ে নিজেই হে ভোগ কৰে। সেয়ে উঠি অহা প্ৰজন্ম এই সমূহ দিশৰ প্ৰতি সচেতন হ'লে বা এই কথা সমূহ অনুধাৱন কৰিব পাৰিলে নিজৰ জীৱনটো ধ্বংস হোৱাৰ পৰা নিশ্চয় নিজক বচাব পাৰিব।

# চাপৰত মাল্টি-মিডিয়া প্ৰেছ ক্লাৱৰ উদ্যোগত সম্প্ৰীতিৰ ইফতাৰ মেহফিল সম্পন্ন

**অসম বাৰ্তা, চাপৰ, ১৩ মাৰ্চ ঃ** সমগ্ৰ দেশৰ লগতে চাপৰ অঞ্চলতো পবিত্ৰ ৰমজান মাহক লৈ উচাহ-উদ্দীপনাৰ পৰিৱেশ অব্যাহত থকাৰ মাজতে আজি চাপৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাৱৰ উদ্যোগত এক আধ্যাত্মিক আৰু সম্প্ৰীতিৰ পৰিৱেশত ইফতাৰ মেহফিল অনুষ্ঠিত হয়। এই ইফতাৰ মেহফিলত সাংবাদিকসকলৰ উপৰিও অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ধৰ্মীয় ৰীতি-নীতিৰে আৰম্ভ হোৱা অনুষ্ঠানটিত পবিত্ৰ ৰমজান মাহৰ মাহাত্ম্যৰ ওপৰত আলোকপাত কৰা হয় আৰু সমাজত শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখিবলৈ সকলোকে আহ্বান জনোৱা হয়। উক্ত ইফতাৰ অনুষ্ঠানত চাপৰ ৰাজহ চক্ৰ বিষয়া শশী ভূষণ ৰাজকোঁৱৰ, চাপৰ বিদ্যুৎ উপ সংমণ্ডলৰ অভিযন্তা প্ৰাঞ্জল মহন্ত, চাপৰ চিকিৎসালয়ৰ জেষ্ঠ্য চিকিৎসক ডাঃ আবুল কালাম আজাদ, চাপৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপু মণি চৌধুৰী, চাপৰ শালকোচা শিক্ষা খণ্ডৰ উৎপল কলিতা, ৰত্নপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সেখ হেদায়ৎউল্লাহ, বিশিষ্ট সমাজ সেৱক ক্ৰমে - দিলীপ অধিকাৰী, শ্যামল চন্দ্ৰ বৰ্মন, আক্ৰামুল হুছেইন, ৰেজ্জাকুল হক, গৌতম দাস, শিক্ষক প্ৰাণজিৎ কলিতা, খৰ্গেশ্বৰ বিশ্বাস, বহলপুৰ বন সংমণ্ডলৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক কুমাৰ সিংহকে ধৰি অজয় সাহ, মনিৰুল ইছলাম, ভবানন্দ ৰায়, প্ৰদীপ চন্দ্ৰ নাথ, অম্লান জ্যোতি সিংহ, চাপৰ আৰক্ষী থানাৰ যানবাহন শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া নুৰ হুছেইন খান আদিৰ লগতে বিভিন্ন দল সংগঠনৰ সদস্য উপস্থিত থাকে। উল্লেখযোগ্য যে, এই ইফতাৰ মেহফিলত হিন্দু-মুছলমানসহ বিভিন্ন ধৰ্মালম্বী লোকে একেলগে বহি ইফতাৰ গ্ৰহণ কৰি সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এক বিৰল নিদৰ্শন দাঙি ধৰে। অনুষ্ঠানটিয়ে সমাজত ঐক্য আৰু সৌহাৰ্দ্যৰ বাৰ্তা প্ৰেৰণ কৰে। উক্ত ইফতাৰ অনুষ্ঠানত দোৱা পাঠ কৰে হাফিজ মৌলানা মহম্মদ হুছেইন। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত থকা সকলো ৰাইজক শলাগ যাচে চাপৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাবৰ সভাপতি সম্পাদকৰ লগতে সমূহ সদস্যই।

# কৃষি বিজ্ঞান কেন্দ্ৰ ওদালগুৰিৰ উদ্যোগত বংশানুক্ৰমে কৰি অহা বিভিন্ন জাতৰ উদ্ভিদৰ পঞ্জীয়ন সম্পৰ্কীয় প্ৰশিক্ষণ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৩ মাৰ্চ ঃ** কৃষি বিজ্ঞান কেন্দ্ৰ ওদালগুৰিৰ উদ্যোগত 'উদ্ভিদ জাত সুৰক্ষা আৰু কৃষক অধিকাৰ প্ৰাধিকৰণৰ' অধীনত কৃষকে বংশানুক্ৰমে কৰি অহা বিভিন্ন জাতৰ উদ্ভিদৰ পঞ্জীয়ন সম্পৰ্কীয় প্ৰশিক্ষণৰটি ১১ মাৰ্চ তাৰিখে কৃষি বিজ্ঞান কেন্দ্ৰ লালপুলৰ চৌহদত অনুষ্ঠিত কৰা হয়। কে.ভি.কে. ওদালগুৰিৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° দিগন্ত শৰ্মাৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বিষয় বস্তু বিশেষজ্ঞা ড° পল্লৱী ডেকাই পাঠ্যক্ৰম সঞ্চালক হিচাপে সুচাৰুৰূপে চলাই নিয়ে। অনুষ্ঠানটিত বিশিষ্ট সমল ব্যক্তি ড° হেমেন ভট্টাচাৰ্য, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ প্ৰাক্তন সম্প্ৰসাৰণ শিক্ষা সঞ্চালক, ড° প্ৰণৱ তালুকদাৰ, প্ৰাক্তন অধ্যাপক আৰু মুৰব্বী, উদ্ভিদ প্ৰজনন আৰু জিনতত্ত্ব বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট, ওদালগুৰি জিলাৰ কৃষি উন্নয়ন বিষয়া আবু ছালেহ নিজামুদ্দিন আহমেদকে ধৰি কে.ভি.কে. উদালগুৰিৰ বিশেষজ্ঞসকলৰ লগতে সমূহ কৰ্মকৰ্তা উপস্থিত থাকে। বক্তাসকলে কৃষকে উত্তৰাধিকাৰ সূত্ৰে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বাৰ্তাই ৰখা থলুৱা উদ্ভিদৰ স্বকিয়তা সুৰক্ষা আৰু কৃষকৰ অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত কৃষকৰ জাত পঞ্জীয়নৰ গুৰুত্ব, পদ্ধতি আৰু সুবিধাসমূহৰ ওপৰত আলোকপাত কৰে। কাৰ্যসূচীৰ সময়ত কৃষকৰ পৰা পঞ্জীয়নৰ বাবে কৃষকৰ থলুৱা শস্যৰ জাত সংগ্ৰহ কৰা হয় আৰু পৰম্পৰাগত আৰু স্থানীয় জাতৰ সৰু এক প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। ড° প্ৰিয়ংকা বৰা, বিষয় বস্তু বিশেষজ্ঞাই আঁত ধৰা অনুষ্ঠানটিত ড° প্ৰদীপ ৰাজবংশী, কপিল দেৱ নাথ, বিকাশ নগৰীয়া, বিৰাজ নেওঁগ, ড° নিশিতা পাঠককে ধৰি কে.ভি.কে. উদালগুৰিৰ বিজ্ঞানীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু কৃষকৰ সৈতে এক মত বিনিময় অনুষ্ঠানত ভাগ লয়। এই কাৰ্যসূচীত মুঠ ১০০জন কৃষকে অংশগ্ৰহণ কৰে।

# গোলকগঞ্জত আটক এজন তীৰৰ এজেণ্ট

**অসম বাৰ্তা, আগমনি, ১৩ মাৰ্চ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত মুকলিভাৱে চলি থকা অবৈধ তীৰ খেলৰ বিৰুদ্ধে গোলকগঞ্জ আৰক্ষীৰ অভিযান আটক এজন তীৰৰ এজেণ্ট। কালি বিয়লি গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই ৰেল ষ্টেছনৰ কাষৰ পৰা এজন এজেণ্টক হাতে-লোটে আটক কৰে। আটকাধীন গোলকগঞ্জ দুই নম্বৰ ৱাৰ্ডৰ হৰিলাল শ্বাহ। গোলকগঞ্জ বজাৰ, ৰে'ল ষ্টেছন, বাছ আস্থান সৰ্বত্ৰে জুৱা সদৃশ অবৈধ তীৰ খেল মুকলিভাৱে চলি আহিছে। গোলকগঞ্জত অবৈধ তীৰ খেল চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই অভিযোগ উত্থাপন হৈ আহিছে। আজি হঠাতে আৰক্ষী বিষয়া প্ৰদীপ দৈমাৰীৰ নেতৃত্বত এটা আৰক্ষীৰ দলে ৰেল ষ্টেছনৰ কাষত অভিযান চলাই তীৰৰ টিকট বিক্ৰী কৰি থকা অৱস্থাত এজেণ্টজনক হাতে-লোটে আটক কৰে। তেওঁৰ পৰা আৰক্ষীয়ে নগদ ধন, তীৰ খেলৰ টিকট, ম'বাইল, বিভিন্ন আপত্তিজনক তথ্য উদ্ধাৰ কৰে। গোলকগঞ্জৰ বিভিন্ন স্থানত মুকলিকৈ তীৰ, এণ্ডিং আৰু জুৱা চলি থকাৰ অভিযোগ উত্থাপন হোৱাত সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অবৈধভাৱে চলা এই কাৰ্যকলাপসমূহে নৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ মতে, অধিক ধন লাভৰ আশাত একাংশ যুৱক, ক্ষুদ্ৰ ব্যৱসায়ী আৰু দিন হাজিৰা কৰা লোক, ইৰিস্কা চালক, গাড়ী চালকে এই অবৈধ কাৰ্যত জড়িত হৈ পৰিছে। তীৰ-এণ্ডিং আৰু জুৱাৰ নামত একাংশই ধন ঘটোৱাৰ বিপৰীতে আন একাংশই সৰ্বস্ব হেৰুৱাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। গোলকগঞ্জ আৰক্ষীয়ে আজি আইনী প্ৰক্ৰিয়া সমাপন কৰি হৰিলাল শ্বাহক জেল হাজোত লৈ প্ৰেৰণ কৰে।

# মৰিয়নি নগৰত ক্লক টাৱাৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ

**অসম বাৰ্তা, মৰিয়নি, ১৩ মাৰ্চ ঃ** মৰিয়নি নগৰৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে নগৰখনক এক নতুন আধুনিক পৰিচয় প্ৰদান কৰাৰ লক্ষ্যৰে মৰিয়নি নগৰৰ থানা তিনি আলিত এটা সুন্দৰ ক্লক টাৱাৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। এই ক্লক টাৱাৰ নিৰ্মাণৰ বাবে শুক্ৰবাৰে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। মৰিয়নি নগৰ সমিতিৰ উদ্যোগত ৰূপায়ণ হ'বলগীয়া এই প্ৰকল্পটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে মৰিয়নি নগৰ সমিতিৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়া, উপ-পৌৰপতি প্ৰদীপ দাসৰ লগতে নগৰ সমিতিৰ বিভিন্ন ৱাৰ্ডৰ সদস্যসকল, সমাজৰ বহু গণ্য-মান্য ব্যক্তি আৰু স্থানীয় বাসিন্দাসকল। অনুষ্ঠানটোত উপস্থিত সকলোৱে নগৰৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপক আদৰণি জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক কুৰ্মীয়ে কয় যে, মৰিয়নি নগৰৰ দ্ৰুত নগৰায়ণৰ সৈতে তাল মিলাই নগৰৰ সৌন্দৰ্য গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয়। তেওঁ উল্লেখ কৰে যে, এই ক্লক টাৱাৰটো নিৰ্মাণ হ'লে ই কেৱল সময় জানিবলৈ ব্যৱহাৰযোগ্য এক ক্লক টাৱাৰে নহয়, বৰং মৰিয়নি নগৰৰ এক চিনাকি প্ৰতীক হিচাপে পৰিগণিত হ'ব। তদুপৰি নগৰখনলৈ অহা অতিথি আৰু পৰ্যটকসকলৰ বাবেও ই এক আকৰ্ষণীয় দৃষ্টিনন্দন স্থান হিচাপে গঢ় লৈ উঠিব বুলিও তেওঁ মন্তব্য কৰে। বিধায়ক কুৰ্মীয়ে লগতে কয় যে, আগন্তুক দিনত মৰিয়নি সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰাৰ লগতে নগৰৰ পথ-প্ৰণালী উন্নয়ন, পানী যোগান ব্যৱস্থা উন্নত কৰা, আলোক ব্যৱস্থা আৰু সৌন্দৰ্যবৰ্ধনৰ দিশতো অধিক গুৰুত্ব দিয়া হ'ব। তেওঁ ৰাইজৰ সহযোগিতা আৰু সমৰ্থনৰ বাবেও কৃতজ্ঞতা প্ৰকাশ কৰে। আনফালে, অনুষ্ঠানত উপস্থিত স্থানীয় বাসিন্দাসকলেও ক্লক টাৱাৰ নিৰ্মাণৰ এই উদ্যোগক স্বাগত জনায়। তেওঁলোকৰ মতে, এই ক্লক টাৱাৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে মৰিয়নি নগৰৰ সৌন্দৰ্য যথেষ্ট বৃদ্ধি পাব আৰু নগৰখনৰ মাজমজিয়াত এক দৃষ্টিনন্দন স্থান হিচাপে ই পৰিচিতি লাভ কৰিব। উল্লেখযোগ্য যে, মৰিয়নি নগৰ সমিতিৰ তত্ত্বাৱধানত শীঘ্ৰেই এই ক্লক টাৱাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব আৰু কাম সম্পূৰ্ণ হোৱাৰ পাছত ই মৰিয়নি নগৰৰ সন্দাজ্য বৃদ্ধি হব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

## ১১ কিলোগ্ৰাম গাঞ্জাসহ আটক জহুৰুদ্দিন মিঞা

# বৰপেটা আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

**অসম বাৰ্তা, চেঙা, ১৩ মাৰ্চ ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। জিলাখনৰ নৱ নিযুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুস্কিন জৈনৰ তৎপৰতাত জিলাখনত তীব্ৰতৰ হৈ উঠিছে ড্ৰাগছ বিৰোধী অভিযান। এইবাৰ ড্ৰাগছ বিৰুদ্ধে অভিযান চলাইছে বৰপেটা সদৰ থানাই। বৰপেটা সদৰ থানাৰ অন্তৰ্গত নগাঁৰৰ বালাৰজান দলঙৰ ওচৰত আজি চলিছিল ড্ৰাগছ বিৰোধী অভিযান। গোপন খবৰৰ ভিত্তিত আজি দুপৰীয়াৰ ভাগত বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কুমাৰ কলিতাৰ নিৰ্দেশনাত উপ পৰিদৰ্শক সুমিত তালুকদাৰসহ এটি আৰক্ষীৰ দলে চলাইছিল এই অভিযান। অভিযানকালত ১১ কিলোগ্ৰাম গাঞ্জাসহ আৰক্ষীয়ে আটক কৰে এটা গাঞ্জা ব্যৱসায়িক। ধৃত গাঞ্জা ব্যৱসায়ীটো বৰপেটা জিলাৰ সৰ্থেবাৰী থানাৰ অন্তৰ্গত মাজদিয়া গাঁৱৰ আলী মিঞাৰ পুত্ৰ জহুৰুদ্দিন মিঞা বুলি জানিব পৰা গৈছে। ধৃত জহুৰুদ্দিন মিঞাৰ বিৰুদ্ধে আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে। ধৃত জহুৰুদ্দিন মিঞা দীৰ্ঘদিন ধৰি গাঞ্জা ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে।

# দেওমৰনৈৰ জ্যেষ্ঠ সাংবাদিক নৱজিৎ শৰ্মাৰ মৃত্যু

**অসম বাৰ্তা, পাথৰিঘাট, ১৩ মাৰ্চ ঃ** দেওমৰনৈৰ জ্যেষ্ঠ সাংবাদিক তথা জাতীয়তাবাদী নেতা নৱজিৎ শৰ্মাৰ (৫৩ বছৰ) আজি ৰাতিপুৱা ৭-৩০ বজাত চিকিৎসাধীন অৱস্থাত জি এম চি এইচত মৃত্যু হয়। যোৱা ১১ মাৰ্চত হঠাতে হাৰ্টৰ অসুখত ভোগাত চিকিৎসালয়ত ভৰ্তি কৰাইছিল পৰিয়ালৰ লোকে। তিনিদিন আই চি ইউত মৃত্যুৰ সতে যুঁজি থকা শৰ্মাক আজি চিকিৎসকে মৃত বুলি ঘোষনা কৰে। অধুনালুপ্ত "দৈনিক জনসাধাৰণ" কাকতৰ জৰিয়তে সক্ৰিয় সাংবাদিকতাৰ জীৱন আৰম্ভ কৰা শৰ্মা আছিল অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ একালৰ সভাপতি তথা বৰ্তমানেও উপদেষ্টা পদত অধিষ্ঠিত হৈ জাতীয়তাবাদী ধাৰাক নেতৃত্ব দিছিল। বৃহত্তৰ দেওমৰণৈ সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ৰূপে সংবাদক্ষেত্ৰ খনত দেওমৰনৈ অঞ্চলৰ সামাজিক উত্তৰণত অৰিহনা যোগাইছিল শৰ্মাই। সুদক্ষ তবলা বাদক ৰূপে পৰিচিত শৰ্মা মৃত্যু পৰ্যন্ত সাহিত্য-সংস্কৃতি-সাধনা মঞ্চ, দৰং জিলাৰ সাংগঠনিক সম্পাদক ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও কলাসুলভ মনৰ অধিকাৰী শৰ্মাই এটা সময়ত দেওমৰণৈত এটি ষ্টুডিঅ খুলি জীৱন জীৱিকা আৰম্ভ কৰিছিল। মৃত্যুৰ সময়ত পত্নী-পুত্ৰ-কন্যাক এৰি থৈ যায়। তেওৰ মৃত্যুত বড়িগাঁও মিলন সংঘ, বড়িগাঁও কৃষি আৰু গ্ৰামোন্নয়ন সংঘ, জাপমাৰাবড়ি শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ পৰিচালনা সমিতি, দৰং জিলা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, দৰং জিলা ছাত্ৰ সন্থা, মঙলদৈ প্ৰেছ ক্লাৱ, পশ্চিম দৰং প্ৰেছ ক্লাৱ, ছিপাঝাৰ প্ৰেছ গীল্ড, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, বিজেপি দৰং জিলাৰ সভাপতি মকুন্দ ডেকা, দেওমৰনৈ বনিক সন্থা, দেওমৰনৈ শাখা সাহিত্য সভা আদিয়ে শোক প্ৰকাশ কৰে।

# মৰিগাঁও শিক্ষা বিভাগৰ উদ্যোগত জীৱন দক্ষতা বিকাশ সম্পৰ্কীয় কৰ্মশালা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ শিক্ষা বিভাগৰ উদ্যোগত আৰু মেজিক বাছ ইণ্ডিয়া ফাউণ্ডেশ্যনৰ সহযোগত জীৱন দক্ষতা (Life Skills) বিকাশৰ ওপৰত এক বিশেষ পৰামৰ্শদাতা কৰ্মশালা সফলতাৰে অনুষ্ঠিত হয়। এই অনুষ্ঠানত মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) অনসূয়া শৰ্মা, জিলা আঁচনি বিষয়া ৰোহিনী কুমাৰ দত্ত, আৰু মেজিক বাছ ইণ্ডিয়া ফাউণ্ডেশ্যনৰ ৰাজ্যিক মুৰব্বী অভয় কুমাৰ ঠাকুৰ উপস্থিত থাকে। ইয়াৰ লগতে জিলা সহায়ক বিষয়াসকল, মিছন সমৃদ্ধি, SeSTA, আৰু Neaid-ৰ প্ৰতিনিধিসকলৰ লগতে ব্লক সমল ব্যক্তি, নডেল শিক্ষক, বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ মূল আকৰ্ষণ আছিল এক উচ্চস্তৰীয় আলোচনা। এই আলোচনাত জীৱন দক্ষতাই ছাত্ৰ-ছাত্ৰীৰ আচৰণগত, শৈক্ষিক আৰু প্ৰশাসনিক দিশত কেনেধৰণৰ ধনাত্মক প্ৰভাৱ পেলায়, সেই বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। অনুষ্ঠানত ১১টা বিশেষ জীৱন দক্ষতাৰ ওপৰত আলোকপাত কৰা হয়, যিবোৰে এজন শিক্ষাৰ্থীক প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ সৈতে যুঁজিবলৈ সক্ষম কৰি তোলে। কৰ্মশালাৰ শেষত এটি 'গেলেৰী ৱাক'ৰ আয়োজন কৰা হয়, য'ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা 'মেজিক শ্বীট'সমূহ প্ৰদৰ্শিত হয়। এই প্ৰদৰ্শনীৰ জৰিয়তে শিক্ষাৰ্থীসকলে তেওঁলোকৰ সৃজনীশীলতা আৰু জীৱন দক্ষতাৰ ব্যৱহাৰিক প্ৰয়োগ সুন্দৰকৈ দাঙি ধৰে।

## সৰুপথাৰতে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ দাবীৰে জিলা আয়ুক্তক স্মাৰক পত্ৰ

# নিৰ্বাচনী প্ৰশিক্ষণৰ নামত ব্যাপক হাৰাশাস্তি



**অসম বাৰ্তা, সৰুপথাৰ, ১৩ মাৰ্চ ঃ** আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে এতিয়া বিপাঙত পৰিছে সৰুপথাৰ সমজিলাৰ শতাধিক শিক্ষক, বিষয়া আৰু কৰ্মচাৰী। নিৰ্বাচনী দায়িত্ব পালনৰ বাবে প্ৰশিক্ষণ ল'বলৈ ৮০ ৰ পৰা ৯০ কিলোমিটাৰ দূৰৈৰ গোলাঘাটলৈ যোৱাটো এতিয়া তেওঁলোকৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ থিয় দিছে। এই স্পৰ্শকাতৰ বিষয়টোত হস্তক্ষেপ বিচাৰি আৰু কৰ্মচাৰীসকলৰ সুবিধাৰ্থে সৰুপথাৰতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ ধনশিৰি জিলা কৰ্মচাৰী পৰিষদে গোলাঘাটৰ জিলা আয়ুক্তক এক আবেদন জনাইছে। ২০২৬ ৰ বিধানসভা নিৰ্বাচনী কাম-কাজৰ সকলো কাম সৰুপথাৰ সমজিলাৰ নিৰ্বাচনী কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ কেন্দ্ৰ ধাৰ্য কৰা হৈছে গোলাঘাটৰ বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় (বগৰীজেঙত)। কিন্তু ভৌগোলিক দূৰত্বই এতিয়া চিন্তাত পেলাইছে কৰ্মচাৰীসকলক। সৰুপথাৰৰ পৰা গোলাঘাটৰ নিৰ্দিষ্ট প্ৰশিক্ষণ কেন্দ্ৰটোলৈ দূৰত্ব প্ৰায় ৮০-৯০ কিলোমিটাৰ। ইমান দীঘলীয়া পথ অতিক্ৰম কৰি প্ৰশিক্ষণ ল'বলৈ যোৱা আৰু একেদিনাই উভতি অহাটো শাৰীৰিক আৰু মানসিকভাৱে অত্যন্ত কষ্টকৰ। যাতায়াততে প্ৰায় ৩-৪ ঘণ্টা সময় ব্যয় হোৱাৰ ফলত প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় মনোযোগ দিয়াতো বাধাৰ সৃষ্টি হ'ব পাৰে। নিৰ্বাচনী কামত নিয়োজিত মহিলা শিক্ষক আৰু কৰ্মচাৰীসকলৰ বাবে ইমান দূৰৈৰ পথ অতিক্ৰম কৰি সময়মতে ঘৰলৈ উভতি অহাটো সুৰক্ষা আৰু পাৰিবাৰিক দিশৰ পৰাও প্ৰত্যাহ্বানমূলক। ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বলীন চন্দ্ৰ বৰা আৰু সাধাৰণ সম্পাদক লাচিত ফুকনে স্বাক্ষৰিত এক পত্ৰৰ জৰিয়তে জিলা আয়ুক্তক বিষয়টো গুৰুত্বসহকাৰে ল'বলৈ অনুৰোধ জনাইছে। তেওঁলোকে উল্লেখ কৰিছে যে যদিহে সৰুপথাৰ সমজিলাৰ অন্তৰ্গত কোনো উপযুক্ত স্থানত এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়, তেন্তে কৰ্মচাৰীসকলে অধিক উৎসাহেৰে আৰু কোনো অসুবিধা নোহোৱাকৈ নিৰ্বাচনী কামত মনোনিৱেশ কৰিব পাৰিব। কৰ্মচাৰী পৰিষদে ৰাজ্যিক নিৰ্বাচন আয়োগকো এই বিষয়টো বিবেচনা কৰিবলৈ আহ্বান জনাইছে। তেওঁলোকৰ মতে, নিৰ্বাচনৰ দৰে এটা গুৰুত্বপূৰ্ণ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ হ'লে বিষয়া-কৰ্মচাৰীসকলৰ ন্যূনতম সুবিধা আৰু যাতায়াতৰ দিশটো চৰকাৰে গুৰুত্ব দিয়া উচিত। প্ৰশিক্ষণৰ নামত হোৱা এই যাতায়াতৰ যন্ত্ৰণা লাঘৱ কৰি সৰুপথাৰতে কেন্দ্ৰ স্থাপন কৰিবলৈ এতিয়া চৰকাৰ তথা জিলা প্ৰশাসনৰ সঁহাৰিলৈ আশাৰে বাট চাইছে সমজিলাখনৰ সকলো চৰকাৰী কৰ্মচাৰী।

# মঙলদৈত 'জল মহোৎসৱ' উদ্‌যাপন

**অসম বাৰ্তা, মঙলদৈ, ১৩ মাৰ্চ ঃ** মঙলদৈ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ উদ্যোগত চমুৱাপাৰা গাঁও পঞ্চায়তৰ অধীনস্থ পানী যোগান আঁচনিৰ হিতাধিকাৰী, পানী উপভোক্তা সমিতি আৰু জলমিত্ৰসকলৰ সহযোগত মঙলবাৰে 'জল মহোৎসৱ' উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত জিলা পৰিষদৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সভাপতি, গাঁও পঞ্চায়তৰ সভাপতি, ৱাৰ্ড সদস্য আৰু গাঁও প্ৰধানৰ লগতে স্থানীয় নেতৃবৃন্দ উপস্থিত থাকে। বিভাগীয় ফালৰ পৰা কাৰ্যবাহী অভিযন্তা, সহকাৰী কাৰ্যবাহী অভিযন্তাসকল, শাখা বিষয়া আৰু জিলা পৰামৰ্শদাতাসকল উপস্থিত থাকে। সভাত পানী যোগান আঁচনিসমূহৰ যথাযথ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ, জনসাধাৰণৰ স্বত্বাধিকাৰ আৰু পানীৰ গুৰুত্ব তথা সংৰক্ষণৰ সন্দৰ্ভত এক ফলপ্ৰসূ আলোচনা সম্পন্ন হয়।

# গোলাঘাটত জিলাত ৭৮ হাজাৰো অধিক কৃষকে লাভ কৰিলে পিএম কিষান আঁচনিৰ ২২ নং কিস্তিৰ ধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ মাৰ্চ ঃ** সমগ্ৰ দেশৰ লগতে গোলাঘাট জিলাতো আজি প্ৰায় ৭৮ হাজাৰৰো অধিক যোগ্য হিতাধিকাৰী কৃষকে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ অধীনত ২২ নং কিস্তিৰ ধনৰাশি লাভ কৰে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানৰ পৰা লাইভ ৱেবকাষ্টৰ জৰিয়তে দেশজুৰি কোটি কোটি হিতাধিকাৰী কৃষকৰ বেংক একাউণ্টলৈ এই অনুদান পোনপটীয়াকৈ হস্তান্তৰ কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি গোলাঘাট জিলাৰ খুমটাইস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত কেন্দ্ৰীয়ভাৱে পোনপটীয়া সম্প্ৰচাৰ কাৰ্যসূচীৰ ব্যৱস্থা কৰা হয়। অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ বহু সংখ্যক কৃষক ৰাইজ উপস্থিত থাকে। ইয়াৰোপৰি গাঁও পঞ্চায়তৰ কাৰ্যালয়, সামূহিক সেৱা কেন্দ্ৰ আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা পোনপটীয়া সম্প্ৰচাৰ কাৰ্যসূচীত বৃহৎ সংখ্যক কৃষক উপস্থিত থাকে। উল্লেখ্য যে, কৃষকসকলৰ আৰ্থিক সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰ চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ আঁচনি প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰী কৃষকক প্ৰতি বছৰে মুঠ ছয় হাজাৰ টকা আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি দুই হাজাৰ টকাকৈ তিনিটা কিস্তিত ডাইৰেক্ট বেনিফিট ট্ৰান্সফাৰ মাধ্যমৰ জৰিয়তে পোনপটীয়াকৈ হিতাধিকাৰী কৃষকৰ বেংক একাউণ্টলৈ প্ৰেৰণ কৰা হয়। আঁচনিখনৰ জৰিয়তে কৃষকসকলে কৃষি উৎপাদন বৃদ্ধিৰ লগতে বীজ, সাৰ আৰু অন্যান্য কৃষি সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত লাভান্বিত হৈ আহিছে। গোলাঘাট জিলাতো বৰ্তমান ৭৮৫৭৪ গৰাকী কৃষকে এই আঁচনিৰ জৰিয়তে উপকৃত হৈছে বুলি কৃষি বিভাগৰ তৰফৰপৰা জানিবলৈ দিয়ে।

## গেট আৰু কোঠাৰ তলা ভাঙি লেপটপ, প্ৰিণ্টাৰসহ বহু সামগ্ৰী লৈ গ'ল দুৰ্বৃত্তই

# ধলগুৰি প্ৰাথমিক বিদ্যালয়ত চুৰিকাণ্ড

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৩ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকী এলেকাৰ ধলগুৰি প্ৰাথমিক বিদ্যালয়ত আজি পুৱতি নিশা এক চাঞ্চল্যকৰ চুৰিকাণ্ড সংঘটিত হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱা বিদ্যালয় খোলাৰ পিছতেই বিদ্যালয় কৰ্তৃপক্ষই ঘটনাটো লক্ষ্য কৰে আৰু তেতিয়াই বিষয়টো পোহৰলৈ আহে। জানিব পৰা মতে, চোৰৰ দলে নিশাৰ অন্ধকাৰৰ সুযোগ লৈ বিদ্যালয়ৰ মূল গেটৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে। তাৰ পিছত বিদ্যালয়ৰ কেইবাখনো কোঠাৰ তলা ভাঙি ভিতৰত সোমাই বিভিন্ন সামগ্ৰী চুৰি কৰি লৈ যায়। বিদ্যালয়ৰ প্ৰধান শিক্ষক নুৰুল আমিন চৌধুৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী ৰিজুমণি নাথ, স্থানীয় সমাজকৰ্মী কৃষ্ণ কান্ত মাঝি, গাঁও প্ৰধান শিৱকান্ত টুডুৱে জনোৱা মতে চোৰৰ দলে বিদ্যালয়ৰ পৰা, এটা প্ৰজেক্টৰ, এটা প্ৰিণ্টাৰ, এটা লেপটপ, এটা গেছ চিলিণ্ডাৰ, এখন গেছৰ চৌকা, ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ বাবে গুদামত সংৰক্ষিত তিনি বস্তা চাউল, তিনিটা টেবলেট ম'বাইল, পাঁচটা নথিপত্ৰ থকা ফাইলৰ লগতে বহুতো গুৰুত্বপূৰ্ণ সামগ্ৰী লৈ উধাও হয়। বিদ্যালয়ত সংঘটিত এই চুৰিকাণ্ডৰ ফলত বিদ্যালয় কৰ্তৃপক্ষ তথা অভিভাৱক সকলৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ সৈতে জড়িত ইলেক্ট্ৰনিক সামগ্ৰীসমূহ চুৰি হোৱা ঘটনাই বিদ্যালয়খনৰ দৈনন্দিন কাৰ্য্যসূচীত প্ৰভাৱ পেলোৱাৰ আশংকা দেখা দিছে। ইফালে, ঘটনাটোৰ খবৰ পোৱাৰ লগে লগে শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰী আৰক্ষীৰ এটা দলেৰে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ঘটনাটোৰ সৈতে জড়িত দোষীক সোনকালে চিনাক্ত কৰি আটক কৰাৰ বাবে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে বিদ্যালয়সমূহত বৃদ্ধি পোৱা চুৰিকাণ্ডৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি দোষীক সোনকালে গ্ৰেপ্তাৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

# নাহৰকটীয়াত বিধ্বংসী অগ্নিকাণ্ড; জুইত জাহ গল দুটাকৈ ধানৰ ভঁৰাল

**অসম বাৰ্তা, নাহৰকটীয়া, ১২ মাৰ্চ ঃ** নাহৰকটীয়াৰ নগাঁও তিনিআলিত আজি আবেলি সংঘটিত হোৱা এক বিধ্বংসী অগ্নিকাণ্ডত দুটাকৈ ধানৰ ভঁৰাল সম্পূৰ্ণ ভাৱে জুইত জাহ যায়। ঘটনাৰ বিবৰণী মতে আজি আবেলি নগাঁও তিনিআলিৰ সমীপৰ উৎপল হাজৰিকাৰ ঘৰত আন দিনৰ দৰে আজিও পৰিয়ালৰ লোকে একেলগে থকা দুটাকৈ পকী ভঁৰালৰ তলত গাহৰিৰ বাবে দানা সিজাই থকা অৱস্থাত হঠাৎ ভঁৰালত থকা ধানৰ মুঠিত জুইৰ সংস্পৰ্শলৈ আহে। ভঁৰালত লগা জুইৰ ধোঁৱাক প্ৰথম অৱস্থাত গাহৰি সিজাই থকা জুইৰ পৰা ওলোৱা ধোঁৱা বুলি ভাবি আছিল কিন্তু উৎপল হাজৰিকাৰ ঘৰত কাষৰ বাসগৃহটোৰ পৰিয়ালৰ লোকে ধানৰ ভঁৰালত জুই লগা বুলি জনোৱাত ততাতয়াকৈ আৰক্ষী আৰু অগ্নিৰ্বাপক বাহিনীক খবৰ দিয়ে। অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় ৰাইজৰ সহযোগত জুই নিৰ্বাপিত হয় যদিও ধানেৰে উপচি থকা দুটাকৈ বৃহৎ ভঁৰালৰ ধান জুইত জাহ যায় আৰু জুইত জাহ যোৱা ধানৰ পৰিমাণ প্ৰায় ৬ লাখ টকা হব বুলি অনুমান কৰা হৈছে।

# মাকুম গান্ধী নগৰত দুষ্পাপ্য প্ৰাণী জহামাল উদ্ধাৰ

**অসম বাৰ্তা, মাকুম, ১৩ মাৰ্চ ঃ** আজি দিনৰ ভাগত মাকুম গান্ধী নগৰ নিবাসী ৰুবুল গগৈ নামৰ লোক এজনৰ বাৰীৰ এটা গাতত এটা দুষ্পাপ্য প্ৰাণী জহা মাল উদ্ধাৰ কৰা হয়। আজি পুৱতি নিশাই দুষ্পাপ্য প্ৰাণীটো গাতটোত সোমাই পৰাৰ সন্দেহ প্ৰকাশ কৰিছে। দিনৰ ভাগত ৰুবুল গগৈয়ে প্ৰাণীটো দেখা পাই স্থানীয় সচেতন যুৱক মৌচুম বৰুৱাৰ হতুৱাই মাকুম বন বিভাগৰ লোকক খৱৰ দিয়াত বন বিভাগৰ লোক উপস্থিত হৈ গাতটোৰ পৰা প্ৰাণীটো উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ বুলি লৈ যোৱা হয়। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চল লৈ এনেধৰণৰ দুষ্পাইপ্য প্ৰাণী বোৰ ওলাই অহাৰ সন্দেহ প্ৰকাশ কৰা হৈছে।

# অভি-নীল হত্যাকাণ্ডৰ বিচাৰ অন্তিম পৰ্যায়ত; ৬

সংগীত শিল্পী নীলোৎপল দাসক ভুৱা খবৰৰ বলি হৈ বৰ্বৰভাৱে হত্যা কৰা হৈছিল— বিচাৰ প্ৰক্ৰিয়া এতিয়া অন্তিম পৰ্যায়ত উপনীত হৈছে। দীৰ্ঘ আঠ বছৰ ধৰি চলি থকা এই স্পৰ্শকাতৰ গোচৰৰ চূড়ান্ত ৰায়দান অহা ৬ এপ্ৰিলত নগাঁও জিলা আৰু ছেছনছ ন্যায়াধীশৰ আদালতত ঘোষণা কৰাৰ সম্ভাৱনা প্ৰকাশ পাইছে। এই খবৰে ভুক্তভোগী পৰিয়াল দুটাৰ লগতে সমগ্ৰ অসমৰ ৰাইজৰ মাজত ন্যায়ৰ আশাৰ সঞ্চাৰ কৰিছে। ২০১৮ চনৰ ৮ জুনত অভিজিত নাথ আৰু নীলোৎপল দাসে কাৰ্বি আংলংৰ কাংথিলেংছো জলপ্ৰপাত দৰ্শন কৰি উভতি অহাৰ পথত হোৱাটছএপত বিয়পি পৰা মিছা খবৰৰ ভিত্তিত "সোপাধৰা" বুলি সন্দেহ কৰি উন্মত্ত জনতাই তেওঁলোকক আক্ৰমণ কৰি নৃশংসভাৱে হত্যা কৰিছিল। প্ৰায় ২৫০ জনীয়া জনতাৰ এই গণপ্ৰহাৰে অসমৰ সমাজ জীৱনত এক ক'লা অধ্যায়ৰ সূচনা কৰিছিল আৰু ছচিয়েল মিডিয়াৰ অপব্যৱহাৰৰ ভয়াবহ পৰিণতিৰ এক জ্বলন্ত উদাহৰণ হৈ পৰিছিল। ঘটনাৰ পিছতে সমগ্ৰ ৰাজ্যত তীব্ৰ প্ৰতিবাদৰ জোৱাৰ উঠিছিল। সচেতন নাগৰিক সমাজ, মানৱ অধিকাৰ কৰ্মী আৰু ৰাজনৈতিক দলসমূহে দোষীসকলক কঠোৰ শাস্তিৰ দাবী জনাইছিল। আৰক্ষীয়ে গোচৰটোত ৪৭জন লোকক গ্ৰেপ্তাৰ কৰিছিল আৰু পিছলৈ গোচৰটো ডিফুৰ পৰা নগাঁৱলৈ স্থানান্তৰ কৰা হৈছিল। দীৰ্ঘ বিচাৰ প্ৰক্ৰিয়াত ৭১জন সাক্ষী আৰু ৪৮জন অভিযুক্তৰ (তিনিজন কিশোৰসহ) বয়ান গ্ৰহণ কৰা হৈছে। এতিয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তিম শুনানি সম্পূৰ্ণ হোৱাৰ পিছত ৰায়দানৰ বাবে আদালতে সময় নিৰ্ধাৰণ কৰিছে। ৬ এপ্ৰিলৰ এই সম্ভাব্য ৰায়দানে কেৱল অভিজিত আৰু নীলোৎপলৰ পৰিয়ালক ন্যায় প্ৰদান কৰাই নহয়, ভুৱা খবৰ, অন্ধবিশ্বাস আৰু গণপ্ৰহাৰৰ দৰে অপৰাধৰ বিৰুদ্ধে সমাজলৈ এক কঠোৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি আশা কৰা হৈছে। এই ঘটনাই অসমৰ ন্যায়িক ব্যৱস্থাৰ প্ৰতি ৰাইজৰ বিশ্বাস পুনৰ স্থাপন কৰাৰ লগতে ছচিয়েল মিডিয়াৰ দায়িত্বশীল ব্যৱহাৰৰ প্ৰয়োজনীয়তাক পুনৰ উজ্জ্বল কৰি তুলিছে। ৰাজ্যবাসীৰ চকু এতিয়া নগাঁও আদালতৰ ৰায়দানৰ ওপৰত নিবদ্ধ হৈ আছে, যিয়ে অসমৰ ন্যায়িক ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সমাপ্তি ঘটাব।

# ওমানত ড্ৰ'ন আক্ৰমণত দুজন ভাৰতীয় নাগৰিক

হৈছে আৰু দহজন ভাৰতীয়সহ মুঠ এঘাৰজন লোক আহত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে (MEA) এই ঘটনাৰ নিশ্চিতকৰণ কৰিছে। এয়া ইৰাণ-আমেৰিকা-ইজৰাইলৰ মাজত চলি থকা সংঘাতৰ পিছত পশ্চিম এছিয়াৰ ভূখণ্ডত ভাৰতীয় নাগৰিকৰ প্ৰথম মৃত্যুৰ ঘটনা। আক্ৰমণটো সোহাৰৰ আল-আৱাহী শিল্প অঞ্চলত (Al Awahi Industrial Area) সংঘটিত হৈছে, য'ত বহুতো প্ৰব্ৰজিত শ্ৰমিক কাম কৰে। ওমান নিউজ এজেন্সীৰ (ONA) মতে, দুটা ড্ৰ'ন সোহাৰ অঞ্চলত ধৰা পৰিছে আৰু তাৰে এটা শিল্প অঞ্চলত আঘাত হানিছে, যাৰ ফলত দুজন বিদেশী শ্ৰমিকৰ মৃত্যু হৈছে আৰু কেইবাজনো আহত হৈছে। দ্বিতীয় ড্ৰ'নটো এখন খোলা ঠাইত পৰিছে, য'ত কোনো ক্ষতি হোৱা নাই। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ উপসাগৰীয় বিভাগৰ যুটীয়া সচিব অসীম মহাজনে নতুন দিল্লীত এটা আন্তঃমন্ত্ৰালয় ব্ৰিফিঙত কয় যে, "সোহাৰ চহৰত আজি এটা আক্ৰমণ সংঘটিত হৈছে। এই ঘটনাত দুজন ভাৰতীয় নাগৰিকৰ মৃত্যু হৈছে। আমি মৃতকসকলৰ পৰিয়াললৈ গভীৰ শোক প্ৰকাশ কৰিছোঁ। আহত এঘাৰজনৰ ভিতৰত দহজন ভাৰতীয়। ইয়াৰে পাঁচজনক চিকিৎসাৰ পিছত হাস্পতালৰ পৰা ছাড় দিয়া হৈছে আৰু আন পাঁচজন স্থানীয় হাস্পতালত চিকিৎসাধীন হৈ আছে। কোনো গুৰুতৰ আঘাতৰ খবৰ পোৱা নাই।" মহাজনে লগতে উল্লেখ কৰে যে, সংঘাত আৰম্ভ হোৱাৰ পিছৰে পৰা পশ্চিম এছিয়াৰ পৰা প্ৰায় ১ লাখ ৫০ হাজাৰ ভাৰতীয় নাগৰিক দেশলৈ উভতি আহিছে। ভাৰতীয় দূতাবাস আৰু মিছনে স্থানীয় কৰ্তৃপক্ষ, নিয়োগকৰ্তা কোম্পানী আৰু হাস্পতালৰ সৈতে অহৰহ যোগাযোগ ৰাখিছে আৰু আহতসকলক সকলো সম্ভৱ সহায় প্ৰদান কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এ'ত পোষ্ট কৰি কয়, "পশ্চিম এছিয়াত চলি থকা সংঘাতৰ মাজতে আজি ওমানৰ সোহাৰত হোৱা আক্ৰমণত আমি দুজন ভাৰতীয় নাগৰিকক হেৰুৱালোঁ। আন কেইবাজনো ভাৰতীয় নাগৰিক আহত হৈছে। আমি মৃতকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ আৰু আহতসকলৰ শীঘ্ৰ আৰোগ্য কামনা কৰিছোঁ।" এই ঘটনাই পশ্চিম এছিয়াৰ অস্থিৰতাৰ প্ৰভাৱ ভাৰতীয় প্ৰব্ৰজিত শ্ৰমিকৰ ওপৰত কেনেকৈ পৰিছে তাক পুনৰবাৰ স্পষ্ট কৰিছে। চৰকাৰে ভাৰতীয় নাগৰিকসকলৰ নিৰাপত্তাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰি আছে বুলি জানিবলৈ দিছে।

# কোহাটত তালিবানৰ প্ৰতিশোধমূলক ড্ৰ'ন

বাহিনীৰ প্ৰতিশোধমূলক ড্ৰ'ন আক্ৰমণৰ ফলত সীমান্ত অঞ্চল অধিক উত্তপ্ত হৈ পৰিছে। এই আক্ৰমণ পাকিস্তানৰ বিমান বাহিনীয়ে আফগানিস্তানৰ ভিতৰত কাবুল, কান্দাহাৰ আৰু অন্যান্য প্ৰদেশত চলোৱা বিমান আক্ৰমণৰ প্ৰত্যুত্তৰ স্বৰূপে হৈছে। পাকিস্তানে তেহৰিক-ই-তালিবান পাকিস্তান (টিটিপি)ৰ আশ্ৰয়স্থলী বুলি দাবী কৰি আফগান ভূখণ্ডত একাধিক বিমান আক্ৰমণ চলাইছিল। এই আক্ৰমণত কাবুল আৰু কান্দাহাৰত কমেও ছয়জন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হৈছে বুলি তালিবান চৰকাৰে দাবী কৰিছে। আফগান প্ৰতিৰক্ষা মন্ত্ৰণালয়ে কয় যে পাকিস্তানৰ এই আগ্ৰাসনৰ প্ৰত্যুত্তৰত তেওঁলোকৰ বায়ুসেনাই কোহাট অঞ্চলৰ পাকিস্তানী সামৰিক ঘাঁটিসমূহত ড্ৰ'ন আক্ৰমণ চলাইছে। কোহাট সামৰিক দুৰ্গ (Kohat Military Fort), ডুৰাণ্ড লাইন যুদ্ধৰ কমাণ্ড চেণ্টাৰ আৰু অন্যান্য সামৰিক স্থাপনা ধ্বংস হোৱা বুলি আফগান পক্ষই দাবী কৰিছে। পাকিস্তানী সামৰিক সূত্ৰসমূহে জনোৱা মতে, আফগান পক্ষৰ পৰা প্ৰেৰিত তিনিটা অপৰিশীলিত ড্ৰ'ন কোহাটৰ ওচৰত ধ্বংস কৰা হৈছে। এই ড্ৰ'ন আক্ৰমণৰ ফলত দুজন সাধাৰণ নাগৰিক আহত হৈছে বুলি পাকিস্তানে কয়। পাকিস্তানে এই আক্ৰমণসমূহক টিটিপিৰ সৈতে জড়িত বুলি অভিযোগ কৰি আফগান ভূমিত থকা উগ্ৰপন্থী ঘাঁটিসমূহক লক্ষ্য কৰি প্ৰতিৰক্ষামূলক অভিযান চলাই অহা বুলি স্পষ্ট কৰিছে। পাকিস্তানৰ তথ্য মন্ত্ৰণালয়ে আফগান দাবীসমূহক ভিত্তিহীন বুলি খণ্ডন কৰিছে। এই সংঘৰ্ষৰ ফলত ডুৰাণ্ড লাইনৰ দুয়োপাশেৰে সাধাৰণ নাগৰিকসকলৰ জীৱন বিপন্ন হৈ পৰিছে। কোহাট আৰু কোষ্ট প্ৰদেশত গোলাবৰ্ষণ আৰু বিমান আক্ৰমণৰ ভয়ত হাজাৰ হাজাৰ লোকে ঘৰ-বাৰী এৰি পলায়ন কৰিছে। জাতিসংঘৰ প্ৰতিবেদন অনুসৰি, সাম্প্ৰতিক সংঘৰ্ষত লাখৰো অধিক লোক বাস্তুচ্যুত হৈছে। শিশুসহ বহু নিৰীহ লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। ২০২১ চনত তালিবানে কাবুল দখল কৰাৰ পিছৰে পৰা দুয়ো দেশৰ সম্পৰ্ক অৱনতিৰ দিশে আগবাঢ়িছে। পাকিস্তানে অভিযোগ কৰি আহিছে যে আফগানিস্তানে টিটিপি আৰু অন্যান্য উগ্ৰপন্থী গোটক আশ্ৰয় দি পাকিস্তানৰ নিৰাপত্তাক বিপন্ন কৰিছে। আনহাতে তালিবান চৰকাৰে ডুৰাণ্ড লাইনক আন্তৰ্জাতিক সীমা হিচাপে স্বীকাৰ নকৰে আৰু পাকিস্তানৰ আক্ৰমণক সাৰ্বভৌমত্বৰ উলংঘা বুলি অভিহিত কৰিছে। ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ হোৱা এই সংঘাত এতিয়া খোলা যুদ্ধৰ ৰূপ লৈছে, য'ত দুয়োপক্ষই সীমান্তত বৃহৎ সেনা মোতায়েন কৰিছে। দক্ষিণ এছিয়াৰ ভূ-ৰাজনৈতিক পৰিস্থিতিত এই সংঘাতে নতুন অস্থিৰতাৰ মেঘ ঘনাই তুলিছে। বিশে-যকসকলে আশংকা প্ৰকাশ কৰিছে যে এই যুদ্ধ যদি অধিক বিস্তাৰ লাভ কৰে তেন্তে সমগ্ৰ অঞ্চলত প্ৰভাৱ পৰিব পাৰে। দুয়ো দেশৰ মাজত শান্তি আলোচনাৰ কোনো সম্ভাৱনা এতিয়াও দেখা নাই, আৰু সামৰিক অভিযান অব্যাহত থকাৰ সম্ভাৱনা প্ৰবল।

# জুবিন গাৰ্গৰ ন্যায় ন্যায়পালিকাই প্ৰদান

ষ্টেডিয়াম উদ্বোধন কৰি সংবাদ মাধ্যমৰ আগত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত মন্তব্য প্ৰকাশ কৰে। তেওঁ অসমৰ ৰাজনৈতিক পৰিৱেশ, সংখ্যালঘু সুৰক্ষা, উন্নয়ন আঁচনি আৰু জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়ৰ বিষয়ত বিশেষভাৱে কথা পাতে। মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰথমতে অভিনেতা-গায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ন্যায়ৰ বিষয়ত এগৰাকী মহিলাৰ প্ৰশ্নৰ উত্তৰ দি কয় যে, "মুখ্যমন্ত্ৰীৰ পৰা আপোনালৈকে, সাংবাদিকৰ পৰা দৰ্শকলৈকে সকলোৱে জুবিন গাৰ্গৰ ন্যায় বিচাৰিছে। কিন্তু ন্যায় এতিয়া কাৰ্যপালিকাই নিদিয়ে, ন্যায় দিব ন্যায়পালিকাই। জুবিন গাৰ্গে ন্যায় পাওক সেয়া আমিও বিচাৰো।" তেওঁ এই বিষয়ত ৰাজ্য চৰকাৰৰ প্ৰতিৰক্ষা দি কয় যে ন্যায়িক প্ৰক্ৰিয়াক সন্মান কৰি অপেক্ষা কৰিব লাগিব। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, "কংগ্ৰেছ চৰকাৰৰ দিনত কাজিৰঙাত প্ৰতিদিনে গঁড় হত্যা হৈছিল, কিন্তু এতিয়া এটাও নাই। এই বিষয়ত প্ৰশ্ন সুধিব লাগে গৌৰৱ গগৈক। গৌৰৱ গগৈয়ে বিকাশৰ যাত্ৰাত বাধা দিবলৈ ব্যৰ্থ চেষ্টা কৰি আছে।" তেওঁ লগতে কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ সমালোচনা কৰি কয় যে চামগুৰি আৰু মাৰ্ঘেৰিটা সমষ্টিত কংগ্ৰেছ নেতাৰ পুত্ৰৰ বাহিৰে সাধাৰণ ঘৰৰ ল'ৰাই টিকেট নাপায়। সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষাৰ বিষয়ত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গুৰুত্ব দি কয়, "এই চৰকাৰৰ দিনতেই সংখ্যালঘুসকল আটাইতকৈ সুৰক্ষিত। কংগ্ৰেছৰ দিনত নেলী হত্যাকাণ্ড, বিটিএডিৰ গোষ্ঠী সংঘৰ্ষ আৰু বিভিন্ন সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল। বিগত দহ বছৰত কোনো গোষ্ঠীগত সংঘৰ্ষ হোৱা নাই।" তেওঁ অসমত বিজেপিত যোগদানৰ প্ৰৱণতাৰ কথাও উল্লেখ কৰি কয় যে কংগ্ৰেছৰ লগতে আন দলৰ বহু লোকে বিজেপিত যোগদান কৰিবলৈ ওলাই আহিছে। "কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক নীতি এৰি নৰেন্দ্ৰ মোদীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ লোকসকলে বিজেপিত যোগদান কৰিছে" বুলি তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানত তেওঁ অখিল গগৈ, লুৰীণজ্যোতি গগৈ আদিৰ ব্যক্তিগত বিষয়ত আলোচনা কৰাতকৈ ৰাজ্যৰ উন্নয়নৰ বিষয়ত গুৰুত্ব দিব লাগে বুলি কয়। "অখিল গগৈয়ে লিলি হোটেলত কি কবিতা লিখিছে বা গৌৰৱ গগৈৰ ওচৰত কিমান বেঁকা হৈ আঁঠু লৈছে সেইবোৰতকৈ বেদখলমুক্ত অসম, বটদ্ৰৱা আবিৰ্ভাৱ ক্ষেত্ৰ, অৰুণোদয় আঁচনি আদি বিষয়ত আলোচনা কৰিব লাগে, "বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে শুকুৰবাৰে নগাঁও বাঙ্গালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত (গৰু ফিল্ড) ৰাজ্যসভাৰ সাংসদ এলেকা উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মিত নতুন ইনড'ৰ ষ্টেডিয়ামখন আনুষ্ঠানিকভাৱে মুকলি কৰে মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই। নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই উপস্থিত থাকি কয় যে এই ষ্টেডিয়ামত নুৰুল আমিন খেলপথাৰত সম্ভৱ নোহোৱা খেলসমূহ খেলুৱৈসকলে উপলব্ধ কৰিব পাৰিব। এই অনুষ্ঠানত ৰাজ্যৰ উন্নয়ন আৰু বিজেপিৰ সফলতাৰ কথা পুনৰাবৃত্তি কৰি মন্ত্ৰীগৰাকীয়ে আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰিপ্ৰেক্ষিতত দলৰ শক্তি প্ৰদৰ্শন কৰে।

# আজি শিলচৰৰ অম্বিকাপুৰত

প্ৰধানমন্ত্ৰী গৰাকীয়ে পুৱা প্ৰায় ১১ বজাত শিলচৰত উপস্থিত হোৱাৰ কথা। অম্বিকাপুৰত আয়োজিত এক বিশাল জনসভাত তেওঁ জনসাধাৰণক সম্বোধন কৰিব। এই জনসভাত প্ৰায় দুই লাখ লোকৰ উপস্থিতিৰ আশা কৰা হৈছে। জনসভাৰ লগতে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ ভূমিপূজন (ভূমি পূজন) আৰু শিলান্যাস কৰিব। এই প্ৰকল্পসমূহৰ মুঠ ব্যয় প্ৰায় ২৩, ৫৫০ কোটি টকাৰ ওচৰত। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ আটাইতকৈ উল্লেখযোগ্য প্ৰকল্প হৈছে শ্বিলং-শিলচৰ কৰিডৰৰ ভূমিপূজন। উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰথম এক্সেছ-কণ্ট্ৰ'লড গ্ৰীণফিল্ড চাৰিলেন উচ্চগতিসম্পন্ন কৰিডৰ হিচাপে পৰিচিত এই প্ৰকল্পটোৰ দৈৰ্ঘ্য প্ৰায় ১৬৬ কিলোমিটাৰ (সঠিকভাৱে ১৬৬.৮ কিঃমিঃ)। মেঘালয়ৰ মাওলিংখুং (শ্বিলংৰ ওচৰত)ৰ পৰা অসমৰ পাঞ্চগ্ৰাম (শিলচৰৰ ওচৰত)লৈকে বিস্তৃত এই কৰিডৰটো নিৰ্মাণত প্ৰায় ২২, ৮৬০ কোটি টকা ব্যয় হ'ব। প্ৰকল্পটো সম্পূৰ্ণ হ'লে গুৱাহাটী আৰু শিলচৰৰ মাজৰ যাত্ৰা সময় যথেষ্ট হ্ৰাস পাব। বৰ্তমান প্ৰায় ৮.৫ ঘণ্টা সময় লোৱা যাত্ৰাটো কমি প্ৰায় ৫ ঘণ্টালৈ নামি আহিব। অসম আৰু মেঘালয়ৰ মাজত যোগাযোগ অধিক সহজ হোৱাৰ লগতে অঞ্চলটোত আৰ্থ-সামাজিক উন্নয়ন ত্বৰান্বিত হ'ব। ইয়াৰ উপৰিও আন্তঃসীমান্ত বাণিজ্যকো নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। আন এটা গুৰুত্বপূৰ্ণ প্ৰকল্প হিচাপে প্ৰধানমন্ত্ৰীয়ে শিলচৰত এনএইচ-৩০৬ৰ কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰী পইণ্টলৈকে (প্ৰথম পৰ্যায়) নিৰ্মাণ হ'বলগীয়া এলিভেটেড কৰিডৰৰ ভূমিপূজন কৰিব। এই প্ৰকল্পই শিলচৰ নগৰৰ আটাইতকৈ ব্যস্ত পথসমূহত যানজট যথেষ্ট হ্ৰাস কৰিব। লগতে মিজোৰাম, ত্ৰিপুৰা, মণিপুৰ আদি চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সংযোগ অধিক উন্নত কৰি অঞ্চলটোৰ যোগাযোগ ব্যৱস্থাক শক্তিশালী কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰিমগঞ্জ জিলাৰ পাথাৰকান্দিত এখন নতুন কৃষি মহাবিদ্যালয় স্থাপনৰ বাবে আধাৰশিলা স্থাপন কৰিব। এই প্ৰতিষ্ঠানে অসমত কৃষি শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰখনক অধিক শক্তিশালী কৰিব। বিশেষকৈ বৰাক উপত্যকা আৰু চুবুৰীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উন্নত মানদণ্ডৰ কৃষি শিক্ষা লাভৰ নতুন সুযোগ সৃষ্টি কৰিব। ইয়াৰ দ্বাৰা স্থানীয় কৃষকসকলৰ উৎপাদনশীলতা বৃদ্ধি পোৱাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নতো ইতিবাচক প্ৰভাৱ পৰিব। এই সকলোবোৰ প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ অৱকাঠামোগত উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিশ্বাস কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণক লৈ শিলচৰ তথা সমগ্ৰ বৰাক উপত্যকাত উৎসাহৰ পৰিৱেশ বিৰাজ কৰিছে।

# গুৱাহাটীৰ পৰাই ভাৰ্চুৱেলী

স্থাপন আৰু শিলান্যাস কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। দুদিনীয়া অসম ভ্ৰমণৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি কোকৰাঝাৰত উপস্থিত হ'বলগীয়া আছিল, কিন্তু বৰষুণৰ বাবে বিমান যাত্ৰা সম্ভৱ নোহোৱাত গুৱাহাটীৰ পৰাই ভাৰ্চুৱেলীয়ে এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত যোগদান কৰে। এই পদক্ষেপে ৰাজ্যৰ বিকাশৰ কাম-কাজ অব্যাহত ৰখাৰ লগতে প্ৰতিকূল পৰিস্থিতিতো চৰকাৰৰ দৃঢ়তা প্ৰদৰ্শন কৰিছে। প্ৰধান প্ৰকল্পসমূহৰ ভিতৰত অসমমালা ৩.০ নামৰ বৃহৎ পথ আন্তঃগাঁথনি আঁচনিৰ ভূমি পূজন অন্তৰ্ভুক্ত, যাৰ মূল্য ৩, ২০০ কোটি টকাৰো অধিক। এই আঁচনিৰ অধীনত সমগ্ৰ অসমত ৯০০ কিলোমিটাৰৰো অধিক পথ নিৰ্মাণ কৰা হ'ব, যিয়ে আন্তঃৰাজ্যিক সংযোগ উন্নত কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ আৰু গ্ৰাম্য পথৰ মাজত সমন্বয় স্থাপন কৰিব। অন্যান্য উল্লেখযোগ্য প্ৰকল্পসমূহৰ ভিতৰত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বি.টি.চি.) এলেকাত চাৰিখন উৰণীসেতু আৰু দুখন দলঙকে ধৰি ছটা পথ আন্তঃগাঁথনি প্ৰকল্প (প্ৰায় ১, ১০০ কোটি টকাৰ বিনিয়োগ), কোকৰাঝাৰৰ বাঁশবাৰীত পিৰিয়ডিক অভাৰহ'লিং (পি.ও.এইচ.) ৰে'ল কৰ্মশালাৰ আধাৰশিলা স্থাপন, আৰু সমগ্ৰ ৰাজ্যৰ ৩৪টা জিলাত ৩৬টা নতুন দলঙৰ ভূমি পূজন অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰীয়ে তিনিখন নতুন ৰে'ল সেৱাৰ ফ্লেগ অফ কৰে— কামাখ্যা-চৰলাপল্লী অমৃত ভাৰত এক্সপ্ৰেছ, গুৱাহাটী-নিউ জলপাইগুৰি এক্সপ্ৰেছ আৰু নাৰেংগী-আগৰতলা এক্সপ্ৰেছ। এই ৰে'লসমূহে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ ভাৰত, পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ সৈতে অধিক শক্তিশালী সংযোগ প্ৰদান কৰিব, যাৰ ফলত যাত্ৰী, ব্যৱসায় আৰু পৰ্যটনৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। এই অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে বড়োলেণ্ড অঞ্চলত শান্তি আৰু উন্নয়নৰ নতুন যুগ আৰম্ভ হোৱাৰ কথা উল্লেখ কৰে। ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই উন্নয়নমূলক পদক্ষেপসমূহে ৰাজ্যৰ অৰ্থনীতি, যোগাযোগ আৰু গ্ৰাম্য অঞ্চলৰ বিকাশত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

# গুৱাহাটী উচ্চ ন্যায়ালয়ত

সন্দৰ্ভত দাখিল কৰা চাৰিখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন (পি আই এল)ৰ শুনানি গ্ৰহণ কৰা হয়। শুনানিৰ সময়ত গোচৰীয়া পক্ষৰ অধিবক্তাই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত বিশেষ তদন্তকাৰী দল (এছ আই টি)য়ে সত্ৰ ন্যায়াধীশৰ আদালতত দাখিল কৰা প্ৰায় আঢ়ৈ হাজাৰ পৃষ্ঠাৰ অভিযোগনামা অধ্যয়ন কৰিবলৈ পৰ্যাপ্ত সময়ৰ প্ৰয়োজন বুলি আদালতৰ ওচৰত আবেদন জনায়। আদালতে এই আবেদন মঞ্জুৰ কৰি গোচৰীয়া পক্ষক অভিযোগনামা পৰীক্ষা কৰাৰ সুযোগ দিয়ে। তাৰ পিছত আদালতে এই ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনকেইখনৰ পৰৱৰ্তী শুনানিৰ বাবে অহা ২ এপ্ৰিল তাৰিখ ধাৰ্য কৰে। উল্লেখ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ৰাজ্যত সৃষ্টি হোৱা ব্যাপক জনমতৰ চাপত ছিংগাপুৰত ঘটা এই ঘটনাৰ চি বি আই তদন্তকে ধৰি বিভিন্ন দাবীৰে আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মা, পলাশ ৰঞ্জন বৰুৱাসহ আন কেইবাজনো ব্যক্তিয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত পি আই এল দাখিল কৰিছে। এই আবেদনকেইখনত মূলতঃ মৃত্যুৰ প্ৰকৃত কাৰণ উন্মোচন, দোষীসকলক শাস্তি প্ৰদান আৰু ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰা হৈছে। আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই শুনানিৰ পিছত সংবাদ মাধ্যমক জনোৱা মতে, "জুবিন গাৰ্গক ছিংগাপুৰলৈ কোনে লৈ গৈছিল, কোনৰ সৈতে গৈছিল—এইবোৰৰ তদন্ত হ'ব লাগিছিল। মুখ্যমন্ত্ৰীয়ে হঠাৎ ক'লে যে এজনে হত্যা কৰিছে আৰু বাকী চাৰিজনে সহায় কৰিছে। তাৰ পিছতেই আমি পি আই এল দাখিল কৰোঁ। আজি শুনানি হ'ল। অভিযোগনামা এতিয়ালৈকে কাকো দিয়া নাই, কিন্তু গোচৰীয়া পক্ষই পাইছে। আমাৰ অধিবক্তাই আজি পঢ়িব। বিহুৰ আগতে পৰৱৰ্তী শুনানি হ'ব।" তেওঁ লগতে দাবী কৰে যে, "আমাৰ প্ৰধান দাবী হৈছে—এই গোচৰৰ তদন্ত চি বি আইক দিয়া হওক। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক তদন্তৰ আওতালৈ অনা হওক। শ্যামকানু মহন্তৰ কোম্পানীৰ বিষয়ববীয়াসকলক, য়টত থকা অসম এছ'চিয়েশ্যনৰ সকলো সদস্যক তদন্তৰ আওতালৈ অনা হওক।" ইফালে একে দিনাই কামৰূপ মহানগৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালততো জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত চলি থকা গোচৰৰ শুনানি অনুষ্ঠিত হয়। এই শুনানিত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আদি সকলো অভিযুক্তক ভাৰ্চুৱেলী (ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে) আদালতত হাজিৰ কৰোৱা হয়। লক্ষণীয় যে, অভিযুক্ত শেখৰজ্যোতি গোস্বামীয়ে গোচৰৰ সকলো নথি-পত্ৰ লাভ নকৰা বুলি এখন আবেদন দাখিল কৰে। কিন্তু অসম চৰকাৰৰ পক্ষৰ পৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে এই আবেদনৰ তীব্ৰ বিৰোধিতা কৰে। চৰকাৰী পক্ষৰ বিৰোধিতাৰ ফলত অভিযুক্তৰ অধিবক্তাই আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। আদালতে অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাক অহা ১৬ মাৰ্চত দুপৰীয়া ২ বজাৰ পৰা বিয়লি ৪ বজালৈ যাৱতীয় নথি-পত্ৰ পৰীক্ষণৰ বাবে সুযোগ দিয়ে। আদালতে স্পষ্ট কৰি দিয়ে যে, এই সময়ৰ পিছত কোনো অতিৰিক্ত সময় প্ৰদান কৰা নহ'ব। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ সাংস্কৃতিক জগতত গভীৰ শোকৰ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ তদন্তকাৰী দলে দাখিল কৰা অভিযোগনামাৰ পিছত এই গোচৰে নতুন মোৰ লৈছে। জনসাধাৰণে ন্যায়ৰ অপেক্ষাত আছে, আৰু আদালতৰ পৰা অহা পৰৱৰ্তী নিৰ্দেশৰ প্ৰতি সকলোৱে দৃষ্টি ৰাখিছে।

# কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ

কোনো সিদ্ধান্ত গ্ৰহণ নকৰাৰ বাবে মিত্ৰতাৰ সম্ভাৱনা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। বিবৃতিত ৰাইজৰ দলে উল্লেখ কৰিছে যে, আজি সন্ধিয়া প্ৰায় ৬ বজাত দেশৰ এজন বিশিষ্ট বুদ্ধিজীৱী তথা সমাজকৰ্মীয়ে মধ্যস্থতাকাৰী হিচাপে কংগ্ৰেছৰ পক্ষৰ পৰা জনোৱা মতে, ৰাইজৰ দলে দাখিল কৰা মিত্ৰতাৰ নিৰ্দিষ্ট প্ৰস্তাৱ কংগ্ৰেছে নাকচ কৰিছে। পূৰ্বতে ধিং বিধানসভা সমষ্টি পোনপটীয়াকৈ এৰি দিয়াৰ বিষয়ত অসন্মতিৰ বাবেই আলোচনা স্থবিৰ হৈ পৰিছিল যদিও আজি দিল্লীত অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকত কংগ্ৰেছে নতুনকৈ ৰঙানদী আৰু দলগাঁও বিধানসভা সমষ্টিও ৰাইজৰ দলক এৰি নিদিয়াৰ সিদ্ধান্ত লৈছে। এই অদ্ভুত আৰু লুটিবাগৰ প্ৰস্তাৱৰ বাবে মধ্যস্থতাকাৰীগৰাকীয়ে কংগ্ৰেছ নেতৃত্বক স্পষ্ট কৰি দিছে যে, এনে প্ৰস্তাৱ ৰাইজৰ দলৰ সন্মুখত তুলি ধৰাটো সম্ভৱ নহয়। দিল্লীত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰা অসম সন্মিলিত নাগৰিক মঞ্চৰ এজন নেতা তথা বিশিষ্ট অধিবক্তায়ো কংগ্ৰেছৰ এনে প্ৰৱঞ্চনামূলক আচৰণত আশ্চৰ্য প্ৰকাশ কৰি কৈছে যে, তেওঁৰ পক্ষতো এনে প্ৰস্তাৱ গ্ৰহণযোগ্য নহয় আৰু ৰাইজৰ দলক দিয়াৰ প্ৰশ্নই উঠা নাই। দিল্লী আৰু গুৱাহাটীৰ দুজন বিশিষ্ট মধ্যস্থতাকাৰীয়ে ৰাইজৰ দলৰ নেতৃত্বক কংগ্ৰেছৰ এই প্ৰতাৰণামূলক প্ৰস্তাৱৰ বিষয়ে অৱগত কৰি গভীৰ ক্ষোভ প্ৰকাশ কৰিছে। ৰাইজৰ দলে বিচৰা ১৫টা বিধানসভা সমষ্টিৰ ভিতৰত কংগ্ৰেছে মাত্ৰ ৪টা সমষ্টি পোনপটীয়াকৈ এৰি দিবলৈ সন্মতি দিছিল, ৫টা সমষ্টি নিজৰ বাছনিৰ পৰা জাপি দিছিল আৰু ৪টা সমষ্টিত বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তাৱ দিছিল। আজিৰ আলোচনাত দলগাঁও সমষ্টিও এৰি নিদিয়াৰ ঘোষণাৰ ফলত মাত্ৰ ৩টা সমষ্টিহে পোনপটীয়াকৈ এৰি দিয়াৰ সিদ্ধান্তত কংগ্ৰেছে উপনীত হৈছে। এনেদৰে কংগ্ৰেছে ৰাইজৰ দলক মিত্ৰতাৰ নামত বিশ্বাসঘাটকতা কৰি নিৰ্বাচনৰ ঠিক ওচৰত আলোচনাৰ নামত বিলম্ব কৰি, তাৰিখৰ পিছত তাৰিখ দি, কথা সলনি কৰি নিৰ্বাচন-পূৰ্বৰ গুৰুত্বপূৰ্ণ ৪৫ দিনৰ সময় লোকচান কৰাইছে। এই বিলম্বিত আৰু সিদ্ধান্তবিহীন আলোচনাই ৰাইজৰ দলৰ সাংগঠনিক ক্ষেত্ৰত বিস্তৰ ক্ষতিসাধন কৰিছে। আজি ৰাইজৰ দলৰ মিত্ৰতা সম্পৰ্কীয় শেষৰখন কৰ্ণধাৰ সমিতিৰ বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকতে সমিতিয়ে কংগ্ৰেছৰ পৰা কোনো ফলাফল নোপোৱা আৰু পূৰ্বৰ স্থিতি বাৰে-বাৰে সলনি কৰাৰ বাবে মিত্ৰতাৰ আলোচনা আনুষ্ঠানিকভাৱে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বিৰোধী ঐক্যৰ প্ৰশ্নত কংগ্ৰেছে ইচ্ছাকৃতভাৱে পলম কৰি, আলোচনাৰ সমিতি সঘনে সলনি কৰি আৰু বেপৰোৱা মনোভাৱ দেখুৱাই ৰাইজৰ দলক অৱজ্ঞা কৰি আহিছে বুলি দলটোৱে অভিযোগ কৰিছে। এই ঘটনাই অসমৰ বিৰোধী শিবিৰত নতুনকৈ বিভাজনৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে।

# আজি ঘোষণা হ'ব কংগ্ৰেছৰ

প্ৰায় ৯৫ শতাংশ চূড়ান্ত হৈ গৈছে আৰু শনিবাৰৰ ভিতৰত এই তালিকা প্ৰকাশ কৰা হ'ব পাৰে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠকৰ অন্তত গৌৰৱ গগৈয়ে এই তথ্য প্ৰকাশ কৰে। তেওঁ কয়, "আমি অসমৰ প্ৰায় ৯৫ শতাংশ আসনৰ বিষয়ে আলোচনা সম্পন্ন কৰিছো। বাকী থকা আসনসমূহ শীঘ্ৰে চূড়ান্ত কৰা হ'ব। শনিবাৰলৈকে তালিকাখন ঘোষণা হ'বলৈ সম্ভাৱনা আছে।" এই ঘোষণাই অসমত ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিছে, কাৰণ বিধানসভাৰ ম্যাদ ২০২৬ চনৰ মে' মাহত শেষ হ'ব আৰু নিৰ্বাচন মাৰ্চ-এপ্ৰিল মাহত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। ১২৬টা আসনৰ এই নিৰ্বাচনত কংগ্ৰেছে শাসকীয় বিজেপিৰ বিৰুদ্ধে শক্তিশালী প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তুতি চলাইছে। ইয়াৰ মাজতে কংগ্ৰেছলৈ এটা ইতিবাচক খবৰ আহিছে। অসম গণ পৰিষদ (অগপ)ৰ প্ৰাক্তন বিত্ত সম্পাদক জয়ন্ত খাউণ্ডে আন কেইজনমান নেতাৰ সৈতে কংগ্ৰেছ দলত যোগদান কৰিছে। এ.আই.চি.চি.ৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং আলৱাৰ, কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি.কে. শিৱকুমাৰ, গৌৰৱ গগৈ আৰু ৰাষ্ট্ৰীয় সম্পাদক মনোজ চৌহানকে ধৰি জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত এই যোগদান অনুষ্ঠান সম্পন্ন হয়। জয়ন্ত খাউণ্ডক আদৰণি জনাই গৌৰৱ গগৈয়ে কয়, "তেওঁৰ দৰে তৃণমূল পৰ্যায়ৰ নেতাৰ প্ৰৱেশে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ বিৰুদ্ধে ৰাইজৰ ক্ৰমবৰ্ধমান অসন্তোষক প্ৰতিফলিত কৰিছে। অসমত ৰাজনৈতিক পৰিৱৰ্তনৰ বতাহ বলিছে।" কংগ্ৰেছে এই যোগদান আৰু প্ৰাৰ্থী তালিকাৰ প্ৰস্তুতিৰ জৰিয়তে নিৰ্বাচনী প্ৰচাৰত নতুন গতি আনিবলৈ চেষ্টা কৰিছে। দলটোৱে বিগত নিৰ্বাচনতকৈ উন্নত ফলাফলৰ আশা কৰিছে আৰু ৰাজ্যখনত চৰকাৰ গঠনৰ লক্ষ্য লৈ আগবাঢ়িছে। এই বিকাশসমূহে অসমৰ ৰাজনৈতিক দৃশ্যপটক অধিক উত্তেজনাপূৰ্ণ কৰি তুলিছে, বিশেষকৈ যেতিয়া বিজেপিয়ে একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা ধৰি ৰাখিবলৈ প্ৰয়াস চলাই আছে।

# ৭০৭খন চাহ বাগিচাৰ পৰিয়াললৈ ভূমিপট্টা

তেজ আৰু ঘামৰ মূল্য এতিয়া তেওঁলোকৰ হাতত তুলি দিয়া হৈছে। চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে শৈক্ষিক নৱজাগৰণৰ কাম চলি আছে বুলি উল্লেখ কৰি তেওঁ চাহ কোম্পানীসমূহৰ স্বত্বাধিকাৰীসকলকো ধন্যবাদ জ্ঞাপন কৰে। দুদিনীয়া অসম ভ্ৰমণৰ এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সৰ্বমুঠ প্ৰায় ৪৭ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, ভূমি পূজন আৰু শিলান্যাস কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত গুৱাহাটীত নিৰ্মিত 'একতা মল'ৰ উদ্বোধন অন্যতম। ২৯৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত এই মলত দেশৰ প্ৰতিখন ৰাজ্যৰ পৰম্পৰাগত সামগ্ৰী, হস্তশিল্প আৰু হস্ততন্ত্ৰ প্ৰদৰ্শন কৰা হ'ব। লগতে কপিলী জলবিদ্যুৎ প্ৰকল্পৰো উদ্বোধন কৰা হয়। নুমলীগড় ৰিফাইনেৰীৰ অন্তৰ্গত কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ সম্পন্ন হয়, যাৰ মুঠ ব্যয় প্ৰায় ১০ হাজাৰ কোটি টকা। ভাৰতীয় ৰে'ল মন্ত্ৰালয়ৰ অধীনত শ্ৰীৰামপুৰ—গুৱাহাটী, তিনিচুকীয়া—গুৱাহাটী আৰু শিলচৰ—গুৱাহাটীলৈ এলিভেটেড কৰিডৰৰ পৰিকল্পনাসহ কেইবাটাও ৰে'ল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ডিব্ৰুগড়ত সামুদ্ৰিক দক্ষতা উন্নয়ন কেন্দ্ৰৰ ভূমি পূজনো সম্পন্ন হয়। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ৯ কোটি ৩২ লাখ কৃষকলৈ পি এম কিষাণ আঁচনিৰ ২২তম কিস্তি মুক্তিৰ কথাও ঘোষণা কৰে। এই সকলোবোৰ পদক্ষেপে অসমৰ অৰ্থনীতি, যোগাযোগ, শক্তি, কৃষি আৰু গ্ৰাম্য বিকাশত নতুন গতি প্ৰদান কৰিব। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই ঐতিহাসিক ঘোষণাসমূহে ৰাজ্যবাসীৰ মাজত ইতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা প্ৰবল। চাহ শ্ৰমিকসকলৰ বাবে মাটিৰ অধিকাৰ প্ৰদানে তেওঁলোকৰ আৱাস সুৰক্ষা, ঋণ প্ৰাপ্তি আৰু সামাজিক-অৰ্থনৈতিক উন্নতিত বিশেষ সহায় কৰিব।

# জুবিন গাৰ্গৰ নামত ফুলৰ

নামেৰে— Osbeckia zubeengargiana। এই নামকৰণে জুবিন গাৰ্গৰ প্ৰকৃতিপ্ৰেম আৰু মানৱদৰদী স্বভাৱক স্মৰণ কৰি ৰাখিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° নমিতা নাথ আৰু গৱেষিকা বৰ্ণালী দাসে কেৰালাৰ এন এছ এছ কলেজৰ ড° প্ৰবোশ পুলপ্ৰাৰ সহযোগত এই নতুন উদ্ভিদ প্ৰজাতি আৱিষ্কাৰ কৰে। উদ্ভিদবিধ মানস ৰাষ্ট্ৰীয় উদ্যানৰ পৰা সংগ্ৰহ কৰা হৈছিল। গৱেষক দলটোৱে এই আৱিষ্কাৰক জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি স্বৰূপে তেওঁৰ নামত নামকৰণ কৰাৰ সিদ্ধান্ত লয়। শনিবাৰে গৱেষক দলটোৱে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হাতত নতুনকৈ আৱিষ্কৃত এই উদ্ভিদৰ জীৱন্ত গছ এজোপা আৰু তাৰ ফটো হস্তান্তৰ কৰিব বুলি জানিব পৰা গৈছে। এই সংবাদ লাভ কৰি গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত আৱেগময় প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ লিখে— "তেওঁ প্ৰকৃতিৰ সন্তান। প্ৰকৃতিৰ বুকুত তেওঁ ফুল হৈ ফুলি ৰ'ব চিৰদিন। গছ ভালপোৱা, প্ৰকৃতি ভালপোৱা মানুহজনলৈ সু-উচ্চ সন্মান, মৰম, স্বীকৃতি, উপহাৰ, পুৰস্কাৰ... এয়া প্ৰকৃতিৰ ন্যায়।" জুবিন গাৰ্গৰ প্ৰকৃতি আৰু জীৱ-জন্তুৰ প্ৰতি অগাধ প্ৰেম সকলোৱে জ্ঞাত। তেওঁৰ পোহনীয়া বান্দৰ মধুসূদন গাৰ্গ, বগলী উদাসিনী গাৰ্গ, কাউৰী কাকু গাৰ্গৰ কাহিনী অসমৰ ঘৰে ঘৰে পৰিচিত। গছ-গছনি, চৰাই-চিৰিকতিৰ প্ৰতি তেওঁৰ মৰম আৰু যত্নৰ কথা বহুতে মনত ৰাখিছে। এনে এগৰাকী প্ৰকৃতিপ্ৰেমী শিল্পীৰ নামত এটা উদ্ভিদ প্ৰজাতিৰ নামকৰণ হোৱাত ৰাজ্যজুৰি আনন্দৰ বাতাবৰণ সৃষ্টি হৈছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পিছত ৰাইজৰ মনত ন্যায়ৰ প্ৰশ্ন উঠি থকাৰ মাজতে এই খবৰে অনুৰাগীসকলক কিছু সান্ত্বনা দিছে। প্ৰকৃতিয়ে নিজৰ সন্তানক চিৰকালীন সন্মান দি ৰাখিছে বুলি বহুতে মন্তব্য কৰিছে। এই নামকৰণে জুবিন গাৰ্গৰ স্মৃতিক প্ৰকৃতিৰ মাজত অমৰ কৰি ৰাখিব বুলি বিশ্বাস কৰা হৈছে।

# 'অসম বিশ্ববিদ্যালয়'ৰ নাম 'শিলচৰ বিশ্ববিদ্যালয়'লৈ

বিশ্ববিদ্যালয়'ৰ পৰা 'শিলচৰ বিশ্ববিদ্যালয়'লৈ সলনি কৰাৰ দাবী উত্থাপন কৰিছে। সংগঠনটোৰ মতে, ৰাজ্য চৰকাৰে শেহতীয়াকৈ বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ নাম সলনি কৰি 'বৰপেটা মেডিকেল কলেজ' কৰাৰ সিদ্ধান্ত লোৱাৰ পিছত এই দাবী অধিক যুক্তিসংগত আৰু প্ৰাসংগিক হৈ পৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকৰ পিছত ঘোষণা কৰিছিল যে ৰাজ্যৰ আন মেডিকেল কলেজসমূহ স্থানীয় ঠাইৰ নামেৰে পৰিচিত হ'লেও বৰপেটাৰ কলেজখনৰ নাম ব্যতিক্ৰম। তেওঁ কয় যে বহুতে এই কলেজখনক ব্যক্তিগত বা বেচৰকাৰী প্ৰতিষ্ঠান বুলি ভুল বুজে। সেয়েহে নাম সলনি কৰি 'বৰপেটা মেডিকেল কলেজ' কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই যুক্তিকেই আগবঢ়াই বৰাক ডেমোক্ৰেটিক ফ্ৰণ্টে কয় যে শিলচৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ নামো স্থানীয় ঠাইৰ নামেৰে 'শিলচৰ বিশ্ববিদ্যালয়' কৰা উচিত। সংগঠনটোৰ আহ্বায়ক হৃষীকেশ দেৱে এক বিবৃতিত উল্লেখ কৰে যে একে সময়তে দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ শিলান্যাস কৰা হৈছিল— এখন তেজপুৰত আৰু আনখন শিলচৰত। তেজপুৰৰ বিশ্ববিদ্যালয়খন 'তেজপুৰ বিশ্ববিদ্যালয়' নামেৰে পৰিচিত হৈ আহিছে, কিন্তু শিলচৰৰ বিশ্ববিদ্যালয়খনক 'অসম বিশ্ববিদ্যালয়' নাম দিয়া হৈছিল। হৃষীকেশ দেৱে লগতে কয়, "এতিয়া যেতিয়া ৰাজ্য, চহৰ, ৰাস্তা আদি বিভিন্ন প্ৰতিষ্ঠানৰ নাম পৰিৱৰ্তনৰ ধাৰা চলি আছে, তেন্তে 'অসম বিশ্ববিদ্যালয়'ৰ নামো 'শিলচৰ বিশ্ববিদ্যালয়' কৰা উচিত। এই দাবী মানি ল'লে ৰাজ্য চৰকাৰৰ নিৰপেক্ষতা প্ৰতিফলিত হ'ব। নতুবা এই পদক্ষেপৰ পিছত ৰাজনৈতিক উদ্দেশ্য আৰু বিভাজনৰ ৰাজনীতি জড়িত থকাৰ সন্দেহ উত্থাপন হ'ব।" একে যুক্তিৰে সংগঠনটোৱে গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ নামো সলনি কৰি 'পানবজাৰ হাস্পতাল' কৰাৰ দাবী উত্থাপন কৰিছে। বৰাক ডেমোক্ৰেটিক ফ্ৰণ্টৰ আহ্বায়ক দেবায়ন দেৱে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই দাবীসমূহ সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰে। সংগঠনটোৱে আশা প্ৰকাশ কৰিছে যে ৰাজ্য চৰকাৰে এই দাবীসমূহৰ প্ৰতি গুৰুত্ব দি যথাযথ পদক্ষেপ গ্ৰহণ কৰিব। এই দাবীয়ে বৰ্তমান অসমত চলি থকা নাম পৰিৱৰ্তনৰ বিতৰ্কক নতুন মাত্ৰা প্ৰদান কৰিছে।

# অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬ৰ পৰিপ্ৰেক্ষিতত কামৰূপত জিলা অভিযোগ সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬ৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনা অনুসৰি আজি কামৰূপ জিলাৰ জিলা আয়ুক্তই এখন জিলা অভিযোগ সমিতি (District Grievance Committee) গঠন কৰিছে। এই সমিতিখনে নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন অভিযোগ সমূহ আৰু নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনা কঠোৰভাৱে পালন নিশ্চিত কৰাৰ উদ্দেশ্যে সমিতিখন গঠন কৰা হৈছে। এই সমিতিখন কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, নিৰ্বাচনী ব্যয় নিৰীক্ষণ (ইইএম) কোষৰ ন'ডেল বিষয়া, (আহ্বায়ক)/ সহকাৰী আয়ুক্ত তথা ইইএম'ৰ সহকাৰী ন'ডেল বিষয়া আৰু কামৰূপৰ জিলা কোষাধ্যক্ষ (Treasury Officer)ক লৈ সমিতিখন গঠন কৰিছে। জাননী অনুসৰি নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচন সম্পৰ্কীয় অভিযোগ আৰু সমস্যাসমূহ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে সমিতিখনে প্ৰতিদিনে সন্ধ্যা ৫.০০ বজাত বৈঠক অনুষ্ঠিত কৰিব।

### গুদামত গেছভৰ্তি চিলিণ্ডাৰৰ গাড়ী থকাৰ পিছতো গ্ৰাহকক দিয়াৰ পৰা বিৰত থকাৰ অভিযোগ কৰ্তৃপক্ষৰ বিৰুদ্ধে

# আমগুৰি গেছ এজেন্সীত হুলস্থুলীয়া পৰিৱেশ

**অসম বাৰ্তা, চেলেংহাট, ১৩ মাৰ্চ** ঃ ইৰাণত চলি থকা যুদ্ধৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে পেট্ৰলিয়াম জাতীয় সামগ্ৰী যেনে পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ নাটনি সৃষ্টিৰ আশংকা বৃদ্ধি পোৱাৰ সমান্তৰালকৈ আজি শিৱসাগৰ জিলাৰ আমগুৰিত থকা আমগুৰি গেছ চাৰ্ভিচ নামৰ ইণ্ডেন গেছৰ এজেন্সিত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। যোৱা এসপ্তাহ ধৰি গেছৰ চিলিণ্ডাৰ নোপোৱাৰ ফলত এজেন্সিটোৰ অন্তৰ্গত গ্ৰাহক সকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। তেনে পৰিস্থিতিত আজি এখন ৰন্ধন গেছ চিলিণ্ডাৰ ভৰ্তি ট্ৰাক গুদামত সোমোৱাৰ খবৰ পোৱাৰ লগে লগে পুৱা সাত বজাৰ পৰা পৰা গুদামৰ সন্মুখত গ্ৰাহকৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা যায়। ট্ৰাকৰ পৰা গেছভৰ্তি চিলিণ্ডাৰ সমূহ গুদামত মজুত কৰা দেখি উপস্থিত গ্ৰাহকসকলে গেছ কেতিয়া দিব বুলি সুধা প্ৰশ্নৰ সদুত্তৰ নিদিয়াৰ বাবে গ্ৰাহকসকল ক্ষোভিত হৈ পৰে। পুৱাৰ পৰা বৰষুণত তিতি গেছৰ বাবে শাৰী পাতি থকাৰ পিছতো এজেন্সী কৰ্তৃপক্ষই গ্ৰাহক সকলক উপেক্ষা কৰে। খবৰ বিয়পি পৰাৰ লগে লগে স্থানীয় সাংবাদিক সকল আমগুৰি গেছ এজেন্সীৰ সন্মুখত শাৰী পাতি থকা পুৰুষ মহিলা গ্ৰাহকৰ ওচৰত উপস্থিত হয়। সাংবাদিক সকলে সমগ্ৰ ঘটনাৰ সবিশেষ জানিবলৈ উপস্থিত লোকসকলৰ পৰা ভাষ্য সংগ্ৰহ কৰাৰ খবৰ পাই প্ৰায় ১০: ৪৫ বজাত গুদামৰ দোৱাৰ খুলি দিয়ে। শতাধিক গ্ৰাহকৰ বিপৰীতে মাত্ৰ ৬০টা চিলিণ্ডাৰ দিব পাৰিব বুলি গুডামত থকা কৰ্মচাৰী সকলে জানিবলৈ দিয়ে। গুদামতট্ৰাকভৰ্তি চিলিণ্ডাৰ থকাৰ পিছতো মাত্ৰ ৬০টা চিলিণ্ডাৰ গ্ৰাহকৰ বাবে মুকলি কৰা বিষয়টোৱে সকলোকে উদ্বিগ্ন কৰি তুলিছে। ইয়াৰ অন্তৰালত থকা কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। ইয়াৰোপৰি বৰ্তমান সময়ত আমগুৰিৰ গ্ৰাহক সকলৰ বাবে অনলাইন বুকিং কৰাৰ ক্ষেত্ৰতো নানা সমস্যাৰ সৃষ্টি হৈছে বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় গ্ৰাহক সকলে। আগন্তুক দিনত আমগুৰি গেছ এজেন্সীৰ গ্ৰাহকসকলে গেছ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লাগিব সেয়া সময়তহে দেখা যাব।

### 'অসম বাৰ্তা'ৰ সাংবাদিকসহ কেবাজনজনো সাংবাদিকলৈ বঁটা; নতুন সমিতি গঠন

# লাহৰীঘাটত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ মৰিগাঁও জিলা সমিতিৰ ৪ৰ্থ ত্ৰি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**অসম বাৰ্তা, ভূৰাগাঁও, ১২ মাৰ্চ** ঃ আজি মৰিগাঁও জিলাৰ লাহৰীঘাট উন্নয়ন খণ্ড প্ৰেক্ষাগৃহত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ মৰিগাঁও জিলা সমিতিৰ ৪ৰ্থ ত্ৰি -বাৰ্ষিক অধিৱেশন খনি দিনযোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত সংগঠন টিৰ পতাকা উত্তোলন কৰে জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ড° হৰ মোহন কলিতাই। বিয়লি ১ বজাত অনুষ্ঠিত কাৰ্যনিবাহক সভাত সম্পাদক মিণ্টু কুমাৰ মেধিয়ে প্ৰতিবেদন পাঠ কৰাৰ লগতে বিভিন্ন বিষয়ত সদস্য সকলে পৰ্যালোচনা কৰি দিহা পৰামৰ্শ আগবঢ়াই। সেই সভাতে মৰিগাঁও জিলা সমিতিৰ পুৰণা সমিতি খনে পদত্যাগ কৰে। সেই সভাত উপস্থিত থকা প্ৰৰ্যবেক্ষক দ্বয় ক্ৰমে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাংগঠনিক সম্পাদক তৰুণ বৰা আৰু নগাঁও জিলা সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ নাথৰ পৰামৰ্শ অনুসৰি নতুন সমিতি এখন গঠন কৰিবৰ বাবে সভাই সৰ্বসন্মতিক্ৰমে এখন তিনিজনীয়া জুৰি সমিতি গঠন কৰি দিয়ে। ড° হৰমোহন কলিতা, প্ৰণৱ গোস্বামী আৰু অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাক লৈ গঠিত জুৰি সমিতিয়ে জ্যেষ্ঠ সাংবাদিক ছাইফুল ইছলামক সভাপতি, মিণ্টু কুমাৰ মেধিক কাৰ্যকৰী সভাপতি, ক্ৰমে যুগল কিশোৰ, আবুল কালাম আৰু জ্যোতিৰ্ময় গোস্বামীক উপসভাপতি আৰু হিমু বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ৫১ জনীয়া সমিতি গঠন কৰি দিয়ে। উক্ত সমিতিখন সাধাৰণ সভাই অনুমোদন জনাই। আবেলি তিনিবজাত ড° হৰমোহন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখুৱাই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লাহৰীঘাট ৰাজহ চক্ৰ বিষয়া নম্ৰতা চাহুকে প্ৰমোখ্য কৰি কেবাজনো লোক। উক্ত সভাৰ বিশেষ কাৰ্যসূচী বঁটা বিতৰণী অনুষ্ঠানত উৎকৃষ্ট সেৱাৰ বাবে জিলাখনৰ তিনি গৰাকী সাংবাদিকক বিশেষ বঁটা প্ৰদান কৰাৰ লগতে অসম বাৰ্তাৰ মৈৰাবাৰীৰ সাংবাদিক নুৰুল হুদা সহ নৱাগত চাৰিজন সংবাদ কৰ্মীক প্ৰেৰণা বঁটা প্ৰদান কৰা হয়। সেই অনুসৰি জ্যেষ্ঠ সাংবাদিক বিষ্ণু ডেকাক "শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতা বঁটা ২০২৬", মানৱেন্দ্ৰ দেৱনাথক "যুৱ সাংবাদিকতা বঁটা ২০২৬" আৰু মিতালী দেবীক "চাৰণ পৰীয়া সাংবাদিকতা বঁটা ২০২৬" প্ৰদান কৰা হয়। একেদৰে 'অসম বাৰ্তা'ৰ মৈৰাবাৰীৰ সাংবাদিক নুৰুল হুদা (জাহাংগীৰ), হিমু বৰা, ছাজিদ আনোৱাৰ ৰহমান আৰু মিঠুন ৰয়ক প্ৰেৰণা বঁটা প্ৰদান কৰা হয়।

# কমলপুৰৰ ঐতিহাসিক কুৰ্ম মাধৱ দেৱালয়ৰ তোৰণ উন্মোচন



**অসম বাৰ্তা, চাংসাৰি, ১৩ মাৰ্চ** ঃ কমলপুৰ সমষ্টিৰ কলমণিত অৱস্থিত ঐতিহাসিক কুৰ্ম মাধৱ দেৱালয়ৰ প্ৰৱেশদ্বাৰ হিচাপে এক নৱনিৰ্মিত আদৰণি তোৰণ উন্মোচন কৰা হয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই কলাজলৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত এই তোৰণখনি ৰাজহুৱাভাৱে মুকলি কৰে। এই তোৰণটো ৰাষ্ট্ৰীয় ঘাইপথৰ কলাজল-বালহাটী সংযোগী পথত, কুৰ্ম মাধৱ দেৱালয়লৈ যোৱাৰ মুখত স্থাপন কৰা হৈছে। তোৰণখনৰ স্থাপত্যত কুৰ্ম মাধৱ দেৱালয়ৰ পৱিত্ৰ ভাস্কৰ্য আৰু পৰম্পৰাগত শৈলীকে মূল থিম হিচাপে গ্ৰহণ কৰা হৈছে। ইয়াক দেৱালয়ৰ সাংস্কৃতিক গুৰুত্ব আৰু ধৰ্মীয় ঐতিহ্যৰ সৈতে খাপ খোৱাকৈ ডিজাইন কৰা হৈছে। তোৰণখন মুকলি কৰি এক চমু সভাত বক্তব্য দিওঁতে বিধায়ক দিগন্ত কলিতাই ইয়াৰ স্থাপত্যিক সৌন্দৰ্য্য আৰু তাৎপৰ্য্যৰ প্ৰশংসা কৰে। তাৰ উপৰি, তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সমগ্ৰ অসম তথা বিশেষকৈ কমলপুৰ সমষ্টিত হৈ থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ এক চমু ৰূপৰেখা প্ৰদান কৰে। তেওঁ উল্লেখ কৰে যে পৰ্যটন, পৰিবহণ, আধাৰিক সংৰচনা আদি ক্ষেত্ৰত হৈ থকা উন্নয়নে অঞ্চলটোৰ অৰ্থনৈতিক আৰু সামাজিক পৰিৱেশ সলনি কৰিছে। বিধায়ক কলিতাই এই আশা ব্যক্ত কৰে যে এই নৱনিৰ্মিত আৰু দৃষ্টিনন্দন তোৰণখনে কেৱল দেৱালয়ৰ প্ৰৱেশপথই চিহ্নিত নকৰাকৈ, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পৰ্যটকসকলক এক সুস্পষ্ট আৰু আকৰ্ষণীয় পৰিচয় দিব। ই পৰ্যটকৰ মনোযোগ আকৰ্ষণ কৰি এই ঐতিহাসিক স্থানলৈ আগমন আৰু পৰিদৰ্শনৰ সংখ্যা বৃদ্ধি কৰাত অৰিহণা যোগাব বুলি তেওঁ বিশ্বাস প্ৰকাশ কৰে। তোৰণ উন্মোচনী অনুষ্ঠান উপস্থিত থাকে লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা প্ৰাণজিৎ তালুকদাৰ, বিজেপিৰ কমলপুৰ মণ্ডলৰ সভাপতি দুদুল কাকতি, যুৱ মৰ্চাৰ সভাপতি শ্ৰীমন্ত ডেকা, মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি সম্পাদকে ধৰি কেইবা শতাধিক পুৰুষ মহিলা।

# চামগুৰিৰ শালনাত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ মাৰ্চ** ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত শালনা আৰক্ষী চকীৰ অন্তৰ্গত আমনি-শালনা সংযোগী পথত যোৱা নিশা আৰক্ষীয়ে এখন ৰখাই থোৱা গৰাকীবিহীন স্কুটিৰ পৰা সাতাইশ লাখ সোতৰ হাজাৰ আঠশ আশী টকা উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, শালনা আৰক্ষী চকীৰ অন্তৰ্গত আমনি-শালনা সংযোগী পথত কালি বিয়লিৰ পৰা দীৰ্ঘসময় ধৰি ৰখাই থোৱা এ-এছ-০২-আৰ-৮৬৪১ নম্বৰৰ স্কুটিখন স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি সন্দেহ হয়। পৰৱৰ্তী সময়ত উক্ত স্কুটিখনৰ সন্দৰ্ভত স্থানীয় লোকে শালনা আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত শালনা আৰক্ষী চকীৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ উক্ত গৰাকীবিহীন স্কুটিখন জব্দ কৰাৰ লগতে উক্ত স্কুটিখনৰ পৰা সাতাইশ লাখ সোতৰ হাজাৰ আঠশ আশী টকা ধনৰাশি উদ্ধাৰ কৰে। অৱশ্যে উক্ত বৃহৎ পৰিমাণৰ ধনৰাশি কোনে, কিয়, আৰু কি উদ্দেশ্যে স্কুটিখনত ভৰাই থৈ গৈছিল সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে বৃহৎ ধনৰাশি সৈতে উদ্ধাৰ কৰা উক্ত স্কুটিখন অনিল বাগাৰিয়া নামৰ এগৰাকী ব্যক্তিৰ নামত আছে বুলি জানিব পৰা গৈছে। উক্ত ঘটনাৰ সন্দৰ্ভত শালনা আৰক্ষী চকীৰ আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# হাজো প্ৰেছ ক্লাৱৰ নৱ-নিৰ্মিত কাৰ্যালয় উদ্বোধন



**অসম বাৰ্তা, হাজো, ১২ মাৰ্চ** ঃ এক দীৰ্ঘ দিনীয়া অভাৱ পূৰণ কৰি হাজো মাজ মজিযাত আজি হাজো প্ৰেছ ক্লাৱৰ নৱনিৰ্মিত "কাৰ্যালয়" মুকলি কৰা হয়। এই উপলক্ষে দিনৰ বাৰ বজাত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট সমাজকৰ্মী তথা সাংস্কৃতিক আলোচনী দাপোণৰ মুখ্য সম্পাদক দিনমনি ভাণ্ডাৰ কায়স্থই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতেই মুখ্য কাৰ্যালয় টোৰ ফিতা কাটি শুভ উদ্বোধন কৰে বিশিষ্ট চিকিৎসক, সমাজকৰ্মী ডাঃ বেদব্ৰত পাঠকে। হাজো প্ৰেছক্লাবৰ সভাপতি দীপক দাসে আঁত ধৰা অনুষ্ঠানত সম্পাদক দিপাংকৰ মজুমদাৰে আদৰণি ভাষণ ৰাখে। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ দাস, মৃদুল মালাকাৰ, নীলকান্ত দাস, হাজো থানাৰ আৰক্ষী বিষয়া ৰূপম হাজৰিকা, ৰামদিয়া আৰক্ষী চকীৰ বিষয়া অনুপম শইকীয়া, দুই নং হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী বনানী দাস, কাউঞ্চিলৰ ভাগ্যলতা বৈশ্য, হাজো ৰাইজ সমিতিৰ সভাপতি নৃপেন কুমাৰ দাস, সমাজকৰ্মী নৃপেন চন্দ্ৰ মালাকাৰ, ভাস্কৰ বৰুৱা, মৃণাল কুমাৰ দাস, ভৱানন্দ আঠপৰীয়া, বিকাশ দাস, পংকজ কলিতা, আছু নেতা বনমালী কলিতা, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক নিপু কলিতা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত হৈ হাজো প্ৰেছক্লাবক সদস্য সকলক শুভেচ্ছা জনায়। এই অনুষ্ঠানতেই জনপ্ৰিয় কণ্ঠশিল্পী মুনদ্বীপ দাস আৰু জ্যোতিপলে সংগীত পৰিৱেশন কৰি অনুষ্ঠানটো প্ৰাণৱন্ত কৰি তোলে। সভাৰ আৰম্ভণিতে সদ্য প্ৰয়াত শৰীৰচৰ্চাবিদ জয়প্ৰকাশ কলিতা, বিশাল দাস, সন্দীপ কলিতা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গক স্মৰণ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায় উপস্থিত সকলোৱে।

# কামৰূপ জিলাত বন অধিকাৰ আইন, ২০০৬ৰ অধীনত মাটি স্বত্ব-পত্ৰ বিতৰণ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ মাৰ্চ** ঃ বন অধিকাৰ আইন, ২০০৬ৰ অধীনত বনাঞ্চলত বসবাস কৰা যোগ্য জনজাতীয় পৰিয়ালসমূহক মাটিৰ অধিকাৰ প্ৰদানৰ উদ্দেশ্যে আজি কামৰূপ জিলাৰ বামুণীগাঁৱৰ শান্তি নিজৰা ক্লাবত এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত অসমৰ শিক্ষা আৰু জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকি যোগ্য জনজাতীয় পৰিয়ালসমূহক মাজত মাটি স্বত্ব-পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে বনাঞ্চলত বসবাস কৰা জনজাতীয় লোকসকলে যুগ যুগ ধৰি প্ৰকৃতিৰ সৈতে সমন্বয় ৰাখি জীৱনযাপন কৰি আহিছে আৰু বন সংৰক্ষণ তথা জৈৱ বৈচিত্ৰ্য সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে উল্লেখ কৰে যে বনাঞ্চলত বসবাস কৰা প্ৰকৃত জনজাতীয় পৰিয়ালসমূহে মাটিৰ অধিকাৰ নিশ্চিত কৰাৰ লগতে বনাঞ্চল সংৰক্ষণ আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশতো সমান গুৰুত্ব প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও মন্ত্ৰী গৰাকীয়ে লগতে সকলোকে বনসম্পদৰ ব্যৱস্থাপনা নিশ্চিত কৰাৰ বাবে একেলগে কাম কৰাৰ আহ্বান জনায় যাতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিবেশগত সমতা অক্ষুণ্ণ থাকে। অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰি কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা বন অধিকাৰ সমিতিৰ অধ্যক্ষ দেৱ কুমাৰ মিশ্ৰই কয় যে অসমৰ চৰকাৰৰ উদ্যোগত মাটিৰ অধিকাৰ নিশ্চিত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপৰ জৰিয়তে মুঠ ৬, ৪২৭টা পৰিয়ালে মাটিৰ অধিকাৰ লাভ কৰিছে। তেওঁ লগতে কয় যে এই ব্যৱস্থাই যোগ্য জনজাতীয় পৰিয়ালসমূহৰ বাবে মাটিৰ নিৰাপত্তা নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ সামাজিক আৰু আৰ্থিক উন্নয়নতো সহায় কৰিব। অনুষ্ঠানত ৰাভা হাচং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী বিষয়া, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ উপৰিও বন বিভাগৰ বিষয়া, স্থানীয় জনপ্ৰতিনিধিৰ লগতে ভালে সংখ্যক ৰাইজ উপস্থিত থাকে।

### স্থানীয় ৰাইজৰ হস্তক্ষেপত খনন কাৰ্য বন্ধ কৰিলে বন বিভাগে

# সোৱণশিৰি নদীত নীতি-নিয়ম মোহাৰি ভীমপৰা মহল কৰ্তৃপক্ষৰ লুণ্ঠন

### প্ৰকৃত সীমা পাৰ হৈ গৰাৰ কাষতে ব্যাপক খনন কাৰ্য

**অসম বাৰ্তা, লখিমপুৰ বিশে, ১৩ মাৰ্চ** ঃ লখিমপুৰ জিলাৰ পথালিপাম বনখণ্ডৰ অধীনস্থ সোৱণশিৰি নদীখন একাংশ শিল-বালি মাফিয়াৰ বাবে সোণৰ কণী পৰা হাঁহত পৰিণত হৈছে। যধে-মধে খননকাৰ্য কৰি সোৱণশিৰি নদীপৰীয়া ৰাইজক মৃত্যুৰ মুখলৈ থেলি দিছে অসাধু লোকবোৰে। তাৰ উত্তম উদাহৰণ হৈছে সোৱণশিৰি নদীত থকা ভীমপৰা বালি মহল। ভীমপৰা বালি মহল পৰিচালনা কৰা কৰ্তৃপক্ষই অজ্ঞাত শক্তিৰ বলত বলিয়ান হৈ নীতি-নিয়ম জলাঞ্জলি দি সোৱণশিৰি নদীৰ সম্পদ একপ্ৰকাৰৰ লুট-পাত কৰি আহিছে। ভীমপৰা মহলৰ এই অবৈধ কাৰ্যৰ বিৰুদ্ধে আজি লেটাইজানৰ আশে-পাশে থকা ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মহলৰ পৰা প্ৰায় ১০-১২ কিলোমিটাৰ দূৰত আহি লেটাইজানৰ সোৱণশিৰি নদীৰ গৰাৰ কাষতে তিনিখনকৈ জেচিবিৰে ভয়ংকৰভাৱে প্ৰতিদিনে অবৈধভাৱে খননকাৰ্য চলাই আহিছিল। আজিও খননকাৰ্য চলাই যথেষ্ট ডাম্পাৰৰ জৰিয়তে বালি সৰবৰাহ কৰি থাকোঁতে সচেতন ৰাইজ খননস্থলীত উপস্থিত হৈ পথালিপাম বনখণ্ডৰ বনকৰ্মীক খবৰ দিয়ে। বিট অফিচাৰৰ নেতৃত্বত এটা বনকৰ্মীৰ দল খননস্থলীত উপস্থিত হৈ জেচিবি আৰু ডাম্পাৰবোৰ জব্দ কৰাৰ বিপৰীতে আচৰিতভাৱে খননস্থলীৰ পৰা যাবলৈহে নিৰ্দেশ দিয়ে। এই ব্যাপক খনন কাৰ্যই সোৱণশিৰি পাৰৰ অঞ্চলৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিছে। উল্লেখযোগ্য যে, চালানবিহীনভাৱে প্ৰতিদিনাই শ শ ডাম্পাৰৰ সহায়ত এই মহলৰ পৰা বালি সৰবৰাহ হৈ আহিছে, কিন্তু বন বিভাগে চকু মুদা কুলিৰ ভাও ধৰি শুই থাকে।

### হিতাধিকাৰীৰ তালিকাত জিলা পৰিষদৰ সদস্যৰ পত্নী, প্ৰাক্তন আঞ্চলিকৰ সদস্য, মণ্ডল সভানেত্ৰী

# মৰিয়নিত বিজেপি কৰ্মীৰ মাজত ক্ষোভৰ উদগীৰণ

### বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে দলীয় কৰ্মীৰ বিদ্ৰোহ

**অসম বাৰ্তা, চেলেংহাট, ১৩ মাৰ্চ** ঃ নিজকে পাঁচটাকৈ কাৰ্যকালৰ বিধায়ক বুলি দম্ভালি মৰা ৰূপজ্যোতি কুৰ্মী এইবাৰ সমষ্টিৰ দলীয় কৰ্মী সমৰ্থকৰ ৰোষত পৰিছে। দলীয় নেতা কৰ্মী সকলে মুকলিকৈ ঘোষণা কৰিছে আমাক ৰূপজ্যোতি কুৰ্মীক নালাগে। এইসকল বিজেপি কৰ্মীয়ে আনকি দলৰ ৰাজ্যিক সভাপতিক সমষ্টিটোত ৰূপজ্যোতি কুৰ্মীৰ পৰিবৰ্তে আগন্তুক বিধান সভা নিৰ্বাচনত বেলেগ এজনক দলীয় প্ৰাৰ্থীত্ব দিয়াৰো দাবী জনাইছে। আনহাতে মৰিয়নিত ন-বিজেপি আৰু পুৰনি বিজেপিৰ মাজত চলি থকা শীতল যুঁজ খনৰ আজি বৰ্হি প্ৰকাশ ঘটে। আজি সমষ্টিটোৰ হেমলাই গাঁও পঞ্চায়ত এলেকাৰ ৰাধা কৃষ্ণ মন্দিৰ খেলপথাৰত বিজেপি দলৰ চেলেংহাট মণ্ডলৰ একাংশ কৰ্মী সমৰ্থক সমবেত হৈ ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে মুকলিকৈ অসন্তুষ্টি প্ৰকাশ কৰে। এক কথাত ক'বলৈ গ'লে বিজেপিৰ তৃণমূল কৰ্মীসকলে আজি ৰূপজ্যোতিৰ বিৰুদ্ধে মুকলি বিদ্ৰোহ ঘোষণা কৰে। দলীয় কৰ্মী সকলে "বিজেপি জিন্দাবাদ, ভাৰত মাতা কী জয়, ৰূপজ্যোতি আমাক নালাগে, ৰূপজ্যোতি নাচনী" বুলি শ্ল'গান দি উত্তাল পৰিবেশৰ সৃষ্টি কৰে। উল্লেখ্য যে, ২০২১ চনত বিজেপিলৈ ৰূপজ্যোতি কুৰ্মী অহাৰ পাছত পুৰনি বিজেপি কৰ্মীসকলক গুৰুত্বহীণ কৰাৰ লগতে দলীয় বিষয়বাবৰ পৰা আঁতৰাই দিয়া আৰু চৰকাৰী বিভিন্ন আঁচনিৰ সা-সুবিধাৰ পৰাও নাম কাটি দিয়ে বুলি অভিযোগ উত্থাপন কৰে। বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ঘনিষ্ঠ সকলে লাভ কৰা বুলিও কৰ্মীসকলে অভিযোগ উত্থাপন কৰে। অভিযোগ অনুসৰি শেহতীয়াকৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰীৰ তালিকাত বিধায়ক গৰাকীৰ লেমটো স্বৰূপ এগৰাকী জিলা পৰিষদৰ সদস্যৰ পত্নী, আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সদস্য, মণ্ডল বিজেপিৰ সভাপতি আদিৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে এতিয়া ভৰিৰ তলৰ মাটি হেৰুৱাই সমষ্টিটোৰ ঠায়ে ঠায়ে একাংশ পুৰণি দলীয় কৰ্মী সমৰ্থককে পুনৰ দলত যোগদান কৰাৰ নাটক কৰি ৰাজ্যিক নেতৃত্বৰ আস্থাভাজন হোৱাৰ চেষ্টা কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দলীয় কৰ্মী সমৰ্থকে। মন কৰিবলগীয়া যে অহা ১৭ মাৰ্চত বিজেপি দলে প্ৰাৰ্থী তালিকা ঘোষণা কৰাৰ যো জা চলাই থকাৰ সময়তে মৰিয়নি সমষ্টিত দলটোৰ তৃণমুল কৰ্মীসকসকলে ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে মুকলি বিদ্ৰোহ ঘোষণা কৰা কাৰ্যই বিশেষ তাৎপৰ্য বহণ কৰিছে।

# ৰোগীয়া মাতৃক সুস্থ কৰি তুলিবলৈ এগৰাকী যুৱতীৰ কাতৰ প্ৰাৰ্থনা মুখ্যমন্ত্ৰীলৈ

**অসম বাৰ্তা, বান্দৰদেৱা, ১২ মাৰ্চ** ঃ এগৰাকী কিশোৰীয়ে কান্দি কান্দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ অনুৰোধ জনাইছে তেওঁৰ ৰোগীয়া মাতৃক হিমন্ত মামায়ে চিকিৎসাৰ ব্যৱস্থা কৰি পুনৰ জীৱন দান দিয়ে যেন। কিশোৰী গৰাকীৰ ঘৰ লখিমপুৰ জিলাৰ লালুক মৌজাৰ অন্তৰ্গত আধাৰখনা কমলাবৰীয়া গাঁৱৰ। মাতৃ প্ৰবীণা হাজৰিকা আজি কিছুদিনৰ পৰা দুয়োটা কিড্‌নি বিকল হৈ শয্যাগত অৱস্থাত বিছনাত পৰি আছে। ইফালে পিতৃ ক'লামনি হাজৰিকাই দিন হাজিৰা নকৰিলে নচলে সংসাৰ। তেনেস্থলত সু-চিকিৎসাৰ বাবে অৰ্থৰ অভাৱত চিকিৎসালয়লৈ নিব পৰা নাই এতিয়া ঘৰখনে। সেয়েহে অতি দৰিদ্ৰ পৰিয়ালটিক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সহায় ভিক্ষা খোজাৰ লগতে কোনো সদাশয় ব্যক্তিয়ে পৰিয়ালটোক সহায় কৰিব ইচ্ছা কৰিলে 9394655005 নাইবা 8011250646 এই নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে যুৱতী গৰাকীয়ে।

### আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ

# মৰিয়নীত সমষ্টিত পথৰ আধাৰশিলা

**অসম বাৰ্তা, চেলেংহাট, ১৩ মাৰ্চ** ঃ মৰিয়নী সমষ্টিৰ বিভিন্ন স্থানত আজি বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে প্ৰায় ৫০ কোটি টকাৰ পথৰ আধাৰশিলা আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া সমষ্টিটোৰ হাতিজুৰি জেঙণি দলং, লুখুৰাখনৰ পৰা ধোদৰ আলি পথ, চটাই নদীৰ দলং, অসম দৰ্শনৰ দক্ষিণ পকা লাইন হৰি মন্দিৰ গৃহ, চেতিয়া চুক পথ আৰু বাইলুং গাঁও পথৰ আধাৰশিলা স্থাপন কৰে। লগতে তেওঁ অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ১৩ নং লাইন সোণোৱাল বাগানৰ আদৰ্শ আংগনৱাড়ী কেন্দ্ৰ, মাউৎজুলি বাঁহবাৰী বস্তিৰ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ, দিহিঙ্গিয়াপাৰ ৫ নং লাইন বৰলাইন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, দিহিঙ্গীয়াপাৰ বৰলাইন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, তিৰুৱাল চাহ বাগিছা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, দৰকীয়াল দ্বিতীয় খণ্ডৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, নাগাডেৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, গোহাঁইবাৰী চাহ বাগিছা ক্ষুদ্ৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, খনিকৰ বৰলাইন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, ডালিম বাগান আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, নামনি নামচেছু আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, টিপমিয়া কুৰ্মী চুক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। উক্ত অনুষ্ঠানত স্থানীয় ৰাইজৰ লগতে পঞ্চায়ত প্ৰতিনিধি সকলো উপস্থিত থাকে।

# দলগাঁৱত মাটি কঢ়িওৱা ট্ৰেক্টৰৰ খুন্দাত এজনৰ কৰুণ মৃত্যু; অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, দলগাঁও, ১৩ মাৰ্চ** ঃ দৰং জিলাৰ দলগাঁও থানাৰ অন্তৰ্গত ১নং শিয়ালমাৰীত আজি এক শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী মাটি ভৰ্তি ট্ৰেক্টৰৰ খুন্দাত থিতাতে গুৰুতৰভাৱে আহত হোৱা এজন ব্যক্তিৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। নিহত লোকজনক ১নং শিয়ালমাৰী গাঁৱৰ বাসিন্দা তথা ৫০ উৰ্ধৰ আতৰ আলী বুলি চিনাক্ত কৰা হৈছে। আলীয়ে নিজৰ চাইকেলেৰে কোনাকাটাৰ ফালৰ পৰা শিয়ালমাৰী বজাৰ অভিমুখে গৈ আছিল। সেই সময়তে বিপৰীত দিশৰ পৰা তীব্ৰ বেগত অহা এখন মাটি ভৰ্তি ট্ৰেক্টৰৰ ট্ৰেইলাৰে তেওঁক প্ৰচণ্ড জোৰে খুন্দা মাৰে। দুৰ্ঘটনাটোৰ ফলত আলী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজে তেওঁক ততাতৈয়াকৈ উদ্ধাৰ কৰি খাৰুপেটীয়াৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসালয়তে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ঘটনাৰ খবৰ পোৱাৰ পিছতে দলগাঁও আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দলগাঁও আৰু ইয়াৰ নিচেই কাষৰীয়া অঞ্চলসমূহত দীৰ্ঘদিন ধৰি একাংশ অবৈধ বালি-মাটি মাফিয়াৰ দৌৰাত্ম্য বৃদ্ধি পোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজৰ মতে, নিয়ম-নীতিৰ তোৱাক্কা নকৰি তীব্ৰ বেগত চলোৱা এই ট্ৰেক্টৰসমূহৰ বাবেই অঞ্চলটোত সঘনাই এনে দুৰ্ঘটনা সংঘটিত হ'বলৈ ধৰিছে। আজিৰ এই ঘটনাই অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰাৰ লগতে অবৈধ ট্ৰেক্টৰৰ চলাচল বন্ধ কৰিবলৈ আৰক্ষী তথা প্ৰশাসনক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

শুকান জলকীয়া, ঘি, গোটা নাৰিকল, চন্দন, কাইটীয়া ঔষধিচূৰ্ণৰে দিব পূৰ্ণাহুতি

# মঙলদৈত বগলা দেৱীৰ মহাযজ্ঞ

**অসম বাৰ্তা, মঙলদৈ, ১৩ মাৰ্চ ঃ** ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত থকা একমাত্ৰ মঙলদৈৰ নৱগ্ৰহ মন্দিৰৰ অভিনৱ পদক্ষেপ। সকলো জীৱ জগতৰ কল্যাণৰ অৰ্থে সৰ্বাংগীণ উন্নয়ন আৰু সনাতনী ধৰ্ম ৰক্ষাৰ্থে মঙলদৈৰ নবগ্ৰহ মন্দিৰত দৰং আৰু ওদালগুৰি জিলা ব্ৰাহ্মণ সভাৰ অন্যতম জ্যোতিষ শাখাই আয়োজন কৰিছে শ্ৰীশ্ৰী বগলা দেৱীৰ মহাযজ্ঞ আৰু জ্যোতিষ সম্মিলনৰ। অহা ২২ মাৰ্চৰ দিনা পুৱা ৬.৩০ বজাৰ পৰা আৰম্ভ হ'ব সিদ্ধি-শ্ৰাদ্ধ আৰু সন্ধিয়া ৭ বজাৰ পৰা দেৱীৰ পূজা অৰ্চনা যজ্ঞৰান্ত কৰি মাজনিশা ১২ বজাত হ'ব দেৱীৰ পূৰ্ণাহুতি। ইয়াৰোপৰি ২৩ মাৰ্চত অনুষ্ঠিত হ'ব জ্যোতিষ সম্মিলন। বগলা মহাযজ্ঞ তান্ত্ৰিক শাস্ত্ৰ অনুসাৰে অত্যন্ত শক্তিশালী আৰু পবিত্ৰ যজ্ঞ বুলি তাহানিৰে পৰা গণ্য কৰি অহা হৈছে। ভক্তিভাবে আৰু শুদ্ধ মনৰে এই যজ্ঞ কৰিলে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কল্যাণ লাভ হয় বুলি বিশ্বাস কৰা হয়। বগলামুখী দেৱীক 'স্তমভন শক্তিৰ দেৱী' বুলি কোৱা হয়। বিশ্বাস অনুসাৰে এই মহাযজ্ঞ কৰিলে শত্ৰু দমন আৰু সুৰক্ষা, বিপদ-আপদৰ পৰা ৰক্ষা, বিজয় আৰু সফলতা লাভ, মানসিক শক্তি আৰু আত্মবিশ্বাস বৃদ্ধি, আধ্যাত্মিক উন্নতি হয় বুলি বিশ্বাস কৰা হয়। বগলা মহাযজ্ঞ কেবল ভৌতিক লাভৰ বাবে নহয়, ই আধ্যাত্মিক সাধনাৰো এটা গুৰুত্বপূৰ্ণ উপায়। প্ৰতি বাৰ বছৰৰ মূৰে-মূৰে মা বগলা মহাযজ্ঞ কৰা হয়। এইবাৰ ১৪ বছৰৰ মূৰত অনুষ্ঠিত হ'ব এই মহাযজ্ঞৰ। জীৱ জগতৰ শত্ৰু ৰোধ কৰিবৰ বাবে এই পূজা কৰা হয়। সকলোৰে সৰ্বাঙ্গীণ উন্নতিৰ হকে শুকান জলকীয়া ১২০ কেজি, ঘি ১২০ লিটাৰ, ১২০টা গোটা বাকলি গুছোৱা নাৰিকল, ৬০ মিটাৰ হালধীয়া বস্ত্ৰ, ৩৭ বিধ ঔষধিয় চন্দন, ১০৮ বিধ কাইটীয়া ঔষধিচূৰ্ণ, একমুখী মহালক্ষ্মী নাৰিকল (সীমিত), ১০৮ বিধ ফুলচূৰ্ণ, স্বৰ্ণচূৰ্ণ, ৰূপ্যচূৰ্ণ, মহাঔষধি সামগ্ৰী, বৈদিক যজ্ঞাহুতি চূৰ্ণ, বাজমোহিনী বীজ, মিলন বীজ, বৃক্ষ শিৱলিংগ বীজ, গোৰোকচনা, মহাঔষধি, সৰ্বসিদ্ধি ঔষধিচূৰ্ণ, সৰ্বজয় ঔষধিচূৰ্ণ আদিৰে ৩০জন পুৰোহিতৰ দ্বাৰা এই যজ্ঞত আহুতি-পূৰ্ণাহুতিকৰা হ'ব বুলি দৰং ওডালগুৰি জিলা ব্ৰাহ্মণ সমাজৰ উপদেষ্টা তথা জ্যোতিষী প্ৰবোধ শৰ্মাই জনায়। বগলা মহাযজ্ঞ (বা বগলামুখী মহাযজ্ঞ) হৈছে তান্ত্ৰিক উপাসনা পৰম্পৰাত অত্যন্ত গুৰুত্বপূৰ্ণ এক বিশেষ যজ্ঞ। এই যজ্ঞ মূলতঃ দশ মহাবিদ্যাৰ ভিতৰত অন্যতম দেৱী বগলামুখী দেৱীৰ পূজা আৰু সাধনাৰ সৈতে জড়িত। অসম আৰু ভাৰতৰ বিভিন্ন তান্ত্ৰিক পৰম্পৰাত এই মহাযজ্ঞ বিশেষ মাহাত্ম্য লাভকৰিছে। সনাতনী ধৰ্ম বিশ্বাসী জাতি বৰ্ণ নিৰ্বিশেষে সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা গেছ এজেঞ্চী বা ব্যক্তিৰ বিৰুদ্ধে লোৱা হ'ব কঠোৰ আইনী ব্যৱস্থা

# মৰিগাঁও জিলাত হোৱা নাই ঘৰুৱা ৰন্ধন গেছৰ নাটনি

## অযথা আতংকিত হৈ অধিক চিলিণ্ডাৰ ক্ৰয় নকৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জিলা আয়ুক্তৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ মাৰ্চ ঃ** মৰিগাঁও জিলা প্ৰশাসনে সামাজিক মাধ্যম তথা একাংশ লোকৰ মাজত প্ৰচাৰ হোৱা ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ সম্ভাব্য নাটনিৰ উৰা বাতৰি সন্দৰ্ভত স্পষ্ট কৰি দিছে যে এনে বাতৰি সম্পূৰ্ণৰূপে ভিত্তিহীন। আজি এই সম্পৰ্কীয় এখন গোহাৰিত উল্লেখ কৰা হৈছে যে মৰিগাঁও জিলাত বৰ্তমান ঘৰুৱা ৰন্ধন গেছৰ কোনো ধৰণৰ নাটনি হোৱা নাই। চৰকাৰী তথ্য আৰু তেল কোম্পানীসমূহৰ যোগানৰ স্থিতি অনুসৰি, জিলাখনত পৰ্যাপ্ত পৰিমাণৰ ঘৰুৱা ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰি বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাবে যোগানত সাময়িক প্ৰভাৱ পৰাৰ যি উৰা বাতৰি বিয়পিছে, সেইয়া ভিত্তিহীন বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। ৰাজ্য চৰকাৰ তথা জিলা প্ৰশাসনে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ জৰিয়তে গোটেই ব্যৱস্থাটো নিৰন্তৰ নিৰীক্ষণ কৰি আছে বুলি গোহাৰিখনত কোৱা হৈছে। ইফালে আজি এই সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ ৰন্ধন গেছৰ বিতৰকসকলৰ সৈতে জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এই সন্দৰ্ভত কয় যে কোনো গেছ এজেঞ্চী বা ব্যক্তিয়ে যদি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে অথবা ক'লা বজাৰত জড়িত বুলি প্ৰমাণ পোৱা যায়, তেন্তে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ কোনো ধৰণৰ অপপ্ৰচাৰ বা উৰা বাতৰিত ভোল নাযাবলৈ আৰু তেনে বাৰ্তা সামাজিক মাধ্যমত আনলৈ প্ৰেৰণ নকৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে কয় যে আতংকিত হৈ অধিক ক্ৰয় কৰিলে জিলাখনৰ স্বাভাৱিক যোগান শৃংখলাত ব্যাঘাত জন্মিব। সেয়েহে তেওঁ প্ৰয়োজনতকৈ অধিক চিলিণ্ডাৰ বুকিং কৰা বা ঘৰত মজুত ৰখা কাৰ্যৰ পৰা বিৰত থাকিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। উল্লেখ্য যে চৰকাৰী নিৰ্দেশনা অনুসৰি, অযথা আতংকিত হৈ অধিক ক্ৰয় কৰাটো ৰোধ কৰিবলৈ এতিয়াৰ পৰা এটা চিলিণ্ডাৰ বুক কৰাৰ ২৫ দিনৰ পিছতহে পৰৱৰ্তী চিলিণ্ডাৰ বুক কৰিব পাৰিব। জিলা আয়ুক্তগৰাকীয়ে এই ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে। আজিৰ সভাত জাগীৰোডৰ সম-জিলা আয়ুক্ত হৃদয় কুমাৰ দাস, সহকাৰী আয়ুক্ত কংকণ জ্যোতি শইকীয়া আৰু শিল্পীৰেখা পণ্ডিত, যোগান বিভাগৰ বিষয়াসকল আৰু জিলাখনৰ বিভিন্ন ঠাইৰ ৰন্ধন গেছৰ বিতৰকসকল উপস্থিত আছিল।

# বঙাইগাঁও বিশ্ববিদ্যালয়ত মুকলি কোচৰাজবংশী গৱেষণা কেন্দ্ৰ




**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১৩ মাৰ্চ ঃ** নামনি অসমত উচ্চ শিক্ষাৰ নেতৃত্ব দিয়া এক অগ্ৰগামী প্ৰতিষ্ঠান বঙাইগাঁও বিশ্ববিদ্যালয়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষ, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদ আৰু সদৌ কোচৰাজবংশী ছাত্ৰসন্থাৰ সন্মিলিত উদ্যোগত centre for koch rajbongshi studies (কোচজবংশী ষ্টাডিছ)ৰ আজি শুভ উদ্বোধন কৰা হয়। উক্ত গৱেষণা কেন্দ্ৰটো আনুষ্ঠানিক ভাৱে মুকলি কৰে বঙাইগাঁৱৰ জিলা আয়ুক্ত দীবাকৰ নাথে। গৱেষণা কেন্দ্ৰটো মুকলি কৰি জিলা আয়ুক্ত দীবাকৰ নাথে কয় যে, কোচ ৰাজবংশী ভাষা সাহিত্য সংস্কৃতিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই গৱেষণা কেন্দ্ৰটো যথেষ্ট সহায়ক হ'ব। আনহাতে, বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ তৰণী ডেকাই বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গণত এনে এটি গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ পাই সুখী অনুভৱ কৰা বুলি ব্যক্ত কৰে। গৱেষণা কেন্দ্ৰটো মুকলি কৰাৰ পিছতেই অনুষ্ঠিত হয় এক মুকলি সভা। বন্তি প্ৰজ্বলন আৰু সমবেত সংগীতেৰে আৰম্ভ কৰা সভাত উপস্থিত থাকে বঙাইগাঁও বিশ্ববিদ্যালয় উপাচাৰ্য্য, পঞ্জীয়ক, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদসকলৰ লগতে বিষয়ববীয়াসকল আৰু আক্ৰাছুৰ উপদেষ্টা লগতে নেতৃবৃন্দ আৰু বহুতো সমল ব্যক্তি। গৱেষণা কেন্দ্ৰটো মুকলি হোৱাৰ পিছতে আক্ৰাছুৰ সভাপতি মনোজ ৰায়ে কয় এয়া জাতিটোৰ বাবেই এক ভালদিন ভাল লক্ষণ আহিছে বুলি মন্তব্য আগবঢ়ায়। আনহাতে, আক্ৰাছুৰ সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে বহু দুখৰ মাজতো এয়া এক সুখৰ খৱৰ বুলি উল্লেখ কৰি কয় যে কোচ ৰাজবংশী ভাষা সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত এই গৱেষণা কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী, ৰে'লমন্ত্ৰী, মুখ্যমন্ত্ৰীক ধন্যবাদ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ

# নিউ জলপাইগুৰিৰ পৰা গুৱাহাটীলৈ নতুন ইণ্টাৰচিটী ৰে'ল মুকলি

**অসম বাৰ্তা, বৰপেটাৰোড, ১৩ মাৰ্চ ঃ** আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গুৱাহাটীত নিউ জলপাইগুৰি গুৱাহাটী ইণ্টাৰচিটী ৰেলখন ভাৰ্চুৱেলী মুকলিৰ পিচতে আজি ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বৰপেটাৰোড ৰেল ষ্টেচনত সেউজীয়া পতাকা জোকাৰি মুকলি কৰিলে ইণ্টাৰচিটী ৰে'লখন। মন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰৰ পৰা উক্ত ৰেল খনেৰে আহি বৰপেটাৰোড ৰেল ষ্টেচনত উপস্থিত হোৱাৰ পিচতে বৰপেটাৰোড ষ্টেচনত মন্ত্ৰী গৰাকীয়ে ৰে'লখন ৰখাই ফ্লেগ জেকাৰি ৰে'লখন মুকলি কৰে। উল্লেখ্য যে প্ৰতিদিনে নিউ জলপাইগুৰিৰ পৰা গুৱাহাটীলৈ চলাচল কৰিবলগীয়া ৰে'লখন বৰপেটাৰোড, সৰুপেটা, পাঠশালা আদিকে ধৰি কেবাটাও ষ্টেচনত ৰ'ব। নিউ জলপাইগুৰিৰ পৰা গুৱাহাটী সংযোগী নতুন ইণ্টাৰচিটী ৰে'লগাড়ীখন মুকলি হোৱাৰ ফলত অসম আৰু পশ্চিমবংগৰ ৰেলযাত্ৰী সকল উপকৃত হ'ব বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আশা প্ৰকাশ কৰে। নতুনকৈ মুকলি হোৱা ৰে'লখনৰ বাবে তেওঁ দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰেলমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীকো ধন্যবাদ জনায়। আনপিনে ইয়াৰ পিছতে আজি সন্ধিয়া অসম পৰ্বত মালাৰ' 03' অধীনত বৰপেটাৰোড - মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথটোও শুভ উদ্বোধন কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে।

যি কামত আত্মসন্তুষ্টি বাঢ়ে তেনে কাম কৰা উচিত ঃ ঘটেশ্বৰ বৰুৱা

# টংলাত ৰাজেন্দ্ৰ নাথৰ গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৩ মাৰ্চ ঃ** মানুহ সদায় সৎ কামত সৎ চিন্তাত প্ৰবৃত্ত হ'ব লাগে। যি কামত আত্মসন্তুষ্টি বাঢ়ে, মানুহে সেই কাম কৰা উচিত। এই মন্তব্য কৰে টংলা সাহিত্য সভাৰ সভাপতি তথা টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘটেশ্বৰ বৰুৱাই। যোৱা ১২মাৰ্চত ওদালগুৰি জিলাৰ টংলাৰ দক্ষিণ জংগলপাৰা নিবাসী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰাজেন্দ্ৰ চন্দ্ৰ নাথৰ 'ভক্তি বেদান্ত' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰি তেওঁ এইদৰে কয়। গ্ৰন্থকাৰ নাথৰ বাসগৃহত অনুষ্ঠিত এই সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য তথা ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাসে। যোগেন্দ্ৰ নাথে আঁত ধৰা সভাখনত আদৰণী ভাষণ আগবঢ়ায় ৰাজেন্দ্ৰ চন্দ্ৰ নাথে। সভাত সাহিত্যিক পেঞ্চনাৰ 'ওদালগুৰি ৰত্ন' ধৰণীধৰ মেধি, নগাঁও পানীগাঁৱৰ নীতামণি হাজৰিকা, টংলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক শিৱৰাম নাথ আৰু ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ প্ৰাক্তন সভাপতি দেবেন্দ্ৰ নাথ চহৰীয়াই গ্ৰন্থকাৰৰ প্ৰথম প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰি ভাষণ দিয়ে। সভাত ওদালগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰণ চন্দ্ৰ নাথ, অসম সাহিত্য সভাৰ হিতৈষী সভ্য পূৰ্ণিমা ভূঞা, কবি তথা ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ প্ৰাক্তন সম্পাদক কাৰ্তিক সূতাৰ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুণলতা দেৱী মেধি, টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কনক চন্দ্ৰ ডেকা, টংলা নগৰ সমিতিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বিনয় চহৰীয়া, কবি ৰুনীমা দাস, অতুল ডেকা, তিলক নাথ, নীলাম্বৰ নাথ, নিকুঞ্জ চহৰীয়া আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# লখিমপুৰৰ চিয়াজুলী হিন্দু গাঁৱৰ ৰাইজৰ ৰোষত দুধৰ্ষ ৪ গৰু, ছাগলী চোৰ

**অসম বাৰ্তা, বগীনদীৰ বিশেষ, ১৩ মাৰ্চ ঃ** লখিমপুৰৰ বগীনদীৰ আৰক্ষী চকী অন্তৰ্গত চিয়াজুলী হিন্দু গাঁৱৰ ৰাইজৰ বৃহৎ সফলতা। দীৰ্ঘ দিন ধৰি অঞ্চলটোত সংঘটিত হৈ আহিছিল গৰু, ছাগলী চোৰৰ ঘটনা। প্ৰথম অৱস্থাত ৰাইজে বিষয়টো আৰক্ষীক জনাই যদিও চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত গাঁৱৰ ৰাইজে অনুসন্ধান চলাই থকাৰ মাজতে ১২/৩/২০২৬ তাৰিখৰ অৰ্থাৎ শুক্ৰবাৰৰ দিনটোত ৪ গৰু, ছাগলী চোৰ ক্ৰমে কদম টেঙাবস্তিৰ মাণিক আলি, ৰাহুল আলী, গজিহুলাৰ বিজিত পায়েং আৰু উজ্জ্বলপুৰৰ মঞ্জিল বৰুৱাক হিন্দু গাঁৱৰ সতী সাধনী পথত হাতে লোটে ধৰা পেলাই ৰাইজে উত্তম মাধ্যম সোধাই আৰক্ষীক গতাই দিয়ে। জানিব পৰামতে অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰা চোৰ কেইটাই AS07AA2777 নম্বৰ গাড়ীত চুৰি গৰু ছাগলী উঠাই আনি লখিমপুৰৰ চানমাৰি জলিল আলীক বিক্ৰী কৰি আহি থকা পথতে ৰাইজে হাতে লোটে ধৰা পেলাই উত্তম মাধ্যম সোধাই আৰক্ষীক গতাই দিয়ে। বৰ্তমান আৰক্ষীৰ জিম্মাত থকা চোৰ কেইটাৰ পৰা চুৰি হোৱা ভুক্তভোগী পৰিয়ালকেইটাই ক্ষতিপূৰণ বিচৰাৰ লগতে কঠোৰ ভাৱে আইনী ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আৰক্ষীক দাবী জনাই। তলত ফটো আছে, প্ৰেৰক পাৰ্থ শইকীয়া।

# মাজুলীত প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ মাৰ্চ ঃ** মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সাংস্কৃতিক কাৰ্যালয়ৰ কক্ষত প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ মাজুলী জিলাৰ সভাপতি মনোজ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামীয়ে আশিস বাণী প্ৰদান কৰে। প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ ৰাজ্যিক সমিতিৰ সম্পাদক হিতেশ চক্ৰৱৰ্তীয়ে সভাত অংশগ্ৰহণ কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত উন্নয়নৰ স্বাৰ্থত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে সচেতন হোৱা দৰকাৰ বুলি কয়। সভাত উপস্থিত থকা ত্ৰিনয়ন দত্ত, কৰুণা বৰা, ভৰত শইকীয়া, গোলাপ বৰুৱা বৰবায়ন, ডিম্বেশ্বৰ শইকীয়া আদি বিশিষ্ট ব্যক্তিসকলে বক্তব্য প্ৰদান কৰি প্ৰজ্ঞাৰ দ্বাৰা অনুষ্ঠিত কৰি অহা গুৰুপূজন, বন্দে মাতৰম্ আদি অনুষ্ঠানসমূহৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়। সভাখনত সম্বৰ্ধনা, পৰিচয় পৰ্ব আদি বিষয়সমূহৰ আঁত ধৰে প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ মাজুলী জিলা সমিতিৰ সম্পাদক প্ৰশান্ত ভাগৱতীয়ে।

# আলিঃ আয়েঃ লৃগাংক চৰকাৰী বন্ধ ঘোষণাত মাজুলীত মিচিং সংগঠনৰ আনন্দ উল্লাস

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ মাৰ্চ ঃ** অসম কেবিনেটে মিচিং জনগোষ্ঠীৰ মুখ্য কৃষিভিত্তিক উৎসৱ আলিঃ আয়েঃ লৃগাংক ৰাজ্যিক চৰকাৰী বন্ধ হিচাপে ঘোষণা কৰাৰ পিছতেই মাজুলীৰ মিচিং অধ্যুষিত বিভিন্ন স্থানত আনন্দ উল্লাসৰ পৰিৱেশ সৃষ্টি হয়। বিশেষকৈ নয়াবজাৰ অঞ্চলত আজি মিচিং সংগঠনসমূহে ফটকা আতসবাজী ফুটাই, গীত-নৃত্যৰ মাজেৰে আনন্দ প্ৰকাশ কৰে। মাজুলী জিলা টিএমপিকে, এমএমকে আৰু টিএমএমকেৰ অধীনস্থ বিভিন্ন আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত এই আনন্দ উল্লাস কাৰ্যসূচীত বহু লোক উপস্থিত থাকে। ফটকাৰ শব্দ আৰু আনন্দ উল্লাসত নয়াবজাৰ অঞ্চল মুখৰ হৈ উঠে। উল্লেখযোগ্য যে পূৰ্বে ৰাজ্যৰ কেৱল ১০খন জিলাতহে আলিঃ আয়েঃ লৃগাংক স্থানীয় ছুটীৰ দিন হিচাপে ঘোষণা কৰা হৈছিল। কিন্তু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত কেবিনেট বৈঠকৰ সিদ্ধান্ত মৰ্মে এই উৎসৱক ৰাজ্যজুৰি চৰকাৰী বন্ধ হিচাপে ঘোষণা কৰা হয়। দীৰ্ঘদিন ধৰি মিচিং জনগোষ্ঠীয়ে এই দাবী উত্থাপন কৰি আহিছিল। মিচিং সমাজ অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী আৰু আলিঃ আয়েঃ লৃগাং হৈছে মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক অন্যতম গুৰুত্বপূৰ্ণ উৎসৱ। ইফালে, অসম চৰকাৰৰ শিক্ষা বিভাগে ৰাজ্যত মিচিং ভাষাত শিক্ষক যোগ্যতা পৰীক্ষা (টেট) অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাক লৈও মিচিং সংগঠনসমূহে সন্তোষ প্ৰকাশ কৰিছে। মিচিং অধ্যুষিত অঞ্চলসমূহত মিচিং ভাষাৰ শিক্ষক নিযুক্তিৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে প্ৰায় ২০০খন প্ৰাথমিক বিদ্যালয়ত মিচিং ভাষাৰ পাঠদান আৰম্ভ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই পদক্ষেপক স্বাগত জনাই মাজুলী জিলা টিএমপিকে, এমএমকে আৰু টিএমএমকেই অসম চৰকাৰ আৰু শিক্ষা বিভাগক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। গড়মূৰত সংগঠনসমূহৰ সদস্যসকলে "হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ" ধ্বনিৰে মুখ্যমন্ত্ৰী তথা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সংগঠনসমূহে প্ৰকাশ কৰা মতে, এই বিশেষ শিক্ষক যোগ্যতা পৰীক্ষাৰ জৰিয়তে বহু শিক্ষিত মিচিং যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰাৰ সুযোগ পাব আৰু নিৱনুৱা সমস্যা হ্ৰাস পোৱাত সহায়ক হ'ব। ইয়াৰ উপৰি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত মিচিং জনগোষ্ঠীৰ বিভিন্ন সংগঠন টিএমপিকে, এমএমকে আৰু টিএমএমকেই ভাৰতীয় জনতা পাৰ্টিক মুকলি সমৰ্থন আগবঢ়াব বুলি ঘোষণা কৰে। এই উপলক্ষে মাজুলীত গোমৰাগ নৃত্য আৰু ঐনিতম গীত পৰিৱেশন কৰি আনন্দ প্ৰকাশ কৰে।

# অসমীয়া যুৱ মঞ্চ, দৰং জিলা সমিতিৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা, মঙলদৈ, ১৩ মাৰ্চ ঃ** অসমীয়া যুৱ মঞ্চ দৰং জিলা সমিতিৰ উদ্যোগত বুধবাৰে মঙলদৈ অসম পৰিবহণ নিগমৰ কাৰ্যালয়ৰ সন্মুখত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদান কৰক। অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক। অসম চুক্তি ৰূপায়ণেৰে অবৈধ বাংলাদেশী বিতাড়ন কৰক। অসমত ইনাৰ লাইন পাৰ্মিটৰ ব্যৱস্থা প্ৰবৰ্তন কৰক, আদি দাবীৰে এই প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। প্ৰতিবাদী কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা বিপুল মহন্ত, কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক উপেন ডেকা, জিলা সমিতিৰ মুখ্য উপদেষ্টা ভুলু শৰ্মা, জিলা সমিতিৰ সভাপতি বিপুল ভূঞাৰ লগতে অসমীয়া যুৱ মঞ্চৰ দহজন বিষয়ববীয়া লগতে অৰ্ধশতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# মাজুলী মহাবিদ্যালয়ত ইন্দ্ৰধনুষ গেছ গ্ৰীড প্ৰকল্পৰ সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ১৩ মাৰ্চ ঃ** ভাৰতীয় তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ অধীনৰ পাঁচটা শীৰ্ষ ৰাজহুৱা খণ্ডৰ যৌথ সংস্থা 'ইন্দ্ৰধনুছ গেছ গ্ৰীড প্ৰকল্প'ৰ উদ্যোগত, মাজুলী মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত ৰাষ্ট্ৰীয় সুৰক্ষা সপ্তাহৰ সৈতে সংগতি ৰাখি আজি মাজুলী মহাবিদ্যালয়ত মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হয় এক বিশেষ সজাগতামূলক অনুষ্ঠান। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক প্ৰাকৃতিক গেছ পাইপলাইনৰ জৰিয়তে সংযোগ কৰাৰ লক্ষ্যৰে প্ৰতিষ্ঠিত তথা প্ৰাকৃতিক গেছ পাইপলাইন নিৰ্মাণ, উন্নয়ন আৰু পৰিচালনাৰ সৈতে জড়িত এই সংস্থাটোৰ লক্ষ্য সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যৰে মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত পুৱা ১২.১০ বজাৰ পৰা অনুষ্ঠিত সভাখনৰ আঁত ধৰে সংস্থাটোৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ বিভাগৰ ইঞ্জিনীয়াৰ বাৰ্বী ৰাজখুৱাই। সভাৰ আৰম্ভণিতে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলক সংস্থাৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। সজাগতামূলক সভাখনি উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই মাজুলীৰ দৰে জিলাত শিক্ষাৰ্থীৰ মাজত এনে সজাগতামূলক সভা অনুষ্ঠিত কৰিবলৈ আগবাঢ়ি অহাৰ বাবে ইন্দ্ৰধনুষ গেছ গ্ৰীড প্ৰকল্পক মাজুলীবাসীৰ হৈ ধন্যবাদ জনায় আৰু এনে সভাই শিক্ষাৰ্থীসকলক প্ৰাকৃতিক গেছ পাইপলাইনৰ সুৰক্ষা সম্পৰ্কে সজাগ আৰু সচেতন কৰি তুলিব বুলি উল্লেখ কৰে। সংস্থাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে চমুকৈ আলোকপাত কৰে সংস্থাটোৰ স্বাস্থ্য সুৰক্ষা আৰু পৰিৱেশ বিভাগৰ প্ৰবন্ধক চাহিল ইমটিয়াজ আলীয়ে। মহাবিদ্যালয় পৰ্যায়ৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, সহকাৰী অধ্যাপিকা ডঃ শ্বাহনাজ আহমেদ আৰু জাহ্নৱী বৰুৱাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সমল ব্যক্তিৰ বক্তব্যত প্ৰকল্পটোৰ স্বাস্থ্য সুৰক্ষা আৰু পৰিৱেশ শাখাৰ প্ৰবন্ধক চাহিল ইমটিয়াজ আলীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থা, যেনে পাহাৰীয়া অঞ্চল, ঘন বনাঞ্চল, নদী পাৰাপাৰ আৰু অধিক বৰষুণৰ বাবে এই প্ৰকল্পৰ বাস্তৱায়ন যথেষ্ট প্ৰত্যাহ্বানমূলক যদিও আধুনিক প্ৰযুক্তি, উন্নত নিৰ্মাণ পদ্ধতি আৰু কঠোৰ সুৰক্ষা মানদণ্ড আদিৰ বাবে এই প্ৰকল্প সফলভাৱে আগবঢ়াই নিবলৈ সক্ষম হোৱা হৈছে। সামগ্ৰিকভাৱে, ইন্দ্ৰধনুষ গেছগ্ৰীড প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলত শক্তি সুৰক্ষা নিশ্চিত কৰাৰ লগতে অঞ্চলটোৰ আৰ্থিক উন্নয়ন, উদ্যোগ বিকাশ আৰু পৰিৱেশ সুৰক্ষাত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলিও তেওঁ মন্তব্য কৰে। সজাগতামূলক সভাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতাখনি সঞ্চালনা কৰে পৰিচালনা আৰু ৰক্ষণাবেক্ষণ বিভাগৰ ইঞ্জিনীয়াৰ বাৰ্বী ৰাজখুৱাই। আজিৰ সভাতে কুইজ প্ৰতিযোগিতাত স্থানপ্ৰাপকসকলক পুৰস্কৃত কৰা হয়।




# যোৰহাটৰ নগৰাঞ্চলৰ বিদ্যুৎ উপভোক্তাৰ বাবে অতিৰিক্ত হেল্পলাইন নম্বৰ সংযোজন

**অসম বাৰ্তা, যোৰহাট, ১৩ মাৰ্চ ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ যোৰহাট বৈদ্যুতিক উপ-সংমণ্ডল-২ৰ অন্তৰ্গত সন্মানীয় বিদ্যুৎ উপভোক্তা সকলৰ সুবিধাৰ্থে বিভাগৰ তৰফৰ পৰা এটা অতিৰিক্ত লেণ্ড লাইন দুৰভাষ নম্বৰ ০৩৭৬-৪০৪৯৫২৮ হেল্পলাইন নম্বৰ হিচাপে নতুনকৈ সংযোজন কৰা হৈছে। যোৰহাট বৈদ্যুতিক সংমণ্ডল-১ৰ সহকাৰী মহাপ্ৰবন্ধকে জানিবলৈ দিয়া অনুসৰি আগন্তুক বাৰিষা কালৰ প্ৰতি লক্ষ্য ৰাখি উপভোক্তা সকলে বিভাগৰ লগত সহজতে যোগাযোগ স্থাপন কৰাৰ সুবিধাৰ বাবে এই ব্যৱস্থা কৰা হৈছে। এতিয়াৰ পৰা যোৰহাটৰ কেৱল নগৰাঞ্চল (পূৱে ভোগদৈ দলঙৰ পৰা পশ্চিমে অজন্তা হল বাইপাচ, উত্তৰে মালোৱালি বাইপাচৰ পৰা দক্ষিণে লিচুবাৰীলৈকে) ৰ উপভোক্তা ৰাইজে পূৰ্বৰ ০৩৭৬-২৩২০০৪৮ /৬৯০০১৭০৩৪০/ ৭০৯৯০৯৫৫৯৬ ভ্ৰাম্যভাষ নম্বৰৰ লগতে ০৩৭৬-৪০৪৯৫২৮ দূৰভাষ নম্বৰৰ যোগেদিও তেখেতসকলৰ বিদ্যুৎ সম্পৰ্কীয় অভিযোগ, পৰামৰ্শ প্ৰদান কৰিব পাৰিব।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন